বৰো-কছাৰী ছ’ল

সংগ্ৰাহক :

শ্ৰীমোহিনী মোহন ব্ৰহ্ম

সম্পাদক :

শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী

STATE CENTRAL LIBRARY
Call No.
* ASSAM *

RARE BOOK

লোকযাত্ৰি গৱেষণা বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

BODO-KACHARI SOLA, a collection of Bodo-Kachari Folktales with Assamese translation, by Sri Mohini Mohan Brahma and Dr. Praphulladatta Goswami, Published by the Dept. of Folklore Research, Gauhati University, November 1972.

প্ৰথম প্ৰকাশ : নৱেম্বৰ ১৯৭২

10 00

বেচ : [redacted] টকা মাত্ৰ

মুদ্ৰক :
শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভাউকা
গুৱাহাটী বিশ্ববিদ্যালয় প্ৰেছ
গুৱাহাটী—১৪

সম্পাদকীয়

বৰ্ত্তমান যুগত ইউৰোপ আৰু আমেৰিকাত সাধুকথাৰ যি অনুশীলন হবলৈ ধৰিছে তাৰ নিৰ্দ্দেশ মানিবলৈ হলে সংগৃহীত সাধুক বিশেষ বিশেষ শ্ৰেণীত ভগাব লগীয়া হয়। পৰম্পৰাগতভাৱে চলি অহা সাধু সৰহভাগেই কোৱা হয় মানুহক তৃপ্তি দিবৰ অৰ্থে; বিস্ময়জনক ঘটনা নাইবা অদ্ভুত কাৰ্য্যাৱলী আৰু কল্পনাৰ প্ৰাধান্য এনে সাধুৰ বিশেষ লক্ষণ। এনে সাধুত যে নীতিমূলক নাইবা ব্যাখ্যামূলক কথা থাকিব নোৱাৰে এনে নহয়, তথাপি বিস্ময়জনক কথাৰ প্ৰাধান্যৰ কাৰণে এইবিলাকক এক সুকীয়া শ্ৰেণীত থোৱা হয়।

কিছুমান সাধু ব্যাখ্যামূলক, যেনে অমুক চৰাইয়ে এইদৰে মাতে কিয় নাইবা শিয়ালৰ অমুক অংশ ক'লা হ'ল কিয়, নাইবা ঢেকীয়া ঠেকোৰা হ'ল কিয়। যি সাধুত অদৃষ্ট নাইবা কৰ্মফলৰ চানেকি দেখিবলৈ পোৱা যায় সেইবিলাকক আলোচনাৰ সুবিধাৰ কাৰণে সুকীয়া এটা শ্ৰেণীত থব পাৰি। সেইদৰে বুদ্ধি বা টেঙৰালিৰ নিদৰ্শন থকা সাধু; আনহাতে মূৰ্খামি—বুদ্ধিৰ ওলোটা পিঠি—প্ৰকাশ পোৱা সাধুক কেতিয়াবা বুদ্ধিৰ শ্ৰেণীতে নাইবা সুকীয়াকৈ আন শ্ৰেণীত থব পাৰি।

বিস্ময়জনক সাধু এটি মুখ্য বিভাগ, সেইদৰে প্ৰাচীন যুগ ধৰি লোৱা এক যুগৰ কাহিনী, যেনে, পৃথিৱী কেনেকৈ সৃষ্টি হ'ল, চন্দ্ৰ সূৰ্য্য কোন আছিল বা কেনেকৈ এইবিলাকৰ উৎপত্তি হ'ল—এইবিলাক বৰ্ণনা কৰা সাধু পুৰাণৰ সমপৰ্য্যায়ৰ আৰু ইয়াৰো এক সুকীয়া শ্ৰেণী। ইংৰাজীত ইয়াক মিথ বোলা হয়; অসমীয়াত ইয়াক পুৰাণসাধু আখ্যা দিব পাৰি। বৰ্ত্তমান সংগ্ৰহৰ প্ৰথম সাধুটো বিস্ময়জনক শ্ৰেণীৰ যদিও তাৰ ভিতৰত সকল পুৰাণসাধুৰ

লক্ষণো কিছু আছে, কিয়নো তাত বাওঁহুলি দেওতাৰ কথা আছে আৰু কোৱা হৈছে যি সময়ত আহাপি-বৈহাপি খেলা খায় সেই সময়ত বাৰিষা হয়, আৰু যি সময়ত আহাপিইতে জিৰণি লয় সেই সময়ত খৰালি হয় (পৃঃ ১০)।

নীতিমূলক শিক্ষাপ্ৰদ সাধুবো সুকীয়া লক্ষণ। এইবিলাক সাধাৰণতে অলপ চুটি। কেতিয়াবা কিছুমান সাধুৰ এটি নিৰ্দ্ধাৰিত গঢ় থাকে। সেই গঢ়েই তাৰ বিশেষ লক্ষণ। উদাহৰণ স্বৰূপে, মিকিৰৰ ভেকুলী আৰু শকুনাৰ সাধুটো। ইয়াত এজনে কিবা এটা কৰে, তাৰ ফলত আন এজনে আন কিবা এটা কৰে, সেইটো কৰা কাৰণে আন এজনে আকৌ আন কিবা এটা কৰি পেলায়। মূঠৰ ওপৰত, সাধুৰ ঘটনা এক নিৰ্দ্ধাৰিত ক্ৰমত চলি থাকে। ইংৰাজী ভাষাত এনে সাধুক ফৰমূলা টেইল বোলা হৈছে।

দেখিবলৈ পোৱা যায় সংগৃহীত সাধু কেতিয়াবা মুখ্য মুখ্য শ্ৰেণী অনুসৰি সজাব পাৰি। কেতিয়াবা আলোচনাৰ সুবিধাৰ অৰ্থে—যেনে, বুদ্ধি হাস্য, অদৃষ্ট আদি লক্ষণ অনুসৰি—গৌণ শ্ৰেণীত সজাব পাৰি। শ্ৰীমোহিনী ব্ৰহ্মৰ দ্বাৰা ১৯৫৬ চনত সংগৃহীত এই সাধুবিলাক চাৰিটা ভাগত সজোৱা হৈছে। প্ৰথম ভাগত, অৰ্থাৎ কল্পনাপ্ৰধান বিস্ময়জনক ভাগত সাধুৰ সংখ্যা সৰহ, মুঠ সংগ্ৰহৰ আধা। এই কথাত আচৰিত হব লগীয়া একো নাই, কিয়নো দেখিবলৈ পোৱা যায় সকলো দেশতে এনে সাধুৰ পৰিমাণ সৰহ। বিস্ময়জনক সাধুবিলাকত প্ৰায়ে দেখিবলৈ পোৱা যায় যে যি নিৰ্যাতিত, যাক আনে খিয়াল কৰে, সিয়ে শেহত জয়ী হয়গৈ। অসহায় তেজীমলা, তেজা আৰু তেজী আদি সাধুতো এই বিশেষত্ব লক্ষ্য কৰিব পাৰি। এই বিশেষত্ব মনোবিজ্ঞানসম্মত, এই কাৰণেই বৰ্তমান যুগতো মানুহে চোৰাং-চোৰাৰ কাৰ্য্যকলাপেৰে পূৰ্ণ কাহিনী পঢ়ি তৃপ্তি পায়। এই বিশেষত্বৰ কাৰণেই দুখীয়া পিচ পৰি থকা দেশৰ লোকে ইহলোকৰ সুখ সমৃদ্ধিৰ আশা ত্যাগ কৰি আন এখন জগতত ভাৰসা ৰাখে। ব্যৱহাৰিক জগতত যিটোৰ অভাৱ তাক কল্পনাৰ জগতত পূৰণ কৰি সান্ত্বনা লভা হয়।

সাধুকথাৰ এটি মুখ্য কাম হ'ল শিক্ষা—হয় নীতিমূলক নহয় সমাজৰ পৰম্পৰাগত আচাৰ-অনুষ্ঠানৰ সমৰ্থনৰ হকে। বৰ্তমান সংগ্ৰহৰ কৰ্মফল আৰু বুদ্ধি শ্ৰেণীৰ সাধুবোৰে এই ধৰণৰ শিক্ষা দিয়ে।

সাধুবোৰে প্ৰকৃতিৰ বুকুত বাস কৰা সৰল সমাজ এখনৰ ছবি দাঙি ধৰে। এইবিলাকত জীৱ-জন্তুৰ প্ৰাধান্যও লক্ষ্য কৰিব লাগে। মাজে মাজে সৌন্দৰ্য্যবোধৰ মান চকুত পৰে, যেনে ফুলকুঁৱৰীৰ ৰূপ চাওক—

মুখ চালে সুলবৃন্তিক তৰাপহৰ পাত্তৰ আকাৰৰ দৰে দেখি। কঁকাল চালে চৌকা দিয়া পিপৰাৰ কঁকালৰ দৰে দেখি। নাক চালে জোৰা কাগ্‌জিৰ কাট-টৰ দৰে জোৰা দেখি। ভৰিৰ তিয়া চালে কাঁহৰ গাঁজৰ দৰে শকত দেখি। গল চালে শৰ পহুৰ গলৰ দৰে দেখি। চকু চালে তামৰবৰণীয়া পাৰৰ চকুৰ দৰে দেখি। বহল বুকু, দীঘল আঙুলি, সাতবাটি দীঘল চুলি। প্ৰাণ জুৰোৱা কথাৰ সুৰ (পৃঃ ১৬)।

এই বৰ্ণনা পৰম্পৰাগত, উপমাবিলাকো আমাৰ কাৰণে অভিনৱ যেন বোধ হয়। মানুহৰ চকু পাৰৰ চকুৰ দৰে বিজোৱা চানেকি নেপালী জনসাহিত্যতো পোৱা যায়—

পৰেৱা কো আঁখ যস্তো
সুৰাতী বাণীকো আঁখি। (ভকৎ)

সাধুবিলাকত সামাজিক জীৱনৰ ছবিও সুস্পষ্ট। 'আলাৰি দামৰা' সাধুটোতে পাওঁ কেনেকৈ মানুহে হাবি-জংঘল পুৰি চাক কৰি মাটি ভাঙিছিল, খিলা খেতি কিমান জনপ্ৰিয় আছিল, মানুহ ঘৰলৈ আহিলে ঘৰৰ গাভৰুৱে কিদৰে আতো-পুতো কৰি তামোল-হালি দিছিল, কেনেকৈ তাঁত-সূত বৈছিল, কেনেকৈ বিয়াৰ বন্দবস্ত হলে ডেকাই ছোৱালীৰ ঘৰত এবছৰমান প্ৰথমতে খাটি দিব লাগিছিল...। সাধুবোৰে যাদুমন্ত্ৰত থকা দৃঢ় বিশ্বাসলৈকেও আঙুলিয়ায়।

বৰ্ত্তমান সংগ্ৰহত থকা সাধু দুই-চাৰিৰ সাদৃশ্য আন ঠাইতো পাওঁ। চাৰিজন ভাই-ককাইৰ সাধুটোত দেখিবলৈ পোৱা যায় চাৰিজন ডেকাই একেজনী গাভৰুকে কামনা কৰিছে, আৰু শেহত একেলে মৰা ছোৱালীজনী জীয়াইছে যদিও তাইক লাভ কৰিছে আটাইকেইজনে। এই পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদীৰ আহিৰ সাধু অসমত মই দ্বিতীয় এটা পোৱা নাই। এই সাধুৰ মূল সম্ভৱ বেতালপঞ্চবিংশতি। মূলত ছোৱালীজনীয়ে একেন ডেকাকহে স্বামীৰূপে বৰণ কৰে, বাকীকেইজনৰ এনেয়ে যায়। এই সাধুটোৰ ৰূপ অসমীয়াতো আছে। "ডেকুনী দীঘৰ সাধু"ৰ প্ৰথম আধাৰ সাদৃশ্য অসমীয়া 'ভেকুলীৰ সাধু'ৰ লগত, দ্বিতীয় ভাগৰৰ সাদৃশ্য কিছু পৰিমাণে ইউৰোপীয় চিণ্ডাৰেলা সাধুৰ লগত। চিণ্ডাৰেলা সাধুত ৰাজকোঁৱৰে জোতা এপাট হাতত লৈ কাৰ ভৰিত সেইপাট খায় তাৰ

অনুসন্ধান কৰে ; কছাৰী সাধুটোত ৰাজকুঁৱৰীয়ে সুন্দৰ ডেকাজন কোন তাৰ অনুসন্ধান কৰিবৰ অৰ্থে ভেঁৰৰ ঘোৰাৰ নেজত বঙা সূতা মেৰিয়াই থয় আৰু পিচত ভেকুলীয়েই যে সেই ডেকা এই কথা ওলাই পৰে। 'কঠীয়া পেটুলা আৰু চন্দ্ৰমালি'ৰ অসমীয়া ৰূপ—'যাবৎ চন্দ্ৰাৱলী তাবৎ কঠীয়া, বিধাতাৰ লিখন নাযায় খণ্ডিয়া' শীৰ্ষক সাধুটো। 'বুঢ়াই কচু বোৱা' সাধুটোৰো অসমীয়া ৰূপ আছে। সাধুটো মূলত কছাৰীও হব পাৰে।

'এজন বৈৰাগীৰ সাধু'ত কৰ্ম্মফল অনুযায়ী যে মানুহে বিভিন্ন জীৱ-জন্তুৰ ৰূপ পৰিগ্ৰহ কৰে তাৰ এটি চানেকি পায়। এইটো নীতিমূলক সাধু। 'শিয়ালৰ বুদ্ধি' সাধুটো ওপৰত ব্যাখ্যা কৰি অহা নিৰ্দ্ধাৰিত গঢ়ৰ সাধু বা ফৰমুলা টেইল। এই ধৰণৰ সাধু অসমীয়া ভাষাত নাই বুলিলেই হয়। অৰুণাচল, মিজোৰাম আদি অঞ্চল আৰু মিকিৰ আৰু মিৰিৰ (মিচিং) মাজত দুই এটিকৈ পোৱা যায়।

বৰো সাধুৰ এটি সংগ্ৰহ ওলাইছিল ১৮৯৫ খৃষ্টাব্দত (Anderson, *Kachari Folk-tales and Rhymes*, Shillong)। তাৰ পিচত অ'ত ত'ত দুই এটি চেগাচোৰোকাকৈ ওলাইছে যদিও মই জনাত বৰ্ত্তমানৰটোৱে অসমীয়া আৰু বৰো এই দুই ভাষাত ওলোৱা নিৰ্ভৰযোগ্য সংগ্ৰহ। সাধুবিলাক শ্ৰীব্ৰহ্মাই ঘাইকৈ গোৱালপাৰা জিলাৰ খেতিয়ক গাৱঁলীয়া লোকৰ পৰা সংগ্ৰহ কৰা। কিতাপখনৰ সম্পাদনাত মই বৰো কছাৰী সংস্কৃতিত সুপণ্ডিত শ্ৰীভবেন নাৰ্জিৰ পৰা বিস্তৰ সহায় পাইছো। অসমীয়া অনুবাদো শ্ৰীনাৰ্জিয়েহে কৰিছে। আশা কৰোঁ কিতাপখনে কছাৰী আৰু অসমীয়া দুয়োশ্ৰেণী পাঠকৰ পৰা সমাদৰ লাভ কৰিব পাৰিব।

৫.২.৭২

জনকৃষ্টি গৱেষণা বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী

সূচী

অসমীয়া ভাগ

বিস্ময়জনক সাধু

১।	আলাৰি দামৰা	১
২।	গমবিৰা বীৰ	১১
৩।	ডিমাশ্ৰণ	১৭
৪।	ধুনীয়া এলেহুৱা ডেকা	২২
৫।	সুন্দৰ মাউৰা ডেকা	৩২
৬।	মাউৰা সুন্দৰৰ সাধু	৩৭
৭।	বেলমুঠি গাভৰু	৪৩
৮।	চাৰিজন ভাই-ককাইৰ সাধু	৪৫
৯।	মালপেটু লাৰ সাধু	৪৯
১০।	বুধুৱা আৰু লাঠুৱা	৫৪
১১।	বগলী ৰজা	৫৭
১২।	ৰাঘৰবালি ৰাক্ষস	৬১
১৩।	মায়দাংশ্ৰিৰ সাধু (১)	৬৪
১৪।	(২)	৬৬
১৫।	পানী পৰ পৰ পখীৰ সাধু	৬৯
১৬।	বাহুৰবনিয়া	৭১
১৭।	ভেকুলী বীৰৰ সাধু	৭৬
১৮।	দানেক ৰজা	৭৯

ব্যাখ্যামূলক সাধু

১৯।	লাকাছাৰখো দাও	৮৫
২০।	হাবগিলা পখীৰ সাধু	৮৮

২১।	শালিকা পখীৰ সাধু	৮৯
২২।	হায় মোৰ সন্তান ক'ত	৯১
	অদৃষ্ট/কৰ্ম্মফল	
২৩।	কঠীয়া পেটুলা আৰু চন্দ্ৰমালি	৯৫
২৪।	কৰ্ম্মফলৰ পুৰস্কাৰ	৯৭
২৫।	লক্ষ্মীশ্ৰী গাভৰু	৯৯
২৬।	মানুহ কুকুৰ হৈ ওপজাৰ কথা	১০১
১৭।	গৰু হৈ ওপজাৰ সাধুকথা	১০৪
২৮।	এজন বৈৰাগীৰ সাধু	১০৬
	বুদ্ধি/মূৰ্খামি	
২৯।	বোৱাৰী বিচৰাৰ সাধু	১১১
৩০।	মেকুৰী আৰু শিয়ালৰ সাধু	১১২
৩১।	এজন কৃপণ বুঢাৰ সাধু	১১৩
৩২।	অকামাম্মা সাধু (অদ্ভুত প্ৰসঙ্গৰ)	১১৫
৩৩।	শিয়ালৰ সাধু	১১৬
৩৪।	বুঢাই কচু বোৱা সাধু	১১৭
৩৫।	গড় আৰু পাহুৰীচকা পখী	১১৯

বিস্ময়জনক সাধু

আলাৰি দামৰা

(১)

এজন বুঢ়া আৰু এজনী বুঢ়ী আছিল। বুঢ়াৰ নাম এহেম আৰু বুঢ়ীৰ নাম দে আছিল। বুঢ়া হৈ গল, তথাপিও সিহঁতৰ এটিও সন্তান নাছিল। সেইকাৰণে বুঢ়া-বুঢ়ীৰ মনত বহুত দুখ। সিহঁতে দিনে দিনে কান্দি কান্দি ভগবানৰ ওচৰত বৰ খুজিছিল—"হে পিতা! ভগবান! স্রজন কৰোঁতা! তুমিয়ে সংসাৰৰ মালিক। তুমিয়ে সংসাৰৰ মানুহ, গৰু, পোক-পৰুৱা, গছ-গছনি, সকলো বস্তু-বেহানি স্রজন কৰিছা, পালন কৰিছা, যোগাৰ কৰি দিছা, সতি-সন্ততি দি গৃহস্থী কৰাইছা। পোক-পৰুৱা, চৰাই-চিৰিকতি আদিৰো সতি-সন্ততি আছে, আমাক মানুহৰূপে স্রজিলো কিয় সতি-সন্ততি নিদিলা? বৰ দিয়া পিতা! আমাকো সতি-সন্ততি দিয়া।" তেনেকৈ হেনো কৈছিল।

সেই বুঢ়াজনৰ গাঁৱত বাৰকুৰি বাৰজন ডেকা-গাভৰু আছিল। সিহঁতৰ গাঁৱৰ ওচৰত আহু আৰু মৰাপাটৰ খেতি কৰিবলৈ ঠাইৰ নাটনি হোৱাত এদিনাখন গাঁৱৰ ডেকাইতে বুঢ়াক পামলৈ মাটি বিচাৰিবলৈ মাতিলে। বুঢ়াই এদিনাখন গাঁৱৰ ডেকাইতক লগত লৈ কঁকালত এমুঠি চাউল বান্ধি লৈ মাটি বিচাৰি গ'ল। গৈ গৈ থাক থাক সাত থাক পাহাৰ পাৰ হৈ—

পানী জিৰ জিৰ নিজৰা কেকোৰা-শামুক
এজোপা টকো, এটা চেংমাছ পখৰা
এহোপ বাঁহ থকা ঠাই এডোখৰ পালে।

বুঢ়াই হেনো কলে, "দে নাতিয়াইত! টোপোলাবোৰ খোলা। ইয়াতেই তোমালোকে পাম ধৰিব লাগিব। দে, সোনকালে খাই লৈ বন থুৰি দিয়া।" তেতিয়া ডেকাইতে হেনো সোনকালে খাই বৈ বতা, তৰা আদিৰে গহীন বননিত জুই লগাই মুহুৰিয়াই দিলে—

বিউ-বিউ-বিউ
আহা, বতাহ ৰজাৰ জয় হ'ল,
জুই ৰজাৰ পৰাজয় হ'ল,
আহাহে বাপ বুলি (বায়ু) মহাৰজা,
সহায় দিয়াহে ।

বতাবাৰী, তৰাবাৰী দপ-দপকৈ জুয়ে পুৰিবলৈ ধৰিলে । বন পুৰি দিয়াত ধোঁৱা আৰু ছাইবোৰে আকাশত মেঘৰ দৰে অন্ধকাৰ কৰি পেলালে । সেই ছাইবোৰ বুঢ়াৰ গাঁৱত পৰিলগৈ । দে বুঢ়ীয়ে চোতালত ছাই পৰা দেখা পাই বাঢ়নিৰে সাৰিলে । সেই ঠাইতে স্বৰ্গৰপৰা তামোল এটা আৰু পাণ এপাত পৰিলহি । বুঢ়ীয়ে দেখা পাই "ওহ্ ! কৰপৰা পাণ-তামোল পৰিলেহি । বুঢ়া আহি পালে দুয়ো কাটি খাম," বুলি কৈ জোলোঙাত বান্ধি থলে । পিচত বন পুৰি ঘৰলৈ আহিলে বুঢ়ীয়ে নিজে জোলোঙাত পাণ-তামোল থোৱাটো বুঢ়াক কবলৈ পাহৰিলে ।

তেনেকৈ আঠ দিন হ'ল । এদিনাখন ৰাতি জোলোঙাত খৰ খৰ শব্দ শুনিবলৈ পালে । বুঢ়াই বুঢ়ীক কলে, জোলোঙাত এন্দুৰ সোমাইছে যেন লাগিছে । কালিলৈ দিনত তাক জোকাৰি পেলাব লাগিব ।" পিচদিনা ৰাতিপুৱা এন্দুৰ মাৰিবলৈ বুঢ়াই এডাল লাঠি ললে আৰু বুঢ়ীয়ে জোলোঙাখন মেলিবলৈ ধৰিলে । জোলোঙাখন মেলাত বৰ ধুনীয়া লোদোৰ-পোদোৰ এটি কেঁচুৱা ল'ৰা দেখিবলৈ পালে । কেঁচুৱাটি দেখি বুঢ়া-বুঢ়ী দুয়ো আচৰিত হৈ কিছু সময় স্তম্ভিত হৈ থাকিল । পিচত আনন্দত নাচি উঠিল ।

বুঢ়াই বুঢ়ীক কলে, "আহা, আমি ভগবানৰ ওচৰত কান্দি কান্দি বৰ খোজাত ভগবানে আমালৈ সচাঁকৈয়ে এজন ল'ৰা সন্তান দি পঠিয়ালে । কিন্তু এই কেঁচুৱাটিক এতিয়া মানুহবিলাকৰ আগত কি বুলি কৈ দেখুৱাম ? মানুহ-বিলাকে কেঁচুৱাটি দেখিলে আমাক চুৰ কৰি অনা বুলিহে কব ।

"সেইকাৰণে আমি কেঁচুৱাটিক ঘৰৰ ভিতৰত লুকুৱাই ৰাখিব লাগিব । তুমি আজিৰপৰা দখ্‌নাৰ তলত গাত কাপোৰ বান্ধি পেটটো ডাঙৰ হোৱা যেন দেখুৱাই দিয়া । দিনক দিনে ডাঙৰ কৰি গৈ থাকিবা । এদিনাখন গাঁৱৰ বাৰকুৰি বাৰজন ডেকা-গাভৰুক মাতি আনি সিইতক পাণ-তামোল খাবলৈ দি প্ৰত্যেককে চৰিয়াত পিক পেলাবলৈ দি তাতে ৰাতি তুমি বহি কাপোৰখন তিতাই দিয়া । তাৰ পাচত মই বুঢ়ীৰ কেঁচুৱা জনম হৈছে বুলি কৈ ফুৰিম ।"

বজাৰৰ দিনাখন বুঢ়াই পাণ-তামোল আৰু চূণ কিনিলে। বজাৰৰ পিচদিনা গাঁৱৰ ডেকা-গাভৰুহঁতক তামোল খাবলৈ মাতি আনিলে। কলে, তোমালোকে এতিয়া ভাটিবেলা আমাৰ তাত তামোল খাবলৈ যাবা আৰু তামোল খাই পিকবোৰ চৰিয়াত পেলাই থৈ আহিবা। কোনেও মাটিত পেলাব নোৱাৰিবা। বুঢ়ীয়ে সেই চৰিয়া মূৰত লৈ পিকবোৰ পেলাই দিব। তেতিয়া পুণ্য হব! ল'ৰা সন্তান যাতে জন্ম হয় তাৰ কাৰণে।''

ভাটিবেলা গাঁৱৰ বাৰকুৰি বাৰজন ডেকা-গাভৰুৱে বুঢ়া-বুঢ়ীৰ ঘৰলৈ গৈ পাণ-তামোল খাই খাই সকলোৱে চৰিয়াত পিক পেলাই থৈ আহিল। সিদিনাৰ ৰাতি বুঢ়ীয়ে সেই চৰিয়াত বহি পিন্ধা কাপোৰ ভিজাই দিলে আৰু পিচদিনা কেঁচুৱাটি কোলাত লৈ থাকিল। বুঢ়াই গাঁৱৰ দুজনীমান বুঢ়ীক মিছাকৈ কলে। গাঁৱৰ বুঢ়ীসকলেও সঁচাকৈয়ে দেখা পালে। পিচত সকলোৱে শুনিলে যে ''সে বুঢ়ীৰ এতিয়া বুঢ়া কালতহে ল'ৰা সন্তান জনম পালে।'' কিছুমান মানুহে কলে, ''হয়তো, কান্দি কান্দি সদায় ভগবানৰ ওচৰত বৰ প্ৰাৰ্থনা কৰিছে নহয়।''

কেঁচুৱাটি লোদোৰ-পোদোৰ হৈ ডাঙৰ হৈ আহিবলৈ ধৰিলে। গাভৰুহঁতে গৈ তাক কোলাত লয়, নচুৱায়, সোধে, ''অ' কেঁচুৱা! তুমি কি নাম লবা? বহাগু লবা?'' কেঁচুৱাটিয়ে মূৰ জোকাৰে। ''বাথৌ বুঢ়া লবা?'' মূৰ জোকাৰে। পিচত এজনী গাভৰুৱে সুধিলে, ''তুমি আলাৰি দামৱা নাম লবা?'' তেতিয়াহে কেঁচুৱাটিয়ে মূৰ দুপিয়ায়। তেতিয়াৰপৰা কেঁচু-ৱাটিৰ নাম আলাৰি দামৱা হ'ল।

(২)

আলাৰি দামৱা চন্দ্ৰকলাৰ দৰে বাঢ়ি আহি ডেকা হ'লহি। গাঁৱৰ গৰখীয়া লৰাহঁতৰ লগত খেলা হল। লগৰীয়াহঁতৰ লগত খিলা খেলা হল। এদিনাখন আলাৰি দামৱাই পিতাকক কলে, ''পিতা, মায়নাগিৰি পাহাৰত এটা খিলাৰ ডাব হালি আছে। সেই ডাবটো মোক আনি দিয়াচোন। কিন্তু মনত ৰাখিবা পিতা, তুমি ছিঙিব খুজিলেই ডাবটো লাহেকৈ ওপৰলৈ যাব। তেনেকৈ ওপৰলৈ গলে তুমি হাতেৰে ঢুকি নাপালে কবা—"শপত আলাৰি দামৱাৰ! তুমি যদি আলাৰি দামৱাৰ খিলাকল হোৱা, তেনেহলে তুমি ছিগি যাবা। আৰু তাৰ খিলা নহলে তুমি আৰু ওখ হৈ যাবা।''

পুতেক আলাৰি দামৱাৰ কথামতে এহেমে বুঢ়া মায়নাগিৰি পাহাৰৰ পৰা খিলা আনিবলৈ গ'ল। পাহাৰ পালে, চাপৰত হালি থকা খিলাৰ

ডাব এটা দেখা পালে। বুঢ়াই ছিঙিব খোজাত ঘিলা ওপৰলৈ ওখ হৈ গ'ল। চেষ্টা কৰিও হাতেৰে ঢুকি নাপালে।

তেতিয়া বুঢ়াই কলে, "শপত আলাৰি দামব্ৰাৰ। যদি তুমি আলাৰি দামব্ৰাৰ ঘিলা হোৱা তেনেহলে মই ছিঙিব পাৰিম, নহয় যদি আৰু ওখ হবা।" বুঢ়াই তেনেকৈ কোৱাত ঘিলাৰ ডাব আকৌ চাপৰলৈ হালি আহিল।

তেতিয়া বুঢ়াই ডাবটো টপৰাই ছিঙি ঘৰৰ ফালে খোজ লৈ আহিল। বাটে বাটে আহি থাকোঁতে ঘিলাবোৰ এটা এটাকৈ সৰি পৰি আলাৰি দামব্ৰাৰ চোলাৰ জেপত আটাইবোৰ ঘিলা কেতিয়াবাই সোমালহি। এই কথা বুঢ়াই কব নোৱাৰে। প্ৰতেকক ঘিলা দিব খুজিলত ঘিলা ফলবোৰ এটাও নোহোৱা হ'ল। কি হ'ল বুলি বুঢ়া আচৰিত হ'ল, তেতিয়া আলাৰি দামব্ৰাই কলে, "এয়া পিতা, তুমি অনা ঘিলা। মোৰ জেপতহে আটাই-বোৰ সোমাইছেহি।" বুঢ়াই দেখি তবধ মানিলে।

আলাৰি দামব্ৰাই ঘিলাৰ ডাবটো লৈ গৰখীয়াইতৰ লগত খেলিবলৈ গ'ল। খেলিবলৈ আৰম্ভ কৰাৰ সময়ত ঘিলা মোহাৰি কলে, "তোমালোক পিছমুখ হোৱাঁ।" গৰখীয়াবোৰে পিচফালে মুখ দিয়াৰ পিচত আলাৰি দামব্ৰাই পাতি থোৱা ঘিলাবোৰ মাৰি দি আটাইবোৰ ফালি পেলালে। মুখ আকৌ ঘূৰাই চোৱাত ঘিলাবোৰ ফটা দেখা পাই সিহঁতে আলাৰি দামব্ৰাৰ পিঠিত ডালকৈ কিল বহুৱালে।

তেতিয়া আলাৰি দামব্ৰাই লগৰীয়াইতক কলে, "ৰবা ৰবা, তোমা-লোকে আকৌ আন ফালে মুখ কৰাঁ।" গৰখীয়াইতেও আন ফালে মুখ ঘূৰোৱাত ঘিলাবোৰ আকৌ ভাল কৰি দিলে। পিচত সিহঁতে মুখ ঘূৰাই চোৱাত ঘিলাবোৰ ভাল দেখা পোৱাত বৰ আচৰিত হ'ল।

এদিনাখন তেনেকৈ ঘিলা খেলি থকাত এবাৰ এনেকৈ ঘিলা মাৰি দিলে যে ঘিলাই বিকট শব্দ কৰি পাতি থোৱা ঘিলা আটাইবোৰ গুৰি কৰি বিং-বিং শব্দেৰে গৈ থাকিল। গৈ গৈ আছাগি-বৈছাগিয়ে কাপোৰ বোৱাৰ সূতা ছিঙি ঘৰৰ ভিতৰত সোমাই থাকিল। আছাগি-বৈছাগিয়ে, "আইঔ, কোন চেমনীয়া ভেকাই ঘিলা মাৰি পঠিয়ালে, সূতাবোৰ ছিঙি পেলালে! ক'লৈ গল ঘিলাৰ গুটিটো" বুলি কৈ ঘিলাৰ গুটিটো পাই পিন্ধা কাপোৰৰ কোচত ভৰাই ললে।

আছাগি-বৈছাগি কুবিয়া বুঢ়া কুবিয়া বুঢ়ীৰ জীয়েক আছিল। বাই ভনী দুয়োজনী কাপোৰ বোৱা-কটাত বৰ পাকৈত। বায়েকে চোতালত

বহি ভনীয়েকক কৈ দিছিল, "এয়া মইনা পক্ষী উৰি গ'ল।" তেতিয়া ভনীয়েকে ততালিকে মইনা পক্ষীৰ ছবি কাপোৰত বাছি দিছিল। "এয়া ময়ূৰ পক্ষী উৰি গ'ল।" কোৱাৰ লগে লগে ভনীয়েকে ময়ূৰ পক্ষীৰ ছবি ততালিকে কাপোৰত তুলি দিছিল। বায়েকে "এয়া পহুৱে কান্দিছে।" কোৱাৰ লগে লগে ভনীয়েকে কাপোৰত পহুৰ ছবিৰ ফুল বাছি দিছিল।

বোৱা-কটাত যিদৰে আছাগি-বৈছাগি পাকৈত আছিল, তেনেকৈয়ে নাচ-গানত, কাম-বনতো কাৰো তল নাছিল। সিহঁতৰ বাওবুলি নামৰ ককায়েক এজন আছিল। সেই বাওবুলি ককায়েকে আছাগি-বৈছাগিক বিয়া কৰিবলৈ মন কৰিছিল হেনো। বিধিয়ে পথালি নিদিয়া হলে বাওবুলিয়ে ভনীয়েকহঁতক বিয়া কৰিলেহেঁতেন।

ঘিলাৰ গুটি যিফালেদি বিং বিং শব্দেৰে মাটিৰ টিলা আদি ফালি গৈছে, সেই ফালেদিয়ে আলাবি দামৱাই গৈ গৈ আছাগি-বৈছাগিয়ে কাপোৰ বৈ থকা দেখিলে। তাৰ পিচত ঘিলা যোৱাৰ চিন দেখা পাই কিছু সময় থিয় হৈ চাই আছাগি-বৈছাগিক সুধিলে, "তোমালোকে এইফালেদি ঘিলা দৌৰি অহা দেখা পাইছানে কি?" আছাগি-বৈছাগিয়ে আলাবি দামৱাৰ মুখ দেখা পাই বিয়া কৰাবৰ মন কৰিলে। "এওঁৰ মাক-পিতাকে আমাক চাবলৈ আহিলে ভাল হ'লহেঁতেন" বুলি ভাবিলে। ভাবিলে কি হ'ব? লাজুকী গাভৰু। কথাটো আগত কৈ দিব কেনেকৈ? পিচত 'পিতাক আহিব লগীয়া হওক' বুলি ভাবি দুয়োজনীয়ে কলে, "কিয় লাগে তোমাক? আমি দেখা পাইছোনে নাই? তোমাৰ পিতাৰাক পঠিয়াই দিবা। তেতিয়াহে ঘিলা পাই যাবা।" আলাবি দামৱাই মুৰ খজুৱাই বেজাৰ মনে উভতি আহিল।

ঘৰত আহি পিতাকক কলেহি, "পিতা! মোৰ ঘিলাটো আছাগি-বৈছাগিয়ে ৰাখিলে। নিদিলে। মোকেহে কৈ পঠিয়ালে বোলে তুমিহে আনিব লাগে।" পিতাকে কথাটো শুনি বহুত দুখ পালে। "বুঢ়া কালত ভগৱানৰ ওচৰত খুজি খুজি এজন লৰা পাইছিলোঁ। তাকো যেয়ে পায় সেয়ে মাৰে।" তেনেকৈ মনত দুখ লৈ বুঢ়া ঘিলা আনিবলৈ গ'ল। আছাগি-বৈছাগিহঁতৰ ঘৰ গৈ পালত সিহঁতে বুঢ়াক বহিবলৈ পীৰা দিলে।

বুঢ়াই নবহাকৈয়ে আছাগি-বৈছাগিক কলে, "ঘিলাৰ গুটিটো নিদিয়া নাই। মোৰ একমাত্র সন্তানটোক তোমালোকে কিয় মাৰি পঠিয়াইছা?

তেতিয়া আছাগি-বৈছাগিয়ে কলে, "কোনে মাৰি পঠিয়াইছে তোমাৰ পুতেৰাক ? তোমাৰ পিতাৰাক আমাক চাবলৈ পঠিয়াই দিয়া বুলিহে কৈছিলোঁ আমি। এয়াচোন খিলা।" এই বুলি কৈ খিলাটো উলিয়াই দিলে। খিলা ঘূৰাই পোৱাত আৰু সিহঁতক চাবলৈ মাতি পঠিওৱা বুলি বুঢ়াৰ মনত আনন্দই নধৰা গ'ল। আনন্দ মনেৰে বুঢ়াই ঘৰৰ ফালে খোজ ললে। আলাৰি দামব্ৰাই খিলাটো ঘূৰাই পালে। (খিলা বা গিলা খেলাৰ কাৰণে আলাৰি দামব্ৰাক গিলাৰি দামব্ৰাও বুলিছিল।)

বুঢ়াই এদিন গাঁৱৰ দুই এজনক লগত লৈ আছাগি-বৈছাগিহঁতক চাবলৈ গ'ল। ঘৰ পৈ পালত বাৰ হাত দ গাঁত লোৱা হেঙাল কুকুৰে দীঘল দীঘলকৈ মাত দিবলৈ ধৰিলে। আছাগি-বৈছাগিয়ে মানুহবোৰক খৰধৰকৈ পীৰা পাৰি দিলে। দৌৰি ধঁপাত লগাই দিলে।

আটায়ে বহি আছাগি-বৈছাগিৰ কথা উলিয়ালে। বাওবুলি ৰজাই কলে, "মই থাকোঁতে এইটো হব নোৱাৰে। মোৰ ভনী আছাগি-বৈছাগি-হঁতক খিলাৰি দামব্ৰাই বিয়া কৰাব নোৱাৰে।" কথাটো শুনি আছাগি-বৈছাগিয়ে ফেকুৰি ফেকুৰি কান্দিলে।

এহেম বুঢ়া ক'লা মুখ হৈ ঘৰলৈ ঘূৰি আহিল। দুই তিনিদিন থাকি বুঢ়াই আৰু হ্যাচুংগৌৰা অৰ্থাৎ গাঁৱৰ মেলুৰৈবিলাকক লগত লৈ বাওবুলি ৰজাৰ ঘৰত আছাগি-বৈছাগিহঁতক চাবলৈ আকৌ গ'ল। এইবাৰ বগলী ৰজা, কাউৰী ৰজা, ছিখনা ৰজা, পৈদা ৰজা, ৰমাদের ৰজা, সোণা ৰজা, ৰূপা ৰজা আৰু আন বহুতো লগত গ'ল।

সিহঁত আটায়ে পৈ পালে বাৰ হাত দ গাঁত লৈ থকা হেঙাল কুকুৰে দীঘল সুৰত ভুকিবলৈ ধৰিলে। কুকুৰে ভুকা শুনি আছাগি-বৈছাগিয়ে ঘৰৰপৰা ওলাই আহি বাটৰ ফালে গল তুলি চাই এহেম বুঢ়াক দেখা পালে। দেখা পোৱা মাত্ৰকে উঠা নমা কৰি দৌৰি লৰা-লৰিকৈ পীৰা আদি পাৰি ঠিক-ঠাক কৰি থলে। পিচত সিহঁত পৈ পায়ে পীৰাত বহিল। বাওবুলি ৰজাও বহিল।

কথাত বাওবুলি ৰজাই মুৰ হলাব লগীয়া হ'ল আৰু ভনীয়েক আছাগি-বৈছাগিলৈ খিলাৰি দামব্ৰাক ঘৰজোঁৱাই ৰখাৰ বন্দবস্ত মানি ললে। বন্দবস্ত কৰি আহি এহেম বুঢ়াই পুতেক খিলাৰি দামব্ৰাক ঘৰজোঁৱাই থাকিবলৈ পঠিয়াই দিলে। ইফালে আছাগি-বৈছাগিহঁতে আনন্দত অধীৰ হৈ খিলাৰি দামব্ৰা ডেকাৰ কাৰণে বাট চাই থাকিল।

আলাৰি দামৱাই সক টোপোলা এটা কাষলতিত গুজি লৈ ঘৰজোঁৱাই থাকিবলৈ কুৰিয়া বুঢ়া কুৰিয়া বুঢ়ীৰ ঘৰলৈ আহিল। আহি পোৱা মাত্ৰকে আছাগি-বৈছাগিয়ে ভৰি ধুবলৈ পানী দিলে আৰু থাকিবলৈ ঘৰ দেখুৱাই দিলে। আলাৰি দামৱাই হাত ভৰি ধুই উঠাৰ পিচত অলপ সময় গহীন হৈ বহি থাকিল। নিজক থাকিবলৈ দিয়া ঘৰৰ ভিতৰত কিছু সময় বহি থাকি তাৰ পিচত কাম কৰিবলৈ বাহিৰলৈ ওলাই গ'ল।

তেনেকৈ এবছৰ কামবন কৰি থকাৰ পিচত আলাৰি দামৱালৈ আছাগি-বৈছাগিক বিয়া দিলে। বিয়া বৰ ডাঙৰ হৈছিল। সেই অঞ্চলৰ ডেকা-গাভৰু, ল'ৰা-ছোৱালী, বুঢ়া-মেথা সকলো বিয়ালৈ আহিছিল। মদ খাই-ছিল। বৰা চাউলৰ মদৰ মেৰা (মদৰ ভাত) খাইছিল, মঙহৰ মঙহ, ভাতৰ ভাত খাইছিল। পাণ-তামোল কিমান যে খাইছিল তাৰ লেখ-জোখ নাই। সিহঁতেহে জানে।

বৰো-কছাৰীৰ বুঢ়া-মেথাসকলে কয়—মদৰ পুখুৰী, মঙহ, আথৈ, ভাতৰ আলি, কিনো খাম বেঙৰ মুখ আৰু কি? মাদল, বাঁহী, খঞ্জৰী আৰু চেৰে-ঞ্জাৰ শব্দৰ খলকনিত গাঁওখনি কঁপি উঠিছিল।

(৩)

বিয়া হৈ গ'ল। কিন্তু বাওবুলি ৰজাৰ চকুৰ পোৰণি উঠি থাকিল। আলাৰি দামৱাক কেনেকৈ মাৰিব পাৰিব তাৰ কাৰণে চিন্তা কৰি থাকিল। এদিনাখন বাওবুলি ৰজাই আলাৰি দামৱাক মাৰিবলৈ বুদ্ধি পাঞ্চি মাছলৈ বুলি মাতিলে। মাছ খেদোঁতে নিজে ধঁৰিয়াল হৈ জালত লাগিবহি, পিচত মাছ বুলি ধৰিলে আলাৰি দামৱাক কামুৰি মাৰি পেলাব।

ইফালে ভনীয়েক আছাগি-বৈছাগিয়ে কথাটো জানি গিৰিয়েকক কৈ পঠিয়ালে, "তুমি জাল পাতি বৰিত (বামত) উঠি থাকিবা। পানীত সোমাই নাযাবা। মাছ আহিলেও মাছ নাহানিবা। পানীত নামিলে তোমাক কামুৰিব।" বাওবুলি ৰজা আৰু আলাৰি দামৱা দুয়ো মাছলৈ গ'ল। আলাৰি দামৱাক জাল পাতিবলৈ দি নিজে মাছ খেদি আনিবলৈ গ'ল, আলাৰিক "মাছ আহিলে ধৰিবা" বুলি কৈ গ'ল। তেতিয়া বিকট শব্দেৰে জাকক জাকে ডাঙৰ ডাঙৰ মাছ আহি জালত লাগিবলৈ ধৰিলেহি।

ইফালে আলাৰিয়ে মাছ নধৰাকৈ পাৰত উঠি আৰামকৈ বহি আছে। যেতিয়া ধঁৰিয়াল আহি জালত লাগিল তেতিয়া আলাৰিয়ে হাতত জোং লৈ ধৰিয়ালক হানি দিলে। তেতিয়া ধঁৰিয়ালে কলে, "মই বাওবুলি

বজাহে। ধঁৰিয়াল হৈ মাছ খেদি আনিছিলো মই। তুমি কিয় মোক জোঙেৰে হানি দিলা?" আলাৰিয়ে কলে, "হে ধৰম ভিনিহিহেচোন," এইবুলি পাৰলৈ উঠাই লৈ আহিল। পিচত বাওবুলি বজাই মানুহ ৰূপ ললে।

আৰু এদিনাখনৰ কথা। বাওবুলিয়ে আলাৰিক পছু খেদিবলৈ বুলি মাতিলে। তেতিয়া আছাগি-বৈছাগিয়ে গিৰিয়েকক কৈ পঠিয়ালে, "খবৰদাৰ! তোমাক আজি বাঘ হৈ মাৰি পেলাবৰ কাৰণে চেষ্টা কৰিছে। তুমি জাল পাতি গছৰ ওপৰত উঠি থাকিবা। পছু জালত লাগিলেও জোঙেৰে নাহানিবা। যেতিয়া বাঘ লাগিব আহি, তেতিয়া গছৰ ওপৰৰপৰা জোঙেৰে হানি পঠিয়াবা।"

আলাৰি দামত্ৰাই কথাটো জানি ভিনিহিয়েকৰ লগত পছু খেদিবলৈ গ'ল। হাবি গৈ পালত আলাৰিক জাল পাতি পছু চুপিবলৈ দিলে। আৰু বাওবুলিয়ে নিজে পছু খেদি আনিবলৈ হাবিত সোমাই গ'ল। "খবৰদাৰ ভাই! তুমি পছু আহিলেই ভালকৈ হানিবা।" তেতিয়া বাওবুলিয়ে বিকট শব্দেৰে পছু খেদি পঠিয়ালে। আৰু পছুও পালক পালে দৌৰি আহি জালত পৰিলহি। তথাপিও আলাৰিয়ে পছু নাহানিলে। জালত লগাবোৰ চাইহে থাকিল।

পিচত যেতিয়া জালত বাঘ লাগিলহি, তেতিয়া গছৰ ওপৰৰপৰা জোং ফৰ্মুটিয়াই পঠিয়ালে। জোং ঠিক মূৰত লগাত বাঘ বাগৰি পৰিল। বাগৰিয়ে কলে, "হায়! তুমি কিয় মোক হানি মাৰিব খুজিছা? মই বাও-বুলি বজাহে। বাঘ হৈ পছু খেদি আনিছিলো মই।" তেতিয়া গিলাৰিয়ে "আহা! ভিনিহিহে তেনেহলে," বুলি কলে। বাঘ আকৌ মানুহ হ'ল আৰু দুয়োজন ঘৰলৈ আহিল।

দুবাৰ চেষ্টা কৰিও বাওবুলিয়ে গিলাৰিক মাৰিব নোৱাৰিলে। এতিয়া দোষ উলিয়াই খেদি দিব লাগিব বুলি চিন্তা কৰিলে। বাওবুলিয়ে আলা-ৰিক কলে, "তুমি আজিৰ ভিতৰতে হাল চহ কৰি সাতভুলি সৰিয়হ পেলাব লাগিব।" তেতিয়া আলাৰিয়ে হাল চহ কৰি সাতভুলি সৰিয়হ পেলাই দিলে।

এডৰা মাটিতে সাতভুলি সৰিয়হ পেলোৱা শুনি আলাৰিক আকৌ সেই সৰিয়হ বুটলি আগৰ দৰে তুলি ভৰাই দিবলৈ কলে। এইবাৰ আলাৰিক ভালকৈয়ে পৰীক্ষা লোৱা হব বুলি বাওবুলিয়ে মনে মনে ভাবিলে। তেতিয়া আলাৰিয়ে যিমান কপৌ আছেমানে আটাই কেইটাকে মাতিলে। তেওঁ মাতি

পঠিওৱা মাত্ৰেই আহি কপোৰোৰে গাত ভুলি সৰিয়হ বুটলি পেলালে।

বুটলি শেষ কৰাৰ পিচত আটাইবোৰ ভুলি পূৰ হবলৈ অলপ বাকী থাকিল। কিয়নো এটা কপোৰ টোটোলাত সৰিয়হ থাকিল। ভুলি পূৰ নোহোৱা কাৰণে প্ৰত্যেকটো কপোৰ টোটোলা খেপিয়াই চালে। তেতিয়া এটা কপোৰ টোটোলাত সৰিয়হ থকা ধৰা পৰিল। সেই সৰিয়হৰে খালী থকা ভুলি পূৰ কৰিলে। বাওবুলি ৰজাই বোলে তেনেকৈ কৰিছিল।

আৰু এদিনাখন বাওবুলি ৰজাই গিলাৰিক কলে, "কালিলৈ পুৱা তুমি মোক নাদৰপৰা পানী তুলি গা ধুৱাব লাগিব"। তেতিয়া আছাগি-বৈছাগিয়ে গিৰিয়েকক কৈ থলে, "তুমি আজি ৰাতি এই নাদৰ ওচৰতে আন এটা নাদ খান্দি তাৰ ওপৰত কিহবাৰে পাতলকৈ ঢাকি তাৰ ওপৰত মাটি দি থোৱাঁ। তাৰ ওপৰত এখন পীৰা লাহেকৈ পাৰি থৈ দিবা। যেতিয়া তোমাক পানী তুলিবলৈ কব, তেতিয়া তুমি তেওঁক সেই পীৰাত বহিবলৈ কবা।"

আছাগি-বৈছাগিৰ কথামতে আলাৰিয়ে ৰাতি নাদৰ ওচৰত আন নাদ খান্দি তাৰ ওপৰত কিহবাৰে ওপৰে ওপৰে পাতলকৈ ঢাকি থৈ দিলে আৰু তাৰ ওপৰত এখন পীৰা পাৰি থলে। পিচদিনা বাওবুলি ৰজাই নিজৰ গা ধুৱাবলৈ আলাৰিক মাতি পঠিয়ালে। দুয়ো নাদৰ ওচৰলৈ গৈ পোৱাত বাওবুলিয়ে আলাৰিক পানী তুলিবলৈ কলে। বাওবুলি পীৰাত বহা মাত্ৰকে তললৈ সোমাই গ'ল।

তাৰপৰা আলাৰি দামৰাই আছাগি-বৈছাগিক লৈ পলাল। সিহঁত পলাল। বাওবুলি ৰজাই ধুমুহা ধেৰেকনি হৈ খেদিলে। সিহঁতে আকাশৰ ওপৰে ওপৰে উৰা মাৰি পলাল। বাওবুলিয়েও হুম্-হুম্ দাম্-দাম্ বিকট শব্দেৰে খেদি থাকিল। তেনেকৈয়ে বহাগৰ জোনাকৰপৰা ভাদ মাহৰ জোনাকলৈ পলাই থাকিল। সেই সময়ত আছাগি-বৈছাগি গৰ্ভৱতী আছিল। সেইকাৰণে ভাগৰি পৰাত বালিচাপৰিত জিৰণি ললে।

ভাদ মাহৰ জোনাকৰপৰা চ'তৰ জোনাকলৈ তাতেই জিৰণি লৈ থাকিল। সেই সময়তে আছাগি-বৈছাগিয়ে এটা ডিমা আৰু বৈছাগিয়ে ছয়টা ডিমা পাৰিলে। সেইবোৰত বালিত পুতি থলে। তাৰ পিচত তিতিয়লি পক্ষীক চাবলৈ কৈ আকৌ আকাশলৈ উৰা মাৰিলে। পোৱালি জগিলে আহাৰ আনিবলৈ কৈ গ'ল। পিচত আছাগিৰ ডিমা ফাটি এটা ল'ৰা জন্মিল আৰু বৈছাগিৰ পাঁচটা ডিমা ফাটি পাঁচজন ল'ৰা সন্তান জন্মিল, বাকী এটা

ডিমা ফাটি এজনী ছোৱালী সন্তান জন্মিল।

ডিমাবোৰ ফাটি পোৱালি হোৱাৰ পিচত এতিয়া আহাৰ লগা হ'ল। তেতিয়া তিতিয়লি পক্ষীয়ে আছাগি-বৈছাগিৰপৰা আহাৰ অনিবলৈ গ'ল। আছাগি-বৈছাগিয়ে আহাৰ ক'ত দিম, ক'ত নিদিম বুলি কচুৰ পাতত বান্ধি দিলে। তিতিয়লি পক্ষীয়ে আহাৰ লৈ আহিল। বাটত পানীপিয়া পক্ষীয়ে দেখা পাই কচুৰ পাত ঠোঁটেৰে ফালি দিলে। তেতিয়া আটাইবোৰ আহাৰ পৰি গ'ল। ফটা কচুৰ পাতত যি অলপ লাগি আহিছিল তাকে দিলেহি। সিহঁতেও তাকেই চেলেকি জীয়াই থাকিল।

(পানীপিয়া চৰায়ে আহাৰ লৈ অহা পাত ফালি দি কেঁচুৱাহঁতক ভোকাতুৰ কৰাৰ কাৰণে আছাগি-বৈছাগিয়ে তাক শাও দিলে—"তুমি যেনেকৈ আমাৰ সন্তানসকলক ভোকাতুৰ কৰিছা, তেনেকৈ তুমিও সদায় পানীৰ পিয়াহত থাকিবা।" এতিয়া সেইকাৰণে পানীপিয়া চৰায়ে বৰষুণ পৰিলেও পিউ পিউকৈ পানীৰ পিয়াহত মাতি থাকিব লাগে। তথাপিও পানীৰ পিয়াহ নুগুছে।)

বাওবুজিয়ে আছাগি-বৈছাগিহঁতক অগ্নিকোণলৈ খেদি পঠিয়ালে।

(বৰো-কছাৰীৰ বুঢ়া-বুঢ়ীয়ে কয় যে যি সময়ত আছাগি-বৈছাগি খেদা খায় সেই সময়ত বাৰিষা হয়, আৰু যিসময়ত আছাগি-বৈছাগিহঁতে জিৰণি লয় সেইসময়ত খৰালি হয়।)

ইফালে সন্তানসকল বালি-চাপৰিত অনাই বনাই ঘূৰি ফুৰি থাকিল। তিতিয়লি পক্ষীয়ে সিহঁতক আহাৰ খুৱাই পালন কৰি থাকিল। আছাগিৰ ল'ৰাটোৰ নাম হো-হো। বৈছাগিৰ সন্তানসকলৰ ডাঙৰজনৰ নাম বাংৰাছি তাৰ পিচত বাৰিগংথাম, মৈথা হাজি, কৰথেকাই, গলফাৰছাই আৰু সকলোতকৈ তলৰজনৰ বাৰথিৰছাই। তাৰ তলৰটি ছোৱালী আছিল।

গমবিৰা বীৰ

এজন বুঢ়া আৰু এজনী বুঢ়ী আছিল। বুঢ়ীৰ বহু পলমকৈহে ল'ৰা সন্তান এটি জনম হ'ল। জনমৰ সময়ত বুঢ়ীৰ নৰিয়া হোৱাত বুঢ়াই কবিৰাজ বিচাৰি গৈ ঘুৰি আহি ঘৰৰ দুৱাৰ মুখত উজুটি খাই হামখুৰি খাই পৰি মৰিল। সেই সময়তে বুঢ়ীৰ ল'ৰা সন্তানটো জনম হৈছিল। পিতাক নোহোৱাৰ কাৰণে ল'ৰাটোক মানুহে মাউৰা কয়। তেওঁৰ ভাল নাম গমবিৰা বীৰ। গমবিৰা বীৰ লহপহকৈ বাঢ়ি আহিবলৈ ধৰিলে।

ধানৰ খেতি কৰিম বুলি গমবিৰা বীৰে ঢোল কোবালে যিমান দূৰলৈ শুনে সিমান মাটিৰ হাবি বগৰালে। হাবিডোখৰ ছয়কুৰি গাভৰুৰ শৌচ কৰা ঠাই আছিল। ছয়কুৰি গাভৰুৱে সিঁহতৰ শৌচ কৰা ঠাই মুকলি কৰা বাবে পিস্কা খাকৰে কিল সোধালে। তাৰ পিচত গমবিৰা বীৰে সেইডোখৰ মাটি এৰি দি অইন এডোখৰ মাটিৰ হাবি বগৰালে। সেইডোখৰো ডেকাইঁতে শৌচ কৰা ঠাই আছিল।

ডেকাইঁতে আহি গমবিৰা বীৰক বাককৈয়ে কিলালেহি। পিচত কান্দি কান্দি গমবিৰা বীৰ মাকৰ ওচৰ পালেগৈ। তাৰ পিচত চেৰেঙা লৈ এদিনাখন অৰণ্যলৈ গ'ল। চেৰেঙা বজাই বাৰ-বীৰসকলক আহ্বান কৰিলে। বাৰ-বীৰসকলে আহি গমবিৰা বীৰক আঠু লৈ সেৱা কৰিলে আৰু কি কৰিব লাগে আদেশ খুজিলে। গমবিৰা বীৰে সিঁহতক খেতি কৰিবৰ কাৰণে হাবি চাফা কৰিব দিলে। আদেশ পায়েই ঢোল কোবালে যিমান দূৰলৈ শুনে সিমান দূৰ পৰিমাণৰ মাটিৰ হাবি বগৰালে আৰু হাবিত জুই লগাই দিলে। সেই হাবিক জুয়ে সাত দিন সাত ৰাতি পুৰিলে। সেই সাত দিন সাত ৰাতি ৰমৰমকৈ শব্দ হৈ থাকিল।

হাবি পোৰা জুইৰ ছাই আকাশলৈ উৰি মানুহৰ চোতালত ভৰিৰ ডিমাৰ সমান ওখকৈ পোট খালেহি। হাবি পোৰাৰ পিচত সেই মাটিত হাল বালে।

গমবিৰা বীৰে মাকৰপৰা পাঁচযোৰা ধান, মাকৈ পাঁচযোৰা, তিয়ঁহ গুটি পাঁচযোৰা আৰু কচু ডুডোখৰ আনি কুণীয়াকুণিকৈ কই দিলে। খেতি-বাতি বাৰুকৈয়ে হ'ল। ফল-মূল বহুত লাগিল। যিয়ে যায় সিয়ে মাকৈ তিয়ঁহ খাওঁ আহিব পাৰে।

এদিনাখন গাভকইঁত তিয়ঁহ খাবলৈ গ'ল। তিয়ঁহ পাৰেমানে খালে। টোপোলা ভৰাই আনিলে। পিচত গাভকইঁতৰ মুখ লাগি ধান খেতি শুকাই গ'ল। গমবিৰা বীৰে খৰিকটীয়া বুঢ়াৰ ওচৰলৈ গৈ কড়ি চোৱালে। কড়িৰে ঠিকনা চাই খৰি কটা বুঢ়াই কচুৰ পাত, কলৰ পাত আটাইকেইটাকে টোপোলা বান্ধি মুখ কাটিলে। ধানৰ খেতি পুনৰ ভাল হৈ উঠিল।

এদিনাখন ডেকাইঁত তিয়ঁহ খাবলৈ আহিল। তিয়ঁহ খাই টোপাত (টোমত) বিৰিণা বাণ বান্ধি মাৰি পঠিয়ালে। ধানৰ খেতি আকৌ লেবেলি পৰিল। আকৌ মুখ কাটিব লগীয়া হ'ল। ধান আকৌ ভাল হৈ উঠিল। পিচত গমবিৰা বীৰে বাৰ-বীৰসকলক মাতি আনি পোন্ধৰটা ভঁৰাল বান্ধিলে। ধানৰ গুটিবোৰ ভঁৰাল ভৰাই ৰাখিলে। গমবিৰা বীৰৰ অৱস্থা দিনক দিনে ভাল হৈ আহিবলৈ ধৰিলে।

এদিনাখন গমবিৰা বীৰে নিজৰ কাৰণে ছোৱালী আনিবলৈ মাকৰ-পৰা বিদায় লৈ যায়। যোৱা সময়ত ৰামতুলসী কই থৈ যায়। লগত ৰামচাক শালিকাও গ'ল। গৈ গৈ লক্ষ্মীশ্ৰী গাভৰুৰ ঘৰত সোমালগৈ। লক্ষ্মীশ্ৰী গাভৰুৱে গমবিৰা বীৰক দেখা পাই আঠু কাঢ়ি সেৱা কৰি মদ-ভাত খুৱালে। তাত পাঁচ দিনমান থাকি গুৱাশ্ৰী গাভৰুৰ তালৈ ওলাই গ'ল। যোৱাৰ সময়ত লক্ষ্মীশ্ৰীৰ তাতো ৰামতুলসী কই থৈ গ'ল।

বাটত সি ৰাক্ষস এটাই মুখ মেলি থকা লগ পালে। গমবিৰা বীৰে জঁপিয়াই মুখেদি সোমাই শৌচ কৰা দ্বাৰেদি ওলাই গুচি গ'ল। বাটত আৰু একন ৰাক্ষস লগ পালে। গমবিৰা বীৰ আৰু ৰাক্ষসৰ মাজত যুদ্ধ লাগিল। যুদ্ধত ৰামচাক শালিকায়ো যোগ দিলে। গমবিৰা বীৰে ৰাক্ষসক ভবোৱালেৰে মূৰত মাৰি দিয়াত দুই ফালি হাৰি পৰি গ'ল। পিচত গমবিৰা বীৰে ৰাক্ষসক মাৰিলে। দুৱৰীয়ে দুৱাৰ খুলি দিলে। একন মানুহৰ তাত গমবিৰা বীৰ ৰাতি থাকিল। পিচদিনা ডেকাইঁতৰ লগত খিলা খেলিলে। গমবিৰা বীৰে খিলাৰ গুটি মাৰি গুৱাশ্ৰীৰ পাহৰিক মাৰি দিলে।

তেতিয়া পাহৰি মৰাৰ কাৰণে গুৱাশ্ৰীয়ে গমবিৰা বীৰৰ লগত যুদ্ধ দিলে। গমবিৰা বীৰে গুৱাশ্ৰীক চুলিৰ মুঠাত ধৰি ঘূৰালে। তেতিয়াহে জানিলে

গুৱাশ্ৰীয়ে গমবিৰা বীৰৰ বীৰত্ব। গুৱাশ্ৰীয়ে আঠু লৈ সেৱা কৰি গমবিৰাক স্বামী বৰণ কৰিলে। মদ দিলে। ভাত খুৱালে। গমবিৰা বীৰে গুৱাশ্ৰীৰ ঘৰত পাঁচ দিনমান বঞ্চিলে।

তাৰ পিচত গমবিৰা বীৰ স্বৰ্গশ্ৰী গাভৰুৰ ঘৰলৈ গ'ল। স্বৰ্গশ্ৰীৰ ঘৰত পৈ ছাগলি চৰোৱা হৈ থাকিল। ছাগলি চৰোৱাত দুটা ছাগলি কেনেবাকৈ মৰা পৰিলত স্বৰ্গশ্ৰীয়ে গমবিৰা বীৰক মাৰিব খোজে। তেতিয়া গমবিৰা বীৰে স্বৰ্গশ্ৰীৰ লগত যুদ্ধ কৰিলে। স্বৰ্গশ্ৰীক লাংথাবীৰ মাথেবীৰ-সকলে বিয়া কৰিবলৈ হেঁপাহ কৰিছিল। সিহঁতেও স্বৰ্গশ্ৰীৰ কলীয়া হৈ যুদ্ধত যোগ দিলে। পিচত সিহঁত দুয়ো বীৰকো গমবিৰা বীৰে কাটিলে। স্বৰ্গশ্ৰী যুদ্ধত পৰাজিত হৈ গমবিৰা বীৰক স্বামী বৰণ কৰিলে।

ৰামচাক শালিকা আৰু গমবিৰা বীৰ দুয়ো কুলমুঠি গাভৰুৰ তালৈ যাবলৈ ধৰিলে। বাটত ৰাক্ষস লগ পালে। ৰাক্ষস কাটিলেও কটা নেযায়। নমৰে। তেতিয়া গমবিৰা বীৰে নিজৰ পিন্ধি থকা গামোচাৰ এটুকুৰা ফালি তাতে চিঠি লিখি সেই চিঠি বতাহৰ হতুৱাই লক্ষ্মীশ্ৰীলৈ দি পঠিয়ালে। লক্ষ্মীশ্ৰীয়ে মিঠা পুখুৰী, তিতা পুখুৰীত গা ধুই উঠি গিৰিয়েকে দি পঠিওৱা চিঠিখন পঢ়িলে। তেতিয়া গিৰিয়েকক সহায় কৰিবৰ কাৰণে লক্ষ্মীশ্ৰী উৰি গ'ল।

লক্ষ্মীশ্ৰীয়ে গৈ পাই নিজৰ মূৰৰ টিকনিৰ মাজৰ চুলি এডাল উভালি ৰামচাক শালিকাক দিলে। ৰামচাক উৰি গৈ ৰাক্ষসৰ জীউ আনিবলৈ গ'ল। ৰামচাক শালিকা ৰাক্ষসৰ পুতেক হৈ স্বৰ্গলৈ গ'ল। স্বৰ্গত ৰাক্ষসহঁতে গিলিব খুজিছিল, নাতিয়েকহে বুলি কোনেও নিগিলিলে। সোণৰ পিঞ্জৰাত বন্ধ কৰি ৰখা এটা তাম বৰণীয়া পাৰ চৰাই লৈ ৰামচাক শালিকা উভতিল। ৰাক্ষসৰ লগত যুদ্ধ লাগি পিচত ৰাক্ষসক বধ কৰিলে। তাৰ পিচত গমবিৰা বীৰ কুলমুঠিৰ ওচৰ পালেগৈ।

কুলমুঠিয়ে গমবিৰা বীৰক নিজৰ গিৰিয়েক বুলি চিনিব পাৰি আঠু লৈ সেৱা কৰিলে। ৰাৰচিমা অৰ্থাৎ ৰাৰটা সিৰৰ দাগ থকা গাহৰি মাৰি তাৰ মঙহ গমবিৰা বীৰক খুৱালে।

কুলমুঠিৰ তাত কিছুদিন থাকি গমবিৰা বীৰে ৰামচাক শালিকাক লগত লৈ মাথুশ্ৰীৰ ওচৰলৈ গ'ল। দুৱৰীয়ে দুৱাৰ খুলি নিদিয়াৰ কাৰণে এজনী বুঢ়ীৰ তাতে ৰাতি বঞ্চিলে। পিচদিনা সোণৰ বেজি লৈ মাথুশ্ৰীৰ ঘৰত সোমাওঁতে কান্দত লাগি মৰিল। তেতিয়া ৰামচাক শালিকাই এখন

চিঠি লিখি বতাহৰ হতুৱাই লক্ষীশ্ৰীলৈ দি পঠিয়ালে। লক্ষীশ্ৰীয়ে চিঠিখন পাই কথাটো বুজিব পাৰি টিয়া ৰজাক মাতি পঠিয়ালে। টিয়া ৰজা আহি পোৱাত শঙ্কাৰী বুঢ়াৰপৰা লাইৰাং পাত আনিবলৈ পঠিয়ালে। গমবিৰা বীৰক লাইৰাং পাতত গুৱাই লৈ জীওৱা টাঙোনেৰে মাৰি পঠিয়াই দিলে। মাখুশ্ৰীৰ লগত যুদ্ধ কৰিলে। যুদ্ধত মাখুশ্ৰী হাৰিল। পিচত মাখুশ্ৰীয়ে গমবিৰা বীৰক পতিৰূপে বৰণ কৰিলে।

তাৰ পিচত গমবিৰা বীৰ পলশ্ৰীৰ ওচৰলৈ গ'ল। বাটত এখন ভৰিৰ বীৰক লগ পালে। এখন ভৰিৰ বীৰে গমবিৰা বীৰক মুঠেই বাট এৰি নিদিয়ে। তাতেই দুয়ো সাত দিন যুদ্ধ কৰিলে। ৰাক্ষসক কাটি তাৰ তেজ জিভাৰে চেলেকি চিন-চাব নোহোৱা কৰি থৈ গ'ল। গমবিৰা বীৰ যোৱা বাটত বাঘ ভালুকেও বাট এৰি দিলে। বাটতে ৰাক্ষসবিলাকৰ লগত যুদ্ধ লাগিল। ৰামচাক শালিকাই ৰাক্ষসৰ পুতেকৰ ভেশচন ধৰি ৰাক্ষসৰ জীউ আনিবলৈ পাতাললৈ গ'ল। পাতালৰপৰা ৰাক্ষসৰ জীউ ভোমোৰা আনি গমবিৰা বীৰৰ হাতত দিলে। গমবিৰা বীৰে ৰাক্ষসক বধ কৰিলে।

এতিয়া ঔৱাশ্ৰীৰ তালৈ গ'ল। বাটত ৰিংৰিঙাই সুহুৰি বজাই গমবিৰা বীৰে মন খুলি হাঁহি গৈছে। ঔৱাশ্ৰীৰ দুৱাৰত ৰাক্ষসইতক লগ পালে। ৰাক্ষসে বহলকৈ মুখ মেলিলে। গমবিৰা বীৰে মুখত জ'পিয়াই পৰি পিচফালেদি ওলাই যায়গৈ। ৰাক্ষসে বিচাৰি ফুৰে। মুখ মেলি গমবিৰা বীৰক আকৌ গিলিব খোজে। গমবিৰা বীৰে আকৌ মুখেদি জ'পিয়াই পৰি পিচেদি বাহিৰ হৈ যায়। গৈ গমবিৰা বীৰ আন এজন মানুহৰ ওচৰত থাকেগৈ।

খিলাৰ গুটি খেলি গমবিৰাই ঔৱাশ্ৰীৰ গাহৰিক কেনেবাকৈ মাৰিলে। গাহৰি মৰিলত ঔৱাশ্ৰী আৰু গমবিৰা বীৰৰ মাজত যুদ্ধ হ'ল। গমবিৰা বীৰে যুদ্ধত ঔৱাশ্ৰীৰ লগত কটা খাই মাটিত পৰিল। ৰামচাক শালিকাই বোৱেৰকলৈ খবৰ পঠিয়ালে। পিচত টিয়া ৰজাই লাইৰাং পাত অনাই তাত গুৱাই গিৰিয়েকক জীয়ালে। আকৌ ঔৱাশ্ৰীৰ লগত যুদ্ধ হ'ল। যুদ্ধত ঔৱাশ্ৰী হাৰিল। তাইৰ তাতে চাৰি পাঁচ দিন থাকিলে।

ঔৱাশ্ৰীক লগত লৈ গমবিৰা বীৰে ঘৰৰ ফালে আহিবলৈ মন কৰিলে। ঔৱাশ্ৰীয়ে পিতাকৰপৰা বিদায় ললে। পিতাকে সোণৰ টেমা এটা দি পঠিয়ালে। সেই টেমাটো খুলি দিলেই বজাৰ বহে। আহি থাকোঁতে বাটত গমবিৰা বীৰৰ ভাগৰ লাগিছিল। সি ঔৱাশ্ৰীৰ উৰুৰ ওপৰত মূৰটো

থৈ গুলে। গমবিৰা বীৰ টোপনি গ'ল। ছাদং বৈৰাগীয়ে পাই ঔৱাশ্ৰীক পাঠী ছাগলী কৰি লৈ গ'ল।

ৰামচাক শালিকাই বোৱেকক খবৰ দি পঠিয়ালে। লক্ষ্মীশ্ৰী আহি সোণৰ আঙঠি দি ৰামচাকক ছাদং বৈৰাগীৰ জীউ তাম বৰণীয়া পাৰ আনিবলৈ পঠিয়াই দিলে। সেই আঙঠিত ভাত-পানী দি খোজে তাকে পায়। ৰামচাকৰে ৰাক্ষসৰ জীউ তাম বৰণীয়া পাৰ লৈ আহিল। পিচত যুদ্ধ কৰি গমবিৰা বীৰে ছাদং বৈৰাগীক বধ কৰিলে। ঔৱাশ্ৰীক লৈ আহিল।

গমবিৰা বীৰে ঔৱাশ্ৰীক লৈ পলশ্ৰীৰ তালৈ আহিবলৈ ধৰিলে। বাটত ঘাটোৱাল সদাগৰে ঔৱাশ্ৰীক আগতে পাৰ কৰো বুলি নাৱত উঠাই লৈ আহিল। পানীৰ মাজ আহি পোৱাত ঘাটোৱাল সদাগৰে ঔৱাশ্ৰীক পানীৰ তললৈ লৈ গ'ল। ঔৱাশ্ৰীক বৰালি মাছে গিলি তাইৰ জীউটো সক সক শিল কৰি থলে। ৰামাচাকৰে উদ হৈ পানীৰ তলৰপৰা বৰালি মাছক লৈ আহিল। বৰালি মাছৰ পেট ফালি তাৰপৰা সক সক শিলবোৰ ভাঙি ঔৱাশ্ৰীক জীয়াই দিলে।

তাৰ পিচত ঔৱাশ্ৰী আৰু পলশ্ৰীক লৈ মাখুশ্ৰীৰ তালৈ আহিল। তাতে তিনি দিনমান থাকি মাখুশ্ৰীক লগত লৈ ফুলমুঠিৰ তালৈ আহিবলৈ ধৰিলে। বাটতে আছুখান্দা ৰাক্ষসে লগ পাই গমবিৰা বীৰৰপৰা তিৰোতা-বোৰ কাঢ়ি নিব খুজিলে। গমবিৰা বীৰইতে ৰাক্ষসৰ লগত যুদ্ধ কৰিলে। বাঁওফালে ঘুৰি সোঁফালে কাটি ৰাক্ষসক বধ কৰি থৈ আহিল। তাৰ পিচত ফুলমুঠিৰ তালৈ গ'ল।

ফুলমুঠিয়ে হাতত বাজু, ভৰিত খুগুৰা, কপালসূৰ্য্য, বুকুত চন্দ্ৰহাৰ আদি অলঙ্কাৰ পিন্ধি গাত আমোল-মোলোৱা চাদৰ ললে। কাটো-হানো টিয়া ভাটোৰ দৰে ৰঙৰ, ৰাজ-পোচাকৰ দৰে চোলা পিন্ধিলে। বাটত পিছলা বীৰক লগ পালে। পিছলা বীৰে গমবিৰা বীৰৰ গাভৰু কেইজনীক কাঢ়ি নিবলৈ চেষ্টা কৰিছিল। যুদ্ধ লাগিল। যুদ্ধত লহাজুৰি চামদাং দাখনেৰে পিছলা বীৰক কাটিলে। বাকী ৰাক্ষসবোৰক চৈধ্যথাক পাহাৰ পাৰ কৰি খেদি দিলে।

তাৰ পিচত খোজ ধৰিলে। সিহঁতে মিচিকিয়াই হাঁহিছে, আনন্দ কৰি কৰি আহি আছে। বেলৰ আকাৰৰ সমান ভাঙৰ তামোল, চিনাৰি পাণ, বগলীৰ শোঁচৰ দৰে বগা চূণ, মগৰবিলা কটাৰিৰে তামোল কাটিছে,

খাইছে, হাঁহিছে। বাৰহাত দীঘল ধঁপাত সাস্ত-সাস্তি চিলিমত লগাই গুৰ-গুৰীয়া হোকাত খাইছে। বোন্দা মেকুৰী বগাব পৰা বাটিত কঁকালত কাপোৰ পিন্ধিবলৈ শিকোঁতে ৰঙ্গা মদৰ ৰস আনিছে, দিছে, গমবিৰা বীৰে খাইছে।

মেকুৰীয়ে বগাব পৰা বাটিটো . পিয়াজৰ বাকলিৰ দৰে মাজিছে। মুখ চালে ফুলমুঠিক তৰা গছৰ পাতৰ আকাৰৰ দৰে দেখি। কঁকাল চালে টোকা দিয়া পিপৰাৰ কঁকালৰ দৰে দেখি। নাক চালে ধোঁৱা কাপ্জিৰ কাঁইটৰ দৰে জোঙা দেখি। ভৰিৰ ডিমা চালে বাঁহৰ গাঁজৰ দৰে শকত দেখি। গল চালে শৰ পহুৰ গলৰ দৰে দেখি। চকু চালে তাম বৰণীয়া পাৰৰ চকুৰ দৰে দেখি। বহল বুকু, দীঘল আঙুলি, সাতবাটি দীঘল চুলি। প্ৰাণ জুৰোৱা কথাৰ সুৰ। .

তাৰেপৰা সকলোৱে স্বৰ্ণশ্ৰীৰ তালৈ আহিল। স্বৰ্ণশ্ৰী গাভৰুৱে দৌৰি উজাই-ভটিয়াই বিচনা পাৰি দিছে, খোৱা-লোৱা গোটাই খুৱাইছে। স্বৰ্ণশ্ৰীৰ ঘৰত কেইদিনমান থাকি গুৱাশ্ৰীৰ তালৈ আহিল। সিইঁতক দেখা পাই গুৱাশ্ৰীয়ে বাৰছিলা গাঙৰি মাৰি খুৱালে। তাতে কিছুমান দিন থাকি লক্ষীশ্ৰীৰ তালৈ আহিল। তাতো কিছুদিন থাকি আটাইকেউজনে লগ লাগি গমবিৰা বীৰ নিজৰ ঘৰলৈ আহিল। ঘৰ আহি পাই সাতজনী বৈণীয়েকৰ সাতখন নগৰ আৰু মাকৰ এখন নগৰ পাতি সুখেৰে ৰাজ্য চলাই থাকিল।

ডিমাশ্ৰুণ

এজন ৰজাৰ ছয়জনী ৰাণী আছিল। ছয়জনীৰ ছয়জন সন্তান আছিল। সিইঁতৰ প্ৰত্যেকৰে কাৰোবাৰ ভৰি খোৰা, কাৰোবাৰ পিঠি কুঁজা, কাৰোবাৰ কঁকাল বেঁকা আছিল। সেইকাৰণে ৰজাৰ মনত অলপো শান্তি নাছিল। এদিনাখন ৰজাই চিকাৰৰপৰা ঘৰলৈ ঘূৰি আহোঁতে বাটত বৰ ধুনীয়া ছোৱালী এজনী দেখা পালে। ৰজাই তাইক বিয়া কৰালে। পিচত ছোৱালীজনী গৰ্ভৱতী হৈ এটা ডিমা প্ৰসৱ কৰিলে।

ৰজাৰ বৰ খং উঠিল। ৰজাই তিৰোতাজনীৰপৰা ল'ৰা সন্তান পোৱাৰ কাৰণে বৰ আশা কৰিছিল। ৰজাই ৰাণীক নি হাবিত এৰি আহিবৰ কাৰণে চাকৰক হুকুম দিলে। ৰজাৰ হুকুমমতে ফুলশ্ৰীক নি হাবিত এৰি থৈ আহিল।

ৰজাৰ সৰু ৰাণী ফুলশ্ৰীয়ে হাবিৰ মাজত অনাই বনাই ঘূৰি ফুৰি ফল-মূল খাই জীৱন ধাৰণ কৰিলে। এইদৰে মাকৰ দুখ কষ্ট দেখা পাই ডিমাৰ ভিতৰত থকা পুতেকজনে বৰ দুখ পালে। মাকে গাঁৱত চাউল খুজিবলৈ যোৱাৰ সময়ত পুতেক ডিমাশ্ৰুণে ডিমাৰ খোলাৰপৰা ওলাই মাকৰ কাৰণে সুন্দৰকৈ ভাত-আঞ্জা ৰান্ধি থৈ দিলে। তাকে দেখি মাক বৰ আচৰিত হ'ল।

এদিনাখন মাকে গাঁৱত চাউল খুজিবলৈ যাওঁ বুলি ওলাই গৈ মাজ বাটৰপৰা ঘূৰি আহিল। এনেতে ফুলশ্ৰীয়ে ল'ৰাটোৰ হাতত খাপ মাৰি ধৰি সুধিলে, "তুমি কোন?" তেতিয়া ল'ৰাই নিজৰ পৰিচয় দিলে। দুয়ো মাক-পুতেক থাকিল। ল'ৰাজনৰ নাম ডিমাশ্ৰুণ ৰাখিলে। ডিমাশ্ৰুণে ৰজাৰ পুতেক ছয়জনৰ লগত নানা প্ৰকাৰৰ খেল-ধেমালি প্ৰতিযোগিতাত ৰজাৰ ছয়জন পুতেকক হুৰুৱায়। তেতিয়া ৰজাৰ পুতেকহঁতে অপমান পাই ডিমাশ্ৰুণক মাৰধৰ সোধায়।

এদিনাখন ৰজাৰ ছয়জন পুতেকে কলে, 'আমাৰ নগৰখন যিজনে একে

উশাহতে সাতবাৰ ঘূৰিব পাৰিব তেওঁৰে জয় হব।' ডিমাশ্ৰণে সাতবাৰতকৈ বেছি ঘূৰিলে। সিহঁতে এবাৰো ঘূৰিব নোৱাৰিলে। ডিমাশ্ৰণৰ জয় হল। আৰু এদিনাখনৰ কথা। বহুত দূৰৈত এজোপা শিমলু গছ আছে। তালৈ ঘোঁৰা চেকুৰাই গৈ যিজনে আগতে পাব তেৱেঁই পাতালপুৰীত গৈ পাতালশ্ৰী গাভৰুক আনিব পাৰিব।

ডিমাশ্ৰণে পিচদিনা ৰাতিপুৱা মাকৰ হতুৱাই এজন মানুহৰপৰা ঘোঁৰা এটা অনাই ছয়জন ৰাজকুমাৰৰ লগত প্ৰতিযোগিতা কৰিবলৈ আহিল। ডিমাশ্ৰণে ৰাজকুমাৰহঁতক কলে, "ককাইহঁত! আপোনালোকে আগতে ঘোঁৰা চেকুৰাই যাওকগৈ। মই আপোনালোকৰ পিচত যাম। মোৰ ঘোঁৰা ভাল নহয়।" সিহঁতে গৈ বহুত দূৰ পোৱাৰ পিচত ডিমাশ্ৰণে ঘোঁৰা এৰি দিলে। ডিমাশ্ৰণৰ ঘোঁৰা পবন বেগেৰে বিং বিং শব্দ কৰি দৌৰি গ'ল। সিহঁততকৈ আগতে গৈ ডিমাশ্ৰণ এজোপা গছৰ ছাঁত বহি থাকিল।

সিহঁতে ঘোঁৰা চেকুৰাই ধূলি উৰুৱাই যাব লাগিছে। ৰাজকুমাৰহঁতে ডিমাশ্ৰণক সিহঁততকৈ আগতে গৈ গছৰ ছায়াত বহি থকা দেখা পালে, সিহঁতে আচৰিত মানিলে। ছয়জন ৰাজকুমাৰে ডিমাশ্ৰণক তাতে বান্ধি থৈ শিমলু গছৰ গুৰিলৈ বুলি ঘোঁৰা চেকুৰাই দিলে। ডিমাশ্ৰণে তাতেই কান্দি থাকিল।

বহুত পৰৰ পিচত বাঘা-বাঘিনী আহি ডিমাশ্ৰণৰ বন্ধা ৰচি কামুৰি ছিঙি দিলে। মুকলি হৈ ডিমাশ্ৰণে আকৌ ঘোঁৰা চেকুৰাই দিলে। এইবাৰো ছয়জন ৰাজকুমাৰতকৈ ডিমাশ্ৰণ আগতে গৈ এজোপা গছৰ ছায়াত জিৰণি লৈ বহি থাকিল। ছয়জন ৰাজকুমাৰে সিহঁততকৈ আগতে ডিমাশ্ৰণক গৈ পোৱা দেখা পাই আৰু আচৰিত মানিলে।

ডিমাশ্ৰণক গছৰ লগত গজাল মাৰি থৈ সিহঁতে শিমলু গছৰ গুৰিলৈ বুলি ঘোঁৰা চেকুৰাই দিলে। ডিমাশ্ৰণে তাতেই কান্দি থাকিল। পিচত বাঘা-বাঘিনী আহি গজালবোৰ মুখেৰে এৰুৱাই পেলাই দিলে। ডিমাশ্ৰণে আকৌ ঘোঁৰা চেকুৰাই দি ৰাজকুমাৰহঁততকৈ আগতে গৈ এডাল শিমলু গছৰ ছায়াত বহি থাকিল। সিহঁতে ডিমাশ্ৰণক আগতে গৈ পোৱা দেখা পাই আৰু আচৰিত মানিলে।

এইবাৰ ৰাজকুমাৰহঁতে ডিমাশ্ৰণক টুকুৰা-টুকুৰ কৰি কাটি থৈ শিমলু গছৰ গুৰিলৈ বুলি ঘোঁৰা চেকুৰাই দিলে। সিহঁত যোৱাৰ পিচত বাঘ আৰু নেউল আহি মঙহবোৰ বুটলি জমা কৰি ডিমাশ্ৰণক পুনৰ জীয়াই দিলে।

ডিমাশ্ৰণে আকৌ ধোঁৱা চেকুৰাই ছয়জন ৰাজকুমাৰতকৈ আগতে গৈ পাই শিমলু গছৰ গুৰিত বহি থাকিল।

ছয়জন ৰাজকুমাৰ গৈ পোৱাত এই বাটেৰে পাতালপুৰীলৈ যাব লাগে বুলি ডিমাশ্ৰণে সিইঁতক শিমলু গছডাল উভালিবলৈ দিলে। ছয়জন ৰাজকুমাৰে বল দিও শিমলু গছ লৰাব নোৱাৰিলে। পিচত ডিমাশ্ৰণে অকলে বল দি এফাল উভালি সিইঁতক পাতালপুৰীলৈ যোৱা বাট দেখুৱাই দি এটা এটাকৈ সোমাই যাবলৈ কলে। সিইঁত এজন এজনকৈ আটাই কেইজন সোমাই গ'ল। অন্ধকাৰ পাই আকৌ ওলাই আহিল।

ডিমাশ্ৰণে কলে, "মই সোমাই যাওঁ। যেতিয়া এই গছৰ শিপা-ডাল লৰি উঠিব, তেতিয়া আপোনালোকে শিপাডাল তুলি দিব।" এই বুলি কৈ ডিমাশ্ৰণ পাতালপুৰীলৈ সোমাই গ'ল। ৰাজকুমাৰ ছয়জন ডিমাশ্ৰণৰ বাবে বাট চাই থাকিল।

ডিমাশ্ৰণে পাতালপুৰীলৈ গৈ নগৰত প্ৰৱেশ কৰিবৰ কাৰণে দুৱৰীক দুৱাৰ মেলি দিবলৈ কলে। দুৱৰীয়ে গৈ পাতালশ্ৰী গাভৰুৰ আগত কলেগৈ। কোন আহিছে জানিবৰ কাৰণে পাতালশ্ৰীয়ে চালে আৰু কলে, "অ মোৰ স্বামী আহি পাইছে।" তাৰ পিচত দুৱৰীক দুৱাৰ মেলি দিবলৈ কলে।

ডিমাশ্ৰণ গৈ পাতালশ্ৰীৰ ওচৰ পোৱাৰ লগে লগে পাতালশ্ৰীয়ে ডিমা-শ্ৰণক আদৰি লৈ সেৱা কৰিলে। তাতেই চাৰিদিনমান থাকি ডিমাশ্ৰণ আকৌ পৃথিবী-ৰজাৰ জীয়েক শাংখামুঠি গাভৰুৰ তালৈ গ'ল। তাইক বিয়া কৰাই আকৌ তাৰপৰা কাউৰী-ৰজাৰ জীয়েক ফেছ্‌লিশ্ৰীৰ তালৈ গ'ল।

দুৱাৰৰ ওচৰ গৈ পোৱাত দুৱৰীয়ে দুৱাৰ এৰি নিদিলে। পিচত কাউৰী-ৰজাৰ পুতেক ফেছ্‌লাশ্ৰণৰ লগত ডিমাশ্ৰণৰ যুদ্ধ হ'ল। ফেছ্‌লাশ্ৰণক কাটি চোতালত পিতাকৰ সন্মুখত পেলাই দিয়াত পিতাকে বৰ অপমান পায় আৰু বৰ খং উঠে। ভুলা বীৰ, কানধি বীৰ, গানধি বীৰইঁতক যুদ্ধ কৰিবৰ কাৰণে যোগাই দিলে। সিহঁতে ডিমাশ্ৰণৰ লগত যুদ্ধ কৰিলে। যুদ্ধত সিহঁত মৰিল। পিচত ফেছ্‌লিশ্ৰীয়ে নিজে যুদ্ধ কৰি যুদ্ধত হাৰি ডিমা-শ্ৰণক পতি বৰণ কৰিলে।

এইবাৰ নলশ্ৰী গাভৰুৰ তালৈ বুলি ডিমাশ্ৰণে যাত্ৰা কৰিলে। বাট ভুল কৰি সৌফালে গৈ পালে। তাত ৰাক্ষসইঁত শুই আছিল। ডিমাশ্ৰণে সিইঁতক লগ পালেগৈ। সি জঁাপ মাৰি পাৰ হৈছিল। কিন্তু আটাইতকৈ পিচৰজনৰ কানত ডিমাশ্ৰণৰ এখন ভৰি পৰিল। ৰাক্ষসইঁতে সাৰ পালে।

বাক্সহঁতৰ লগত ডিমাশ্ৰণৰ যুদ্ধ লাগিল। যুদ্ধত বাক্সহঁত মৰে। ডিমাশ্ৰণে গৈ নলশ্ৰীৰ নদীৰ ঘাটত চেৰেঙা বজাই পিচত লাহেকৈ নলশ্ৰীৰ ঘৰত সোমায়। নলশ্ৰীয়ে ডিমাশ্ৰণক সেৱা কৰি পতি বৰণ কৰে।

তাৰপৰা বেলমুঠিৰ তালৈ গ'ল। তাতো বাট পাহৰি ডিমাশ্ৰণে সোঁফালে গৈ পায়। বাটতে বাক্স লগ পায়। বাক্সে গিলিবলৈ মুখ মেলোঁতে ডিমাশ্ৰণে জঁপিয়াই বাক্সৰ মুখেদি সোমাই শৌচৰ দ্বাৰেৰে ওলাই যায়গৈ। বেলমুঠিক বিয়া কৰাই আকৌ হাজাৰকীয়া গাভৰুৰ তালৈ গ'ল।

হাজাৰকীয়া গাভৰুৱে বাটত যাকে লগ পায় তাকে কাটি পেলায়। ডিমাশ্ৰণক হাজাৰকীয়া গাভৰুৱে বাটতে লগপালে। হাজাৰকীয়া গাভৰুৱে ডিমাশ্ৰণক কাটিব খোজোঁতে দুয়োৰে মাজত যুদ্ধ লাগিল। হাজাৰকীয়াই যুদ্ধত হাৰি ডিমাশ্ৰণক পতি বৰণ কৰিলে। আটাইকেইজনী তিৰোতাক লৈ ডিমাশ্ৰণ শিমলু গছৰ গুৰিলৈ আহিল। আহিবৰ সময়ত হাজাৰকীয়া গাভৰুৱে হাতখিলা টেমা এটা পিতাকৰ তাতে পাহৰি আহিল।

ডিমাশ্ৰণে শিমলু গছৰ তলত তিৰোতাবোৰক থৈ নিজে হাতখিলা টেমা আনিবলৈ গ'ল। যাবৰ সময়ত তিৰোতাবোৰক কৈ গ'ল, "তোমালোকে এই শিপাডালত ধৰি লৰাই নিদিবা। মই আহিলে লৰাই দিম।" কিয় বাধা দিছে তাৰ কাৰণ জানিবলৈ তিৰোতাবোৰে শিপাডাল অলপ লৰাই চাবলৈ ইচ্ছা কৰিলে। পিচত আটায়ে মনৰ ইচ্ছা দমাব নোৱাৰি গছৰ শিপা লৰাই দিয়াত ছয়জন ভাই-ককাইয়ে শিমলু গছডাল উঠাই দিলে। সিহঁতে সাতজনী দীপ্‌লীপ্ গাভৰু দেখা পাই বিয়া কৰাম বুলি লৈ গ'ল।

ডিমাশ্ৰণে টেমাটো লৈ আহি বাটত নদী ভাঙৰ হোৱাত পাৰ হব নোৱাৰি নদীৰ পৰতে বহি কান্দি থাকে। কুকুৰা পখীয়ে দেখা পাই পিঠিত লৈ ডিমাশ্ৰণক নদী পাৰ কৰি দিলে। শিমলু গছৰ গুৰিত আহি দেখে যে এজনীও তিৰোতা তাত নাই। ডিমাশ্ৰণে তাতে কান্দি বহি থাকে।

সেই সময়তে টেঁপা বেং এটা আহি কলে,, "তুমি মোৰ মূৰৰ ওপৰত বহি মোৰ গাত যিমান পাৰা সিমান মাৰিবা। মুঠেই জিৰণি নলবা।" টেঁপা বেঙৰ কথামতে ডিমাশ্ৰণে তাৰ মূৰত বহি ললে। চকু মুদি এডাল লাঠিৰে ডিমাশ্ৰণে টেঁপা বেঙৰ পিঠিত যিমান পাৰে সিমান মাৰিলে। মাৰৰ কোবত টেঁপা বেঙৰ গা ফুলি উঠিল। এনেকৈ ফুলিলে যে শিমলু গছৰ মূঢ়া উফৰি গৈ ডিমাশ্ৰণক ওপৰত তুলি দিলে।

ডিমাশ্ৰণ ওপৰলৈ আহিল। কিন্তু ওপৰত ছয়জন ৰাজকুমাৰৰ কাকো দেখা নাপালে। ডিমাশ্ৰণে অকলে মাকৰ ওচৰ পালেহি। মাকক সকলো কথা বিবৰি কলে। মাকে ডিমাশ্ৰণক লৈ ৰজাৰ ওচৰলৈ আহিল। ৰজাৰ আগত ডিমাশ্ৰণৰ মাকে সকলো কথা কোৱাত ৰজাই ডিমাশ্ৰণক সাতজনী গাভৰুৰ লগত বিয়া দি ৰজা পাতিলে। পিচত সকলোৱে সুখেৰে সংসাৰ যাপন কৰিলে।

ধুনীয়া এলেহুৱা ডেকা

(১)

পূৰণি কালত এজন হাজাৰকীয়া বুঢ়া আৰু হাজাৰকীয়ানী বুঢ়ী আছিল। বুঢ়া আৰু বুঢ়ীৰ সাতজন পুতেক। পুতেকহঁতৰ নাম ধনীৰাম, খালেৰাম, নেজখাটা, কৰকৰীয়া, খঙিয়াল আৰু এলেহুৱা আছিল। ধনীৰামৰ ঘৈণীয়েকৰ নাম ধনশ্ৰী। এওঁ কামে-কাজে বৰ জ্ঞানী আছিল। বৰোৰ সন্তান জোপোহা চুলিৰে গাল গোলাকাৰ হাঁহিমুখীয়া আছিল ধনশ্ৰীজনী, কিন্তু তাইৰ সন্তান নাছিল। সেইকাৰণে হা-হুমুনিয়াৰে ধনশ্ৰীৰ দিন গৈছিল।

এলেহুৱাৰ ছয়জন ভাই-ককাইৰ বিয়া হ'ল। কেৱল তাৰহে বিয়া হোৱা নাই। এলেহুৱাজন এতিয়াও শুই আছে। বুঢ়া-বুঢ়ীহঁত এলেহুৱাৰ বিয়া নোহোৱাতে মৰি গ'ল। এলেহুৱাজনক মৰম কৰোঁতা কোনো নোহোৱা হ'ল। কোনোবাই মৰম কৰিলে কৰিলে, নকৰিলে নাই। এইধৰণে এলেহুৱাৰ দিন যাবলৈ ধৰিলে। ধনীৰাম আৰু ঘৈণীয়েক ধনশ্ৰীয়ে এলেহুৱাক মৰম কৰিবলৈ নেৰিলে। বাকী ককায়েক বোৱেক কেইজনে এলেহুৱাক উভতি নাচায়, ভাল নাপায়।

যিদিনা ধুনীয়া এলেহুৱাই জনম পাইছিল, সেইদিনাই সিহঁতৰ ঘৰত গাই গৰু এজনী আৰু কুকুৰ এটা জনম পাইছিল। সেইকাৰণে কুকুৰে এলেহুৱাক নেদেখিলে থাকিব নোৱাৰে আৰু এলেহুৱাও কুকুৰক নেদেখিলে থাকিব নোৱাৰিছিল। গাইজনীয়েও তাক মৰম কৰিছিল, এলেহুৱায়ো গাইজনীক বৰ মৰম কৰিছিল।

ধুনীয়া এলেহুৱাজন এলেহুৱাই। জনমৰপৰাই এলেহুৱা। কাম-বন নকৰি এনেই শুই থাকিছিল। সি এলাপেচা এলেহুৱা নাছিল। শৌচ কৰিবলৈ, ভাত খাবলৈ বিচনাৰপৰা উঠিবলৈও এলাহ কৰিছিল। তেনেকৈ শুই থাকোঁতে শোৱা ঠাইখিনি গাঁত হৈছিল। চেকুৰা কুকুৰটোও তাৰ ওচৰতে

শুই থাকিছিল। ধুনীয়া স্বাস্থ্যৰ এলেহুৱা ডেকা এজনে শুই শুই খোৱাৰ কাৰণে ককায়েকহঁতে তাক দেখিব নোৱৰা হৈ পৰিল।

ককায়েকহঁতে নানা কটু কথাৰে এলেহুৱাটোক গালিশপনি পাৰিলে এলেহুৱাই কৈছিল, "ককাইহঁত! তোমালোকৰ গালিয়ে মোৰ বহুত। তোমালোকৰতো খোৱা নাই মই। পিতাৰহে খাইছোঁ।" এলেহুৱাই এইদৰে কোৱাত ককায়েকহঁতৰ আৰু বেছিকৈহে খং উঠিছিল। তাক মাৰিব খুজিছিল। তেতিয়া ডাঙৰ ককায়েকজনে ভায়েকহঁতক বাধা দিছিল আৰু কৈছিল, "হেং হৈছে, হৈছে! তোমালোক বৰ বেচিকৈ বাঢ়ি যোৱা। সক ল'ৰা। আমাৰ উপাৰ্জ্জন নাখাইনো কোনে উপাৰ্জ্জন কৰা খাব?"

বোৱেকহঁতেও এলেহুৱাক ভাত-পানী নিদিছিল। সিহঁতেও মুখ ওফন্দাই গালি পাৰিছিল। সিহঁতেও এলেহুৱাক ভাল নাপাইছিল। কেৱল ধনশ্ৰীয়ে মাত্ৰ এলেহুৱাক ভাত-পানী দিছিল। কেতিয়াবা গা ধুৱায়ো দিছিল।

এলেহুৱাই একো কাম নকৰা দেখি এদিনাখন ককায়েকহঁতে তাক পহু খেদিবলৈ বনলৈ মাতিলে। এলেহুৱানে এলেহুৱা, পহু খেদিবলৈ যোৱা দূৰৈত থাকক বিচনাৰপৰাই নুঠিল।

পিচত কৰকৰীয়া আৰু খঙিয়াল দুয়ো এলেহুৱাক সাত হাত গাঁতৰ বিচনাৰপৰা এজনে হাতত, এজনে ভৰিত ধৰি তুলিলে। তেতিয়া সি গীত গাই বোৱেক ধনশ্ৰীক কৈ পঠিয়ালে—

বো ঐ, বো!
মই বনলৈ যাম,
ভগবানেহে জানে বো
এই ককাইহঁতে মোক কি কৰে।

থাকাঁ, থাকাঁ, বো তুমি থাকাঁ,
মাতৃতুল্য তুমি মোৰ
বো ঔ, বো! বনলৈ যাওঁ।

এলেহুৱা ককায়েকহঁতৰ লগত বনলৈ পহু খেদিবৰ কাৰণে যাব লগীয়া হ'ল। এলেহুৱাৰ লগত চেকুৰা কুকুৰো গ'ল। সৈ সৈ বাইডাংবাৰী, ইকৰাবাৰী পহীন অৰণ্যৰ একাষেদি এলেহুৱা আৰু চেকুৰা কুকুৰ বেঢ়ি থাকিল। নাই, সিহঁতে সিকালেদি জাল বেঢ়ি পহুৰ বাবে খাপ দি চুপি আছিল, সেইফালেদি এটা পহুও নগ'ল, ইফালে এলেহুৱাৰ চেকুৰা কুকুৰে কামুৰি কামুৰি

তিনিটা পহু মাৰি পেলালে। তেতিয়া সি ককায়েকহঁতক চিঞৰি মাতিলে, "আহঁা ঐ ককাইহঁত! পহু-পাহৰি ভাৰ কৰঁাহি।"

ককায়েকহঁতে আহি ডাঙৰ ডাঙৰ পহু পৰি থকা দেখা পালে। সেই সময়তে ককায়েক কৰকৰীয়াই ভালুকৰ গাঁত দেখা পাই ক'লে, "হেৰা এলেহুৱা! এই গাঁতত কেটেলা পহু সোমাই আছে। তুমি সোমাই যোৱঁা, এই গাঁতৰ ভিতৰলৈ।" এলেহুৱাই ক'লে, "মই সোমাব নোৱাৰোঁ ককাই! এই গাঁত কেটেলা পহুৰ নহয়।" খঙিয়াল ককায়েকে কলে, "সোমা ছালা গু খোৱা! নহলে তোক শিক্ষা দিম মই।" তেতিয়া এলেহুৱা গাঁতৰ ভিতৰলৈ সোমাই গ'ল।

এলেহুৱাক দেখা পাই ভালুক মতা-মাইকী দুয়োটাই ভয়তে গাঁতত সাবটা-সাবটি কৰি থাকিল। ইফালে ককায়েকহঁতে কি কৰিলে, ডাঙৰ ডাঙৰ খুটি মাৰি গাঁতটো বন্ধ কৰি গাঁতৰ মুখত ডাঙৰ ডাঙৰ খৰিৰে জুই ধৰি ধোঁৱা দিলে। এলেহুৱা ওলাই আহিবলৈ চেষ্টা কৰিও নোৱাৰিলে। সি গাঁতৰ ভিতৰতে কান্দি কান্দি থাকিব লগীয়া হ'ল।

ককায়েকহঁতে পহু লৈ ঘৰলৈ আহিল। ঘৰ আহি পালত কুকুৰে ধনশ্ৰীৰ ভৰিত উবুৰি খাই পৰি কেং কেং কৰিবলৈ ধৰিলে। ধনশ্ৰীয়ে ভাবিলে, "আজি নিশ্চয় কিবা হৈ আহিছে। এলেহুৱাকো দেখা নাপালো মই।" গিৰিয়েকৰ তাত, দেওৰেকহঁতৰ তাত এলেহুৱা ক'ত বৈ আহিল বুলি সুধি ফুৰিবলৈ ধৰিলে। গিৰিয়েক ধনীৰামে ভায়েকহঁতৰ মাৰ খাবৰ ভয়ত একো কথা প্ৰকাশ নকৰিলে।

দেওৰেকহঁতে ক'লে, "আহিব লাগিছে। বাটত শৌচ কৰিবলৈ বহিছে।" বাট চাই থাকিও ধনশ্ৰীয়ে এলেহুৱাক নেদেখে। পিচত কুকুৰে বেচি বেচিকৈ কেঁকাই থকাত আৰু এলেহুৱাৰ মুখ দেখা নোপোৱাত জাকহঁতক ক'লে, "ভাত বহাবা। মই মঙহৰ লগত খাবলৈ সোঁ বনৰপৰা শাক তুলি আনিবলৈ যাওঁ।" এইবুলি কৈ কুকুৰৰ পিচে পিচে হাবিলৈ গ'ল। গৈ গৈ বেলি মাৰ যাবৰ সময়ত এলেহুৱাক এৰি থৈ অহা ঠাই পালেগৈ। তেতিয়া ঢেকুৰা কুকুৰে এলেহুৱাক গাঁত বন্ধ কৰি খোৱা ঠাইত নাকেৰে ফুৰ ফুৰ শব্দ কৰি গাঁত খান্দিবলৈ ধৰিলে।

ধনশ্ৰীয়ে "আই ঐ, এই গাঁতৰ ভিতৰতহে আছে নেকি?" বুলি কৈ আঙঠা আৰু পোৰা খৰিবোৰ আঁতৰাই খুটিবোৰ উভালি পেলাই দিয়াত এলেহুৱাক গাঁতৰ ভিতৰত কান্দি থকা দেখা পালে। তেতিয়া ধনশ্ৰীয়ে

নিজেও কান্দি কান্দি, "হে ভাই নুমলীয়া দেওৰ ! তোমাৰ কি হ'ল ? তোমাক কিয় এনেকৈ থৈ গ'ল ?" বুলি কৈ হাতত ধৰি গাঁতৰপৰা উলিয়াই আনিলে। তেতিয়া ধনশ্ৰী, এলেহুৱা আৰু চেকুৰা কুকুৰ তিনিও ঘৰলৈ আহিল। ঘৰৰ ওচৰ পোৱাত ধনশ্ৰীয়ে এলেহুৱাক অলপ সময় বৈ থাকিবলৈ কৈ নিজে অলপ শাক তুলি লৈ ঘৰ সোমালগৈ।

সন্ধিয়াৰ সময়ত ভাত খাই সকলো শুই যোৱাৰ পিচত এলেহুৱাই ঘৰ সোমাই ভাত বাঢ়ি দিবলৈ বৌয়েকক মাত দিলে। এলেহুৱাৰ মাত শুনি ককায়েকহঁতে "হু, সি চালা শু খোৱা কেনেকৈ ঘূৰি আহিল !" বুলি ভাবিলে। বৌয়েকহঁত ভাত বাঢ়িবলৈ নুঠিল। মৰমিয়াল ধনশ্ৰীয়ে আথেবেথে দুৱাৰ খুলি "আহা তুমি, এতিয়াহে আহি পাইছা এলেহুৱা ? বুলি কৈ ভাত বাঢ়ি দিলে। ভাত খাই উঠি পিচত নিজৰ শোৱা ঠাইত শুই থাকিলগৈ।

পাঁচদিনমান থাকি মঙহ শেষ হলত আৰু এদিনাখন ককায়েকহঁতে পহু খেদিবলৈ এলেহুৱাক মাতিলে। এলেহুৱা নাযায়, সিহঁতে নেৰে। তাক জোৰ কৰি উঠাই লৈ গ'ল। চেকুৰা কুকুৰো লগতে গ'ল। গৈ গৈ হাবিৰ মাজত শালগছৰ গুৰিত শ'ই সাপৰ নখৰ চিন দেখা পালে। তেতিয়া ককায়েকহঁতে এলেহুৱাক গছৰ ওপৰত উঠিবলৈ কলে। এলেহুৱা নুঠে, সিহঁতে নেৰে। পিচত জোৰ কৰি গছৰ ওপৰত তুলি দিলে।

এলেহুৱাই তেতিয়া গছত শলা মাৰি মাৰি ওপৰলৈ উঠি গল। এলেহুৱা ওপৰলৈ গৈ পালত শ'ই সাপ ওপৰৰ পৰা জঁাপ দি মাটিত পৰিল। ককায়েকহঁতে তাক মাৰি ললে। এলেহুৱাই ওপৰলৈ গৈ পোৱাৰ পিচত ককায়েকহঁতে শলাবোৰ একৰাই হাবিত পেলাই দিলে। গুৰিত দপদপকৈ জুই জ্বলাই সিহঁতে শ'ই সাপটো লৈ ঘৰলৈ গুচি আহিল।

এলেহুৱাই গছৰ ওপৰতে আধা পোৱা হৈ কোনোমতে ডালত সাৱটি থাকিল। কুকুৰে ঘৰ গৈ পোৱা মাত্ৰকে সিদিনাৰ দৰে ধনশ্ৰীৰ ভৰিৰ ওচৰত কেং কেঙাই থাকিল। তাই "আহা আজি কি বা হৈ আছিল" বুলি কৈ হুমুনিয়া কাঢ়িলে। দেওৰেকহঁতে শ'ই সাপৰ মঙহ বাছিলে জাকহঁতক ধনশ্ৰীয়ে কলে, "পিচত ভাত বান্ধিবা। মই শ'ই সাপৰ মঙহৰ লগত খাবলৈ সেই তাত শাক তুলি আনোগৈ।" এই বুলি চেকুৰা কুকুৰক লগত লৈ ওলাই আহিল। চেকুৰা কুকুৰৰ পিচে পিচে গৈ বহুত দূৰৈত গছৰ ওপৰত এলেহুৱাক চকুলো টুকি কান্দি থকা দেখা পালে।

পিচত বৌয়েকে "আহা ভাই। তোমাক তেনেকৈ কিয় কৰিলে ?"

বুলি কৈ কান্দি কান্দি শলাবোৰ বিচাৰি বিচাৰি আকৌ আগৰ গাঁতবোৰত সুমুৱাই দিলে। তেতিয়াহে এলেহুৱাই নামিব পাৰিলে। ধনশ্ৰীয়ে এলেহুৱাক লৈ ঘৰলৈ আহিবলৈ ধৰিলে। বাটত অলপ শাক তুলি লৈ বৌৱেক আগতে ঘৰ সোমালগৈ। এলেহুৱাই পিচত মনে মনে সোমাই নিজে শোৱা ঠাইত শুই থাকিলগৈ। পিচদিনা এলেহুৱাক দেখা পাই ককায়েকহঁতে আচৰিত মানিলে।

তাৰ পিচত এদিনাখন এলেহুৱাক ৰাতি সৰিয়হ ৰখিবলৈ কলে। এলেহুৱাই মাৰ খাবৰ ভয়ত ৰখিবলৈ গ'ল। বৌৱেকে তেতিয়া কলৰ পচলা এডোখৰ মানুহৰ দৰে বগা কাপোৰেৰে সজাই থৈ এলেহুৱাক ঘৰলৈ পঠিয়াই লৈ আহিল। ককায়েকহঁতে ৰাতি এলেহুৱাক মনে মনে কাটি পেলাবলৈ সৰিয়হৰ পথাৰলৈ গ'ল আৰু কলৰ পচলাকে মানুহ বুলি ভাবি কাটি টুকুৰা কৰি পানীত উটুৱাই দিলে। পিচদিনা ৰাতিপুৱা এলেহুৱাক ঘৰত দেখা পাই ককায়েকহঁতে আকৌ আচৰিত ভাবিলে। কাটি পেলালেও নমৰে আকৌ জী উঠে! গতিকে মাৰি পেলাবলৈ চেষ্টা নকৰি তাক গৰু চৰাবলৈ পঠিয়াই দিলে।

গোহালিত কপিলী গাই এজনী আছিল। পথাৰত চৰাবলৈ লৈ যাবৰ বেলিকা গৰুজনী সদায় দৌৰি দৌৰি মায়দাংশ্ৰীৰ গোহালিত সোমাই থাকিছিলগৈ। এদিনাখন এলেহুৱাই কপিলীক খেদি আনিবলৈ যাওঁতে মায়দাংশ্ৰী গাভৰুৱে তাক দেখা পাই থিৰ কৰিলে, "আহ! এই ডেকাজন মোৰ স্বামী হবৰ উপযুক্ত।" তেতিয়া এলেহুৱাক লিগিৰীহঁতৰ দ্বাৰা ঘৰৰ ভিতৰলৈ মাতি নিয়ালে আৰু গৰম পানীৰে গা ধুৱাই নতুন চোলা, নতুন গামোচা পিন্ধাই দি সুগন্ধি তেল মূৰ আৰু গাত ঘঁহি দি আমোল-মোলাই যোৱা কৰিলে। সাত প্ৰকাৰৰ আঞ্জাৰে ভাত খাই এলেহুৱা তাতেই থাকিবলৈ ললে। ইফালে বৌৱেকে এলেহুৱা ক'ত গ'ল বুলি চিন্তিত হৈ থাকিল।

এলেহুৱা তাতে থকাৰ পিচত মায়দাংশ্ৰী গাভৰুৰ লগত বিবাহ হ'ল। বিবাহ হোৱাৰ পিচত এদিনাখন এলেহুৱাই ডাঙৰ ককায়েক আৰু ডাঙৰ বৌৱেকক চাবলৈ ইচ্ছা কৰিলে। ঘৰলৈ গ'লত ককায়েক বৌৱেকে তাক চাফ্-চিকন দেখা পাই মনত আনন্দ পালে আৰু ইমান দিন ক'ত গৈছিল সেইবোৰ কথা সুধিলে।

এলেহুৱাই কলে, "নাই ককাই-বৌ! আলাই-আথানি হৈ এজনী কুঁজী অতি বেয়া তিৰোতাহে বিয়া কৰাই আছোঁগৈ। তোমালোকে যাব

খোজা যদি আহা যাওঁ ককাই-বৌ।" এইবুলি ডাঙৰ ককায়েক আৰু বৌয়েকক লগ ধৰিলে। মৰমৰ এলেহুৱাই মতাৰ কাৰণে ডাঙৰ ককায়েক ধনীৰাম আৰু ডাঙৰ বৌয়েক ধনশ্ৰী লগতে গ'ল। এলেহুৱা, ধনীৰাম আৰু ধনশ্ৰী যি দিনৰ পৰা ঘৰ এৰি ওলাই গল সিদিনাৰ পৰা সিহঁতৰ ঘৰৰ বস্তুবোৰ আপোনা-আপুনি টাং-টিং কৈ ভাগিবলৈ ধৰিলে। সিদিনাৰপৰা টকা পইচা নোহোৱা হৈ আহিল। গৰু-বাছুৰ চৰাই-চিৰিকতি আপোনা-আপুনি মৰিবলৈ ধৰিলে।

ধনীৰাম আৰু ধনশ্ৰীয়ে এলেহুৱাৰ ঘৈণীয়েক মায়দাংশ্ৰীক দেখা পাই চকুত ছাং মাৰি ধৰাত চিং হৈ পৰি গ'ল। ঘৰ দেখা পাইও আচৰিত ভাবিলে। তামোলৰ তামোল শাৰী শাৰী, পাণৰ পাণ শাৰী, শাৰী, ধানৰ ভঁৰাল, গৰুৰ গোহালি, চাকৰ-বাকৰ আদি বৰ চহকী দেখা পালে। ইফালে ককায়েক-বৌয়েকহঁতৰ দিনক দিনে টুটি আহি ঘৰ-দুৱাৰ গৃহস্থী বিশৃঙ্খল হ'বলৈ ধৰিলে। পিচত খোৱা-লোৱাত বৰ কষ্ট পাই এলেহুৱাৰ ঘৰত আটাইকেইজন চাপিলহি। তাতেই ভাই-ককাই, ল'ৰা তিৰোতা লৈ সংসাৰ যাপন কৰিবলৈ ধৰিলে।

(২)

এদিনাখন এজন ৰাক্ষস সন্ন্যাসী হৈ চাউল ভিক্ষা কৰিবলৈ মায়দাংশ্ৰীৰ ঘৰলৈ আহিল। সন্ন্যাসীক দেখা পাই ধনশ্ৰীয়ে চাউল দিব খুজিলে। সন্ন্যাসীয়ে কাৰো চাউল গ্ৰহণ নকৰে। মায়দাংশ্ৰীয়ে চাউল দিলেহে হয়। কিবা বিপদ হ'ব পাৰে বুলি মায়দাংশ্ৰীয়ে চাউল দিব খোজা নাছিল। পিচত সন্ন্যাসীজন ঘূৰি যাবলৈ ওলাল। মায়দাংশ্ৰীয়ে ভাবিলে, "ওহো, সন্ন্যাসীজন বিমুখ হৈ ঘূৰি গলে ভাল নহব।" তেতিয়া নিজে খৰধৰকৈ ঘৰৰ ভিতৰৰ পৰা ওলাই আহি চাউল দিলে। সন্ন্যাসীয়ে তাইক খাপ মাৰি বেতৰ টোকোনেৰে কোব এটা মাৰি পাঠী ছাগলি কৰি পেলালে।

তাৰ পিচত পাঠী ছাগলিক গলত ৰচী লগাই টানি নিবলৈ ধৰিলে। সেই সময়তে মায়দাংশ্ৰীৰ খানথা আৰু মাহা নামৰ দুটি সন্তান হৈছিল। সন্ন্যাসীজন চাউল ভিক্ষা কৰিবলৈ আহিবৰ সময়ত এলেহুৱাইত ভাই-ককাই আটাইকেইজন কাম কৰিবলৈ গৈছিল। ঘৰলৈ আহি সিহঁতে সকলো শুনিবলৈ পালে। "সন্ন্যাসীয়ে মায়দাংশ্ৰীক চুৰ কৰি লৈ গল।" এই কথা শুনা মাত্ৰকে এলেহুৱা আৰু ককায়েকহঁতে কান্দিবলৈ ধৰিলে।

তাৰ পিচত এলেছুৱা আৰু ককায়েকহঁতে মায়দাংশ্ৰীক আনিবলৈ বাটে বাটে খেদি গ'ল। সন্ন্যাসীৰ ঘৰ গৈ পালে। সন্ন্যাসীয়ে সিহঁতক ৰাইডাং টোকোনেৰে কোবাই কাৰোবাক বেৰাৰ খুটি, কাপোৰ আঁৰি থোৱা খুটি, কাৰোবাক গছৰ মূঢ়া কৰি থলে।

এদিনাখন খানথা আৰু মাহা ভাই-ককাই দুয়োজনে মাক-পিতাক আৰু জেঠাকহঁতক উদ্ধাৰ কৰি আনিবলৈ হাতত ধনু কাঁড় লৈ ওলাই গ'ল। লগত মায়দাংশ্ৰীৰ গৰখীয়া থেফাইছাৰাও গ'ল। গৈ গৈ কমন আৰু থিনথাং নামৰ দুজন মানুহক ঘৰৰ ছাল ছাই থকা দেখা পালে। খানথাই সিহঁতক সুধিলে, "হেৰা ককাইহঁত! এইফালেদি ছাদং সন্ন্যাসীক যোৱা দেখা পাইছা নেকি তোমালোকে?" কমন আৰু থিনথাঙে কলে, "দেখা পাইছোঁ, দেখা পোৱা নাইও আমি। আমি যে সদায় সদায় ছাল ছাই থাকিবলগীয়া হওঁ। এই ছালখন ধনু-কাঁড়েৰে মাৰি থৈ যোৱাচোন বাৰু চাওঁ।"

তেনেকৈ কোৱাত খানথা আৰু মাহাই ধনু-কাঁড় মাৰি দিয়াত ছাল চুৰমাৰ হৈ মৰমৰকৈ ভাঙি পৰিল। কমন আৰু থিনথাঙে সিহঁতক কিল ভুকু সোধালে। খানথাই কলে, "ৰ'বা, ৰ'বা, তেনেহলে সিফালে মুখ হোৱাঁ হলে যেনেকৈ ছাল তেনেকৈ আগৰ দৰে কৰি দিলে। তাৰ পিৰত সিহঁতে খানথা আৰু মাহাক বাট দেখুৱাই দিলে।

সিহঁতে গৈ গৈ বাটত হালবোৱা মানুহ লগ পালে। সিহঁতৰ তাতে খানথাই ছাদং সন্ন্যাসীক আৰু ভাই-ককাই ছয়জন যোৱা দেখা পাইছেনে নাই সুধিলে। সিহঁতেও কলে, "দেখা পাইছোঁ, দেখা পোৱা নাইও আমি। তোমালোকক কিয় কৈ দিম! আমি যে সদায় সদায় হাল বাই থাকিব লাগে। এই আটাইকেইটা নাঙল-যুৱঁলিক ধনুৰ শৰেৰে মাৰি চুৰমাৰ কৰি যোৱাচোন বাৰু।" তেনেকৈ কোৱাত খানথাই কলে, "তেতিয়াহলে তোমালোকে সিফালে মুখ কৰাচোন।" সিহঁতে আনফালে মুখ কৰাত ধনুৰ শৰ মাৰি দি নাঙল যুৱঁলিবোৰ মৰমৰকৈ ভাঙিলে। তেতিয়া হালবোৱা মানুহ বোৰে সিহঁতক মাৰপিত কৰিবলৈ ধৰিলে।

তেতিয়া খানথাই কলে, "ৰবা ৰবা ককাইহঁত! তোমালোকে আন ফালে মুখ কৰা।" সিহঁতে আনফালে মুখ কৰিলে যেনে নাঙল যুৱঁলি তেনেকৈ আকৌ আগৰদৰে কৰি দিলে। তেতিয়া সিহঁতে কলে, "যোৱা ভাইসকল! এই বাটেৰে গৈ থাকিবা। কিন্তু সাৱধান দেই, ছাদং সন্ন্যাসীজন এলাপেচা মানুহ নহয়।" সিহঁত তিনিও গৈ থাকিল।

গৈ থাকোঁতে বাটত চাউল ধুই থকা এজাক তিৰোতা মানুহ লগ পালে। খানথাই সিহঁতৰ তাতো সুধিলে, "হেৰা বাইসকল! তোমালোকে এই ফালেদি সন্ন্যাসী যোৱা দেখা পাইছা?" গাভৰুহঁতে কলে, "দেখা পাইছোঁ, পোৱা নাইও। কিয় লাগে তোমালোকক? আমি যে সদায় সদায় খৰাহী আৰু চাউলৰ লগত যুদ্ধ কৰি থাকিব লাগে। দিয়াচোন বাৰু এই খৰাহীবোৰ ধনু-শৰ মাৰি চুৰমাৰ কৰি থৈ যোৱা।" খানথাই কলে, "তেনে-হলে তোমালোকে আনফালে মুখ কৰা।" সিহঁত আনফালে মুখ কৰিলে ধনুৰ শৰ মাৰি দিলে। খৰাহীবোৰ ভাঙি চুৰমাৰ হ'ল।

তেতিয়া তিৰোতাবোৰে হাতৰ খাৰুৰে সিহঁতক মাৰিবলৈ ধৰিলে। খানথাই কলে, "ৰবা ৰবা বাইসকল! তোমালোকে আনফালে মুখ ঘূৰাই লোৱা।" আনফালে মুখ ঘূৰালে আগৰ যেনে খৰাহী তেনে কৰি দিলে। পিচত তিৰোতাসকলে কৈ পঠিয়ালে, "যোৱা তোমালোক এই বাটেদি। জয় হব তোমালোকৰ।" তেতিয়া সিহঁত গৈ থাকিল। গৈ গৈ এজনী ৰাক্ষসী বুঢ়ীৰ ঘৰ পালেগৈ। ৰাক্ষসী বুঢ়ীজনী ছাদং সন্ন্যাসীৰ মাক। বুঢ়ীৰ কদমশ্ৰী গাভৰু নামৰ এজনী চাকৰণী আছিল। কোনোবা মানুহে বুঢ়ীৰ ঘৰত ৰাতি থাকিলে, ৰাতি বুঢ়ীয়ে মেকুৰী হৈ মনে মনে সোমাই মানুহক গিলি পেলাইছিল।

খানথা মাহাহঁতে ৰাতি হোৱাৰ কাৰণে সেই বুঢ়ীৰ ঘৰতে ৰাতি খপিবলৈ খুজিলে আৰু তাতে ৰাতি থাকিল। কদমশ্ৰী গাভৰুৱে সিহঁতক খাব-লবলৈ যোগাৰ কৰি দিলে। সিহঁত খাই বৈ শুবৰ সময়ত কদমশ্ৰীয়ে সিহঁতক মনে মনে কৈ দিলে। "এই বুঢ়ীজনীয়ে ৰাতি মানুহ গিলে। তোমা-লোক কাণ জাগি সাবধান হৈ থাকিবা। ৰাতি মেকুৰী হৈ ঘৰ সোমালে একে ঘাপেই কাটি দিবা।"

ৰাতি খানথা আৰু মাহাইতে টোপনি যোৱাৰ ভাও ধৰি মনে মনে শুই থাকিল। ৰাক্ষসিনীয়ে মেকুৰী হৈ মেও মেও কৰি দুৱাৰখন লাহেকৈ মেলি চাই পঠিয়ালে। সেই সময়তে খানথাই দা লৈ মেকুৰীৰ নাকটো একে ঘাপে দুই টুকুৰা কৰি দিলে। তেতিয়া মেকুৰী তেজেৰে বাগুলি হৈ পুনৰ বুঢ়ী হৈ নিজৰ বিচনাত শুই থাকিলহি। জৰ হৈছে বুলি হুম-হুমাই থাকিল। পিচদিনা ৰাতিপুৱা খানথাহঁতে ছাদং সন্ন্যাসীৰ ঘৰলৈ যাবলৈ ওলোৱাৰ পিচত বুঢ়ীয়ে নাকটো জোৰা লগাই ললে।

ইফালে ছাদং সন্ন্যাসীয়ে মায়দাংশ্ৰীক দুৱাৰ বন্ধ কৰি ভিতৰত থৈ

দিছে। বিয়া কৰিব খোজাত তাই তিনিমাহৰ সময় লৈ আছিল। বিয়াত খাবলৈ সন্ন্যাসীয়ে বজাৰৰ মানুহৰ পৰা বস্তু-বেহানিবোৰ জোৰ-জবৰদস্তি কাঢ়ি আনি জমা কৰি থৈছিল। আটায়ে তাক দেখিব নোৱাৰা হৈ পৰিল। তেতিয়া চিকৰা পোক হৈ খানথাই ভিতৰলৈ গৈ মাকৰ লগত কথা পাতি-লেগৈ। মাকক শিকাই দিলে, "হেৰা আই! তুমি আজি ৰাক্ষসৰ মূৰৰ ওকণি চাব খুজিবা। মূৰৰ ওকণি চাবলৈ দিলে তোমাৰ মুখৰ লালতি তাৰ কপালত পেলাই দিবা। তোমাৰ চকুতো অলপ লগাই লবা। কি হৈছে তোমাৰ? কিয় কান্দিছা? বুলি সুধিলে তুমি কবা, ওহ, তুমি আছা বুলিহে আছা। কোনো শত্ৰুৱে তোমাক বধ কৰিবলৈ আহিলে মই তোমাৰ জীউটো লুকুৱাই থব লাগিব। জীউটো ক'ত আছে কৈ দিয়াছোন।" এইদৰে মাকক শিকাই দি খানথা আহিল।

ছাদং সন্ন্যাসীয়ে বজাৰৰ পৰা বস্তু-বেহানি কাঢ়ি লৈ ঘৰলৈ আহি মায়দাংশ্ৰীক অন্দৰ মহলৰ পৰা নিজৰ ওচৰলৈ আনিলে। পিচত মায়দাং-শ্ৰীয়ে কলে, "আহাঁ স্বামী! তোমাৰ মূৰত বহুত ওকণি হৈছে। মই অলপ ওকণি চাই মূৰ ফণিয়াই দিওঁ।" ছাদঙে কলে, "হে-হে-হে কন্যাসুন্দৰী, বাৰু তেনেহলে চোৱা।" মায়দাংশ্ৰীক ওকণি চাবলৈ দিলে। ওকণি চোৱাৰ চেগতে ছাদঙৰ কপালত মুখৰ লালতি পেলাই দিলে আৰু নিজেও চকুত অলপ লগাই ললে। ৰাক্ষসে সুধিলে, "হায় সুন্দৰী! তোমাৰ কি হৈছে? কিয় কান্দিছা?" মায়দাংশ্ৰীয়ে কলে, "কি কম স্বামী। আজি তুমি ভালে আছা দেখি আছা। কোনোবা শত্ৰু আহিলে যুদ্ধ লাগিবলগীয়া হলে তোমাৰ জীউটো ক'ত আছে তাক জানিব নোৱাৰাৰ কাৰণে মই কান্দিছোঁ। কোৱা স্বামী! তোমাৰ জীউটো ক'ত আছে।

ছাদঙে কলে, "ভয় নকৰিবা কন্যা. ভয় নকৰিবা। মোক মাৰিব তেনেকুৱা মানুহ নাই। এক খানথা আৰু মাহা নামৰ দুজন ভাই-ককাই মাত্ৰ আছে মোক মাৰিব পৰা। সিহঁত আজিও পৃথিৱীত ওপজা নাই। ভৱিষ্যতে সিহঁত আহি পালে আইৰ পৰা সোণৰ জখলাটো খুজি স্বৰ্গলৈ দলিয়াই দিবা। তাৰ পিচত সেই জখলাৰে স্বৰ্গলৈ গৈ সোণৰ পিঞ্জৰাত তাম বৰণীয়া পাৰ এটা দেখিবলৈ পাবা। সেয়ে মোৰ জীউ।"

কথা কৈ উঠাৰ পিচত মায়দাংশ্ৰীয়ে লৰালৰিকৈ ৰাক্ষসৰ মূৰ ধুই নিজৰ খোটালিত সোমাই থাকিলগৈ। খানথাই আকৌ চিকৰা পোক হৈ সোমাই মাকৰ পৰা ৰাক্ষসৰ জীউৰ কথাটো জানিব পাৰিলে। খানথা,

মাহা আৰু থেফায়ছাৰা সিহঁত বুঢ়ীৰ ওচৰলৈ ঘূৰি আহিল। খানথাই কদমশ্ৰী গাভৰুক কলে, "অ বাই, আমি আইক ৰাক্ষসৰ পৰা নিবলৈ আহিছো। এতিয়া ৰাক্ষসক বধ কৰিব লাগে। তাৰ জীউটো স্বৰ্গৰ পৰা আনিবলগীয়া হৈছে। স্বৰ্গলৈ যাবলৈ হলে সোণৰ জখলাটো লাগে। এতিয়া তুমি বাইয়ে আমাক মৰম কৰি বুঢ়ীৰ পৰা সেই জখলাটো চুৰ কৰি আনি দিলে আমি স্বৰ্গলৈ যাব পাৰো।" কদমশ্ৰীয়ে বুঢ়ী টোপনি যোৱাৰ সময়ত মনে মনে সোণৰ জখলাটো উলিয়াই আনি খানথাক দিলে, খানথাই সৰাসৰিকৈ স্বৰ্গলৈ দলিয়াই দিলে, স্বৰ্গত লাগি ধৰিল। তেতিয়া স্বৰ্গলৈ উঠি গৈ পিঞ্জৰাটোৰ সৈতে খৰখৰকৈ পাৰটো লৈ আহিল।

ইফালে ছাদং সন্ন্যাসীয়ে বজাৰত বস্তু-বেহানিবোৰ জোৰ কৰি কাঢ়ি লৈ আছে। ঠিক সেই সময়তে খানথাই বজাৰলৈ গৈ তাক বাধা দিলে। বাধা দিলত সন্ন্যাসীয়ে তাক মাৰিবলৈ ধৰিলে। মাৰিব খুজিলে খানথাই অলপ পিচুৱাই ওলোটাই মাৰিব খোজে। তেনেকৈ অৰিয়া-অৰি হৈ দুয়োজনৰ ভিতৰত যুদ্ধ হ'ল। দুয়ো স্বৰ্গলৈ উৰা মাৰিলে।

যুদ্ধ কৰি কৰি খানথাই পাৰৰ ডেউকা ভাঙি দিলে ৰাক্ষসৰ বাহুও ভাঙি পৰে। এখন হাতেৰে ৰাক্ষসে যুদ্ধ কৰিবলৈ ধৰিলে। পাৰৰ গল মোহাৰি দিলে ৰাক্ষসৰ গলো মোহাৰ খালে। তেনেকৈ বেঁকা গলেৰে যুদ্ধ কৰি থাকিল। ভৰি দুখনো ভাঙি দিলে ৰাক্ষস পিৰিমকৈ মাটিত পৰিল। পৃথিৱী কঁপি উঠিল। পাৰ মাৰি পেলোৱাৰ পিচত ৰাক্ষসো মৰিল।

তেতিয়াহে খানথা আৰু মাহাই ছাদং সন্ন্যাসীৰ পৰা মাকক উদ্ধাৰ কৰি আৰু জীওৱা টোকোনেৰে কোবাই পিতাক-জেঠাকহঁতক জীয়াই লৈ আহিল।

সুন্দৰ মাউৰা ডেকা

এজন বুঢ়া আৰু এজনী বুঢ়ী আছিল। সিহঁতৰ এটিও সন্তান নাছিল। সেইকাৰণে সিহঁতে চুৱা বাঢ়নি পুৰি পুৰি ভগবানক শাও দি আছিল। ভগবানৰ বুকু চমুচমাই যোৱাত তেওঁ কাউৰী ৰজাক মৰ্ত্ত্যপুৰীত কোন ঠাইত কাৰ কি হৈছে চাবৰ কাৰণে পঠিয়াই দিলে। ভগবানৰ আদেশ লৈ কাউৰী ৰজাই মৰ্ত্ত্যপুৰীলৈ উৰি আহিল আৰু এহাল বুঢ়া-বুঢ়ীক চুৱা বাঢ়নি পুৰি ভগবানক শাও দি থকা দেখা পালে। কাউৰী ৰজাই বুঢ়া-বুঢ়ীৰ সকলো কথা ভগবানৰ ওচৰত কলেগৈ। ভগবানে জানিব পাৰি বুঢ়ীক গৰ্ভৱতী কৰি দিলে।

দিনক দিনে যেতিয়া বুঢ়ীৰ অসুখ বেছি হল, তেতিয়া বুঢ়া কবিৰাজ বিচাৰি গ'ল। কবিৰাজ বিচাৰি ঘূৰি আহোঁতে সি বাটতে উজুটি খাই পৰি মৰিল। ইফালে বুঢ়ীয়ে এজন ল'ৰা সন্তান জনম দিলে। জনমৰ পৰা পিতৃ নোহোৱা কাৰণে ল'ৰাজনৰ নাম মাউৰা ৰাখিলে। বুঢ়ী মাকে মাগি খুজি কোনোমতে ল'ৰাক পালন কৰিলে।

মাউৰা লহপহকৈ ডাঙৰ হৈ আহিবলৈ ধৰিলে। এদিনাখন সি মাকক কলে, "আই, আই, মই হাল বাওঁ। এহাল গৰু বিচাৰি আন। নাঙল যুঁৱলিও বিচাৰি আন।" মাকে কলে, "তই ইমান সৰু, ক'ত হাল বাব পাৰিবি বোপাই। নালাগে হাল বাব।" তথাপিও ল'ৰাই নেৰানেপেৰাকৈ খেচখেচাই থকা কাৰণে মাকে মোমায়েকৰ পৰা হালোৱা এহাল আৰু নাঙল-যুঁৱলি আনি দিলে।

মাউৰাই বনৰ মাজত ঢোল মাৰিলে যিমান দূৰলৈ শব্দ শুনে সিমান বহল পৰিমাণৰ মাটি বাৰ-বীৰ লগত লৈ ধান, মৰাপাট, সৰিয়হৰ খেতি কৰিলে। জাকজমকেৰে ভৰাল পাতিলে।

এদিনাখন সুন্দৰ মাউবাই মাকক কলে, "আই, আই! ডোক লাক পিয়াহৰ লাক ভাজি দে। মই পান্‌জামুঠি গাভৰুৰ ওচৰলৈ যাবলৈ মন কৰিছোঁ।" তেতিয়া মাকে ডোক লাক পিয়াহৰ লাক ভাজি দি পিচদিনা কন্দা-কটা কৰি পুতেকক বিদায় দিলে। পুতেকেও কন্দা-কটা কৰি মাকৰ পৰা বিদায় লৈ ওলাই গ'ল। যাবৰ সময়ত ৰাম তুলসী গছ এডাল কই থৈ গ'ল আৰু মাকক সেই গছৰ গুৰিত পানী ঢালি দি থাকিবলৈ কলে।

মাকক কৈ থৈ গ'ল, আই, কেতিয়াবা এই তুলসী গছডাল শুকালে জানিবি যে মই বৰ কষ্টত আছোঁ। আৰু যেতিয়া ভাল হৈ আহিব তেতিয়া জানিবি মই ভালে আছোঁ। তুলসী মৰি গলে জানিবি মযো মৰি গলোঁ।" মাকে পুতেকে কৈ থোৱা মতে তুলসী গছৰ গুৰিত পানী ঢালি দি থাকিল।

সুন্দৰ মাউবা গৈ থাকিল। গৈ গৈ বহুত দূৰ যোৱাৰ পিচত বাটতে বাঙ্কসবিলাক পালে। বাঙ্কসবিলাকৰ লগত সি আকাশত উৰি মাটিত নামি যুদ্ধত লাগিল। যুদ্ধত বাঙ্কসবিলাকক পৰাস্ত কৰি পান্‌জামুঠি গাভৰুৰ ঘৰ গৈ পালে। পান্‌জামুঠিয়ে সুন্দৰ মাউবাক দেখা পোৱা মাত্ৰকে আঠু কাঢ়ি সেৱা কৰি কলে, "আপুনিয়ে মোৰ একমাত্ৰ স্বামী।" এই বুলি কৈ আদৰ সাদৰ কৰি ৰাখিলে। পান্‌জামুঠিৰ লগত সাতদিন থকাৰ পিচত সুন্দৰ মাউবা দেশ ঘূৰিবলৈ বুলি ওলাই আহিল। ওলাই আহিবৰ সময়ত গীত গাই আহিল।

গৈ গৈ সি ফুলশ্ৰী গাভৰুৰ ঘৰ পালেগৈ। তাইৰ তাতেই কিছুদিন ছাগলি চৰোৱা গৰখীয়া হৈ থাকিল। সি ছাগলিবিলাকৰ লগতে শুই থাকিব লগীয়া হৈছিল। ছাগলিবোৰ পথাৰত চৰাবলৈ নি লাঠি এডাল খুটি মাৰি থৈ নিজে গছৰ ছায়াত শুই থাকিছিল। ছাগলিবোৰেও কলৈকো যাব নোৱাৰিছিল। কোনো এৰাতি ফুলশ্ৰী গাভৰুৱে ৰাতি কিবা কাৰণত সাৰ পাই ঘৰৰ পৰা বাহিৰলৈ ওলাই আহোঁতে ছাগলিৰ পালৰ ভিতৰত কিবা জ্বলি থকাৰ পোহৰ দেখিবলৈ পালে। ওচৰলৈ আহি দেখিবলৈ পালে ছাগলিৰ গৰখীয়া নিপোটল দেহাৰে পোহৰ হৈ কেঁচা সোণৰ মোহৰৰ দৰে শুই আছে। তেতিয়া ফুলশ্ৰীয়ে তাক বিয়া কৰাবলৈ মন কৰিলে।

পিচদিনা ফুলশ্ৰীয়ে মাউবাক "তুমি মোৰ হে স্বামী" এইবুলি কৈ আঠু লৈ সেৱা কৰিলে। সেইদিনৰপৰা তাক ছাগলী চৰাবলৈ নিদিলে। ফুল-শ্ৰীক বিয়া কৰি তাত চাৰি দিনমান থাকি সুন্দৰ মাউবা ফুলশ্ৰীৰপৰা বিদায়

লৈ ওলাই আহিল। গৈ গৈ স্বৰ্গশ্ৰীৰ ঘৰত গৰুৰ গৰখীয়া হৈ থাকিলগৈ। তাতো তাক গোহালিত শুৱালে। সি সাত গোহালি গৰু অকলে এটাও ক'তো পাৰ হৈ যাব নোৱাৰাকৈ চৰাইছিল।

এবাতি স্বৰ্গশ্ৰী গাভৰুৱেও ফুলশ্ৰীৰ দৰে জ্যোতিৰ পোহৰ দেখা পাই সুন্দৰ মাউৰাক স্বামী বৰণ কৰিলে। স্বৰ্গশ্ৰীৰ তাতো কিছুদিন থাকি আৰু সি ওলাই আহিল। খোজ কাঢ়ি গৈ গৈ ঘুমুক গাভৰুৰ ঘৰ সোমালগৈ। তাত সি ধোঁৱাৰ গোবৰ পেলোৱা হৈ থাকিল। ফুলশ্ৰী, স্বৰ্গশ্ৰীহঁতৰ দৰে ঘুমুক গাভৰুৱেও তাক বিয়া কৰাবলৈ মন কৰিলে। ঘুমুক গাভৰুক খাগ্ৰাবীৰে বিয়া কৰাবলৈ ইচ্ছা কৰিছিল। মাউৰাক ঘুমুক গাভৰুৱে বিয়া কৰাব খোজা দেখি খাগ্ৰাবীৰে মাউৰাক কাটি মাৰিব খুজিলে।

পিচত মাউৰাৰ লগত খাগ্ৰাবীৰে যুদ্ধ দিলে। সিও মাউৰাৰ হাতত কটা খালে। ঘুমুক গাভৰুৰ ঘৰৰপৰা আকৌ এদিনাখন সুন্দৰ মাউৰা ওলাই আহিল। সি মায়দাংশ্ৰীৰ ঘৰ গৈ পালে। মায়দাংশ্ৰীক ৰাক্ষসবিলাকে লৈ গৈ সিহঁতৰ ওকণি চোৱা কৰিছিল। ৰাক্ষস বিলাকে দিনত আহাৰ বিচাৰি গলে মায়দাংশ্ৰীক মৰা টাঙোনেৰে মাৰি থৈ গৈছিল আৰু সাজলগা সময়ত ঘৰলৈ আহি জীওৱা টাঙোনেৰে এক কোব মাৰি আকৌ জীয়াইছিল।

সুন্দৰ মাউৰাই মনে মনে গৈ জীয়া টাঙোনেৰে মাৰি দিয়াত মায়দাংশ্ৰী জী উঠিল। ফান্‌জামুঠিত চাই মায়দাংশ্ৰীয়ে নিজৰ গিৰিয়েক বুলি জানিব পাৰি ভুয়োজনে আলচ কৰিলে। মায়দাংশ্ৰীয়ে মাউৰাক স্বামী বুলি আঠু লৈ সেৱা কৰিলে। সাজ লাগি আহিলে মায়দাংশ্ৰীক মৰা টাঙোনেৰে মাৰি আকৌ থৈ দিলে আৰু নিজে ওচৰতে লুকাই থাকিল। ৰাক্ষস বিলাকে আহি জীয়া টাঙোনেৰে একেকোবে মায়দাংশ্ৰীক জীয়াই দিলে।

ৰাক্ষসে মায়দাংশ্ৰীক কলে, "অ নাতিনী, আজি কিয় জহা জহা গোন্ধাইছে? কোনোবা আহিছে নেকি?" মায়দাংশ্ৰীয়ে কলে, "কোন আহিব তোমালোকৰ ৰাজ্যত। কোন আহিব পাৰে?" ৰাক্ষসবিলাকে হাঃ হাঃ কৈ হাঁহিলে আৰু "হয় নাতি! হয়!" বুলি ক'লে। পিচদিনা মায়দাংশ্ৰীক মৰা টাঙোনেৰে মাৰি থৈ ৰাক্ষস বিলাক আহাৰ বিচাৰি গুচি গ'ল।

পিচত মায়দাংশ্ৰী আৰু মাউৰাই কথা-বতৰা পাতি থাকিল। মাউৰাই মায়দাংশ্ৰীক শিকালে, ৰাক্ষস বিলাক আহিলে যাই ৰাক্ষসৰ মুৰত মিচাকৈয়ে ওকনি চোৱা চলেৰে মুখৰ লালতিৰে ৰাক্ষসৰ কপালত ভিজাই দিবা। তাৰ পিচত কি হৈছে, কিয় কান্দিছ বুলি সুধিলে কবা, "অ' আতা! কোনোবা

শত্ৰু আহিব নেকি, সপোনত মই বেয়া বেয়া দেখা পাইছোঁ। এতিয়া সেই-কাৰণে কোনোবা শত্ৰু আহি পালে তোমালোকৰ জীউটো আঁতৰাই থব লাগিব। কিন্তু তোমালোকৰ জীউটো ক'ত আছে তাক জানি নাপাই কান্দিছোঁ। এইবুলি কলে সিহঁতে নিজৰ জীউটো ক'ত আছে তাক কৈ দিব।

তাইক মৰা টাঙোনেৰে মাৰি থৈ নিজে লুকাই থাকিল। ৰাক্ষস বিলাক আহিলত ঘাই ৰাক্ষসৰ মুৰতম য়্যাদংগ্ৰীয়ে ওকণি চালে আৰু মাউৰাই শিকাই দিয়াৰদৰে কৰিলে। তেতিয়া ঘাই ৰাক্ষসে সিহঁতৰ জীউ পুখুৰীৰ তলত সোণৰ পিঞ্জৰাৰ তাম বৰণীয়া পাৰ চৰাই হৈ আছে বুলি কলে। তেতিয়া মায়দাংগ্ৰীৰ কাৰ্য্য সিদ্ধি হ'ল।

পিচদিনা ৰাক্ষসবিলাক আটায়ে গুচি গলত মায়দাংগ্ৰীয়ে মাউৰাক সকলো কথা কৈ দিলে। তেতিয়াই মাউৰাই মায়দাংগ্ৰীৰ নামলৈ পুখুৰীত এক ডুব মাৰি সোণৰ তাম বৰণীয়া পাৰ লৈ আহিল। মায়দাংগ্ৰীৰ লগত কথা পাতি থাকিল। ৰাক্ষসবিলাকে আহিবৰ সময়তো মায়দাংগ্ৰীক জীয়াই থৈ দিলে। নিজে পাৰ লৈ লুকাই থাকিল।

ৰাক্ষস বিলাকে মায়দাংগ্ৰীক জী থকা দেখা পাই "কেনেকৈ জী থাকিল" বুলি তাইক সুধিলে। মায়দাংগ্ৰীয়ে কেতেৰা মাতেৰে কলে, "সুধি নাচাবা নাতিয়েৰাক, মোৰ ওচৰলৈ নাহিবা।" ৰাক্ষসে "বাপ্‌ৰে, আজি কিয় ইমান দৰ্প কৰিছ অ?" বুলি কৈ তাইক গিলিবৰ কাৰণে মুখ মেলি খেদি আহিল। তেতিয়া মাউৰাই ততালিকে ওলাই আহি সিহঁতক সাৱ-ধান কৰি দিলে।

তেতিয়া ৰাক্ষসবিলাকে তাক খেদি গ'ল। সি পাৰৰ ডেউকাটো ভাঙি দিলে। ৰাক্ষসৰ ভৰিও ভাগিল। পিচত ৰাক্ষকবিলাকক মাউৰাই কাটিলে। মায়দাংগ্ৰীৰ লগত কিছুদিন থাকি পিচত তাইক তাতে থৈ মই-খুনগ্ৰী গাভৰুৰ তাত চাকৰ থাকিলগৈ। মইখুনগ্ৰীক বিয়া কৰি তাৰ পৰা গৈ কাউৰী ৰজাৰ জীয়েক গয়নাথিৰ তাত চৰাই খেদা হৈ থাকিল। পিচত গয়নাথি গাভৰু আৰু আটাইকেইজনী বিয়া কৰোৱা তিৰোতাক লগত লৈ ঘৰলৈ আহিল।

আহি থাকিল। সাতদিন সাতৰাতি হ'ল। থাক থাক পাহাৰ পৰ্ব্বত পাৰ হ'ল। তথাপিও ঘৰ নাপায়। ভৰি বিষাই গ'ল। ঘৰ নাপায়। ভোক পিয়াহত লালকাল হ'ল। সতিনী সাতজনীয়ে গীত গালে।

গীত— হে, হে, স্বামী ! সাতদিন সাতৰাতি হৈ আহিল,
থাক থাক চৈধ্যথাক পাহাৰ পৰ্ব্বত পাৰ হলো ।
কিমান দূৰত তোমাৰ ঘৰ,
নোৱাৰো স্বামী ! খোজ কাঢ়িব আমি ।
মাউৰা— পাম আৰু পাম, সোণাইহঁত ।
বেছি দূৰ আৰু নাই,
মোৰ বুঢ়ী আইৰ ঘৰ ।

পিচত ঘৰ আহি পালে । বোৱাৰীয়েকহঁতক দেখা পাই বুঢ়ী শাহুয়েক চিত হৈ পৰি গ'ল । পিচত নতুন নগৰ পাতি আটাইয়ে সুখেৰে সংসাৰ যাপন কৰিলে ।

মাউৰাসুন্দৰৰ সাধু

(২)

এজন বুঢ়া আৰু এজনী বুঢ়ী আছিল। সিহঁতৰ এটিও সন্তান নাছিল। সন্তান নোহোৱা কাৰণে সিহঁতৰ সদায় মনত দুখ। সিহঁতে ভগবানক শাও দি আছিল। এদিনাখন বুঢ়াই দুভ্ৰাম বজাৰত জলকীয়া কিনিবলৈ ওলাল। খুলশালিয়েক দুলদুলিয়াৰ ঘৰত ৰাতি থাকি বজাৰলৈ গৈ জলকীয়া কিনি আনিলে। পিচত বুঢ়া-বুঢ়ীয়ে জলকীয়া ভাজি ভাজি ভগবানক শাও দি থাকিল।

সিফালে ভগবানৰ বুকু জ্বলি পুৰিবলৈ ধৰিলে। তেতিয়া ভগবানে জীয়েক কন্যা শাশ্বিক মিঠা পৃথিৱী তিতা পৃথিৱীত গা ধুই পাঞ্জামুঠিত কলে, কোন কোণাত কি হৈছে তাক জানিবৰ কাৰণে জীয়েকে পাঞ্জামুঠিত চাই কলে, "অ' পিতা! এখৰ বাটৰ মজিয়াত এক বুঢ়া-বুঢ়ীয়ে সন্তান নোপোৱাৰ কাৰণে জলকীয়া ভাজি তোমাক শাও দি আছে।"

ভগবানে কাউৰীক মাতি পঠিয়ালে। জীয়েকে কোৱা কথাষাৰি চাবৰ কাৰণে কাউৰীক পঠিয়াই দিলে। কাউৰীক কৈ পঠিয়ালে, "খবৰদাৰ পৰৰ চুৱা খাব নোৱাৰিবি।" কাউৰীয়ে মহাপ্ৰভুৰ আদেশ লৈ মৰ্ত্তাপুৰীলৈ আহিল। উৰি উৰি বিচাৰিবলৈ ধৰিলে। এঠাইত বাটৰ মাজত বুঢ়া-বুঢ়ী দুয়ো শুকান জলকীয়া ভাজি ভগবানক শাও দি থকা দেখা পালে। কাউৰীয়ে বুঢ়া-বুঢ়ীৰ ওপৰত উৰি কা কা কৰিলে, বুঢ়া-বুঢ়ীয়ে শুকান জলকীয়া ভজা কৈঠেলি মাৰিবে কাউৰীক ফৰমুটিয়াই পঠিয়ালে।

তেতিয়া কাউৰীয়ে কৈঠেলি মাৰিভাল ততালিকে নখেৰে খামুচি লৈ মহাপ্ৰভুৰ ওচৰলৈ নিলে। ভগবানে ভাবি স্থিৰ কৰিলে, "ৰ' এই বুঢ়া-বুঢ়ীক এটি সন্তান দিব লাগিল।" ভগবানে লাংখাৰীৰ আৰু ছাংখাৰীৰক

মাতি পঠিয়ালে আৰু কলে, "অ' লাংথাবীৰ ছাংথাবীৰ! তোমালোকে কোৱাচোন, ভোগপুৰলৈ (মৰ্ত্ত্যপুৰীত) যাব পাৰিবা ?" দুয়োজনে কলে, "প্ৰভু, আমি যাব নোৱাৰিম।" তাৰ পিচত ভগবানে শিমলুবীৰ সাগৰ বীৰক মাতি পঠিয়াই সুধিলে। সিহঁতেও যাব নোৱাৰিম বুলি কলে। পিচত মাউৰাসুন্দৰ বীৰক মাতি পঠিয়ালে। মাউৰাসুন্দৰে "মই যাব পাৰিম" বুলি কলে।

তাৰ পিচত প্ৰভুৱে কাউৰী ৰজাক মাতি পঠিয়ালে। কাউৰী ৰজা আহিলত ভগবানে কলে, "মাউৰাসুন্দৰক সেই বুঢ়া-বুঢ়ীৰ ওচৰলৈ লৈ যাব লাগে।" কাউৰী ৰজা ভগবানৰ কথাত সন্মত হ'ল।

মাউৰা সুন্দৰ এটা ফল হ'ল। কাউৰী ৰজাই সেই ফলটো ঠোটেৰে কামুৰি লৈ ভোগপুৰলৈ উৰি গ'ল। বুঢ়ীয়ে চোতাল সাৰি আছিল। সেই সময়তে ফলটো আকাশৰ পৰা বুঢ়ীৰ আগত পেলাই দিলে। ফলটো দেখি বুঢ়ীয়ে আথে বেথে বুটলি ললে আৰু কলে, "এইয়া মোক খা মোক খা কৰা বৰ চিকন ফল। ইয়াক পিচত মই খাব লাগিব।" এই বুলি পিন্ধা কাপোৰৰ আঁচলত ললে। চোতাল সৰা হোৱাৰ পিচত ফলটো অকলে খাই পেলালে। বুঢ়াক ভাগ নিদিলে।

সেই ফলটো খায়ে বুঢ়ীৰ গৰ্ভ হ'ল। তেনেকৈয়ে আজি অলপ কালি অলপ থাকি সন্তান জন্মিবৰ হ'ল। এদিনাখন বুঢ়ীয়ে পেট বিষাইছে বুলি বুঢ়াক ঠিকনা চাবলৈ পঠিয়াই দিলে। বুঢ়াই তেতিয়া লৰালৰিকৈ খৰিকটা বুঢ়াৰ ওচৰলৈ গ'ল। বুঢ়াই ঠিকনা চোৱাই লৰালৰিকৈ ঘৰলৈ উভতি অহাত ঘৰৰ দুৱাৰত উজুটি খাই পৰি মৰিল। ঠিক সেই সময়তে বুঢ়ীৰ এটি ল'ৰা জনম হ'ল। বুঢ়ীমাকে মাগি খুজি খুৱাই ল'ৰাটো পালন কৰিলে। পিতাক নোহোৱা কাৰণে ল'ৰাটোৰ নাম মাউৰা ৰাখিলে।

মাউৰাসুন্দৰ লহপহকৈ ডাঙৰ হৈ আহিবলৈ ধৰিলে। এদিনাখন মাউৰাই মাকক কলে, আই, আই! সকলোৱে হাল চহ কৰে, ময়ো হাল চহ কৰোঁ। মোক এহাল গৰু আৰু নাঙল যুৱঁলি আনি দে।" মাকে কলে, "নহয় বোপাই! তই এতিয়াই হাল চহ কৰিব নোৱাৰিবি। ডাঙৰ হৈ ল। ডাঙৰ হলে হাল চহ কৰি থাকিবি।" মাকৰ কথাত মাউৰাই মুৰ জোকাৰিলে। কৈঁকাই পৰি থাকিল। পিচত মাকে নিজৰ ভায়েকৰ পৰা লেবেং পেবেং হালোৱা গৰু এহাল, বুঢ়া নাঙল এটা, ভাঙি থোৱা যুঁৱলি এখন আনি দিলে। লেবেং পেবেং গৰুহালক সোণৰ বেজি সুমুৱাই

দি শকত লোদোৰ-পোদোৰ কৰিলে। নাঙল মুৰীলি নতুন হৈ পৰিল।

মাউৰাই বাৰ-বীৰগণক লগত লৈ ঢোল এটা কোবালে। যিমান দূৰলৈকে শব্দ শুনিলে সিমান দূৰলৈকে মাটিত খেতি কৰিলে। মাউৰাৰ ধানৰ খেতি বৰ সুন্দৰ হৈ আহিবলৈ ধৰিলে। চকা (টোকোৰা) পখীৰ ৰজাই চকাবোৰক লগত লৈ মাউৰাসুন্দৰৰ খেতিৰ ধান খাবলৈ আৰম্ভ কৰিলে। মাউৰাসুন্দৰে এদিনাখন খেতি চাবলৈ যোৱাত চকাবোৰক ধান খোৱা দেখা পালে। মাউৰাই দুখ-খিকাৰত কান্দি কান্দি গীত গাই ঘৰলৈ আহিল।

ঘৰলৈ আহি মাউৰাই সাতসাঙি দাখনেৰে মৰাপাটৰ জেংবোৰ কাটি সেই জেংবোৰ ধান খেতিৰ ওপৰত ছটিয়াই থৈ আহিল। সেই সাতসাঙি দাখনকে লগত লৈ নিজে পতা ফান্দ চাবলৈ পথাৰলৈ আহিল। মাউৰাক দেখা পাই সকলো চকাপখী উৰি গ'ল। কিন্তু চকাৰজা ফান্দত লাগি থাকিল। মাউৰাই নিজৰ খেতি খোৱাৰ বাবে প্ৰতিশোধ লবলৈ সাতসাঙি দাখনেৰে চকাৰজাক কাটিবলৈ উদ্যত হ'ল। তেতিয়া চকাৰজাই শপত দি কাটিবলৈ মানা কৰিলে। এৰি দিলে নিজৰ জীয়েকক মাউৰালৈ দিম বুলি কথা দিলে।

তেতিয়া মাউৰাসুন্দৰে চকাৰজাক নাকাটি এৰি দিলে আৰু চকাৰ নেজত সৰিয়হৰ টোপোলা বান্ধি দি টোপোলাটো অলপ ফুটাই দিলে। চকৰজা উৰি গ'ল, বাটে বাটে সৰিয়হ পৰি বৈ গ'ল। মাউৰাসুন্দৰ ঘৰলৈ আহিল।

পিচদিনা মাউৰাসুন্দৰে ভোক লাক, পিয়াহ লাক লগত লৈ মাকক সেৱা কৰি চকাৰজাৰ ঘৰলৈ যাবলৈ ওলাল। সৰিয়হ পৰি যোৱা চিন চাই জঙ্গল কাটি চকাৰজাৰ ঘৰ বিচাৰি ওলাল। সাতদিন সাতৰাতিৰ পিচত চকাৰজাৰ ঘৰ বিচাৰি পালেগৈ। মাউৰাসুন্দৰক দেখা পাই চকা-ৰজাই কলে, "অ আহিলা তুমি ডেকা, মোৰ ছোৱালী নিবলৈ? মোৰ ছোৱালী নিবলৈ হলে দুটা মাটিৰ চৰু আনিবা। তেতিয়াহে মোৰ ছোৱলী নিব পাৰিবা।" চকাৰজাৰ কথা শুনি মাউৰাসুন্দৰ ঘৰলৈ উভতি আহিল।

মাউৰাসুন্দৰে মাকৰপৰা মাটিৰ চৰু আৰু দখনা থাওছি দুখন লৈ চকাৰজাৰ ঘৰলৈ উভতি গ'ল। শহুৰেকে মাটিৰ চৰু দুটা আৰু কাপোৰ লৈ ঘৰৰ ভিতৰলৈ সোমাই গ'ল। মাটিৰ চৰুত ডিমা এটাকৈ দি নতুন চাদৰ কাপোৰেৰে মুখখন বান্ধি ভাৰ বান্ধি দিলে।

তাৰ পিচত জোঁৱায়েকক কলে, “লোঁৱা মোৰ দুজনীক ভাৰ কৰি লৈ যোৱা। সাৱধান, বাটত ক'তো খুলি নাচাবা। ঘৰ গৈ পোৱা মাত্ৰকে ভৰালত সুমুৱাই থৈ দিবা।” মাউৰাসুন্দৰে ভাৰ লৈ আহিল। চকাৰজাই বাটত কিয় মাটিৰ চকটো খুলি চাবলৈ মানা কৰিলে তাক জানিবৰ কাৰণে উদগ্ৰীৱ হৈ উঠিল। খুলি চাবলৈ ইচ্ছা হ'ল। বাটৰ মজিয়াত বহি লৈ চকৰ মুখ খুলিবলৈ ধৰিলে। মুখখন খোলা মাত্ৰকে চকৰ ভিতৰৰ পৰা পখী উৰি গ'ল। তেতিয়া মাউৰাসুন্দৰ আচৰিত হ'ল। নিজৰ ভুলৰ কাৰণে অনুতাপ কৰি চকাৰজাৰ ওচৰলৈ আকৌ উভতি গ'ল। বাটত নিজৰ কি গতি হ'ল তাক চকাৰজাক কলেগৈ। তেতিয়া চকৰজাই দুটাকৈ ডিমা চকত ভৰাই মাউৰাসুন্দৰক আকৌ দি পঠিয়ালে আৰু ক'লে “এতিয়া চোৱা যদি তাৰ দোষে মোক নাপায়।”

মাউৰাসুন্দৰে চক দুটা ভাৰ কৰি ঘৰলৈ লৈ আহিল। ঘৰ আহি পোৱা মাত্ৰকে ভৰালত চক দুটা থৈ দুৱাৰ জপাই দিলে। সাত দিন থাকি ভৰালৰ দুৱাৰ খুলি চোৱাত দুজনী সুন্দৰী গাভৰু দেখা পালে। তেতিয়া মাউৰাসুন্দৰ আনন্দত নাচি উঠিল। কথাটো মাকক ক'লে। মাকে দেখা মাত্ৰকে চকুত চাট মাৰি ধৰাত চিত হৈ পৰি গ'ল।

লৰালৰিকৈ বিয়াৰ যোগাৰ কৰি ডাঙৰ বিয়া পাতিলে। ঘৰৰ পৰা ওলোৱা সোমোৱাৰ কাৰণে পোঙ্কৰটা বাট কৰিলে। প্ৰত্যেক বাটত একো-ডাল গছ কই দিলে। গাহৰি খোৱাক গাহৰি, কুকুৰা চৰাই খোৱাক কুকুৰা চৰাই, বিধে বিধে মঙহ দিলে। মদ-ভাত দিলে। বিয়াৰ মানুহে হৈপাহ পলুৱাই খাই নাচি বাগি আনন্দ কৰিলে। সক মিহি তামোল, গোন্ধৰ চাচি পাণ, বগলীৰ গুৰ দৰে চূণ কিমান খাবা? মুনিহ. তিৰোতাই গা এৰি আনন্দ কৰিলে। হাঁহিলে।

চকাশ্ৰী লক্ষ্মীশ্ৰী গাভৰুক দেখা পাই সকলোৱে বখানিছে। খাই লৈ যি বাটেৰে ওলাই গৈছে সেই বাটেৰে বখানি গৈছে। মানুহবোৰে বখানি যোৱা কথাবোৰ পোঙ্কৰটা বাটৰ পোঙ্কৰডাল গছেও শুনিছে। সকলো ঠাইত চকাশ্ৰী-লক্ষ্মীশ্ৰীৰ খ্যাতি বিয়পি পৰিল।

সেই সময়ত সেই ঠাইত এজন দানেক নামৰ ৰজা আছিল। ৰজাই মানুহবোৰক কোৱা শুনিলে, “দানেক ৰজাৰ ৰাণী চকাশ্ৰী-লক্ষ্মীশ্ৰীৰ ৰূপ জ্ঞানৰ আগত একো নহয়।” ধন-সম্পত্তিবোৰো চকাশ্ৰী-লক্ষ্মীশ্ৰী অহাৰ পৰা দিনক দিনে মাউৰাসুন্দৰৰ বাঢ়ি আহিল। ৰজাই ভাবিলে, মোৰ ৰাজ্যত

কোন ইমান সুন্দৰী তিৰোতা আছিল, মোৰ ৰাণীতকৈয়ো ভাল ?" মন্ত্ৰীক মাতি কলে, "মন্ত্ৰী মোৰাচোন, চাই আহা।" চকাশ্ৰী-লক্ষ্মীশ্ৰীক চাই আহি-বলৈ পঠিয়াই দিলে। ৰজাৰ হুকুম লৈ মন্ত্ৰীয়ে চকাশ্ৰী-লক্ষ্মীশ্ৰীক চাবলৈ গ'ল।

মন্ত্ৰীয়ে সিহঁতৰ ৰূপ-লাৱণ্য দেখি মোহিত হ'ল। মন্ত্ৰীয়ে আহি ৰজাক কলে, ৰজাই কথাটো শুনি পেটে পেটে লাজ পালে। চকাশ্ৰী আৰু লক্ষ্মীশ্ৰীক পাবলৈ উপায় চিন্তা কৰিলে। ৰজাই মন্ত্ৰীক মাউৰাসুন্দৰৰ ওচৰলৈ পঠিয়াই দিলে। মন্ত্ৰীৰ আগত ৰজাই কৈ পঠিয়ালে, মাউৰাই কালি ৰাতিৰ ভিতৰতে তাৰ ঘৰৰ পৰা ৰজাৰ আগ দুৱাৰলৈ আলি বান্ধি আলিৰ দ'াতিত গছ কই গছত ফল ফলাব লাগিব। নহলে মাউৰা চকাশ্ৰী লক্ষ্মীশ্ৰীক পাবৰ উপযুক্ত নহয়। মন্ত্ৰীয়ে ৰজাৰ আদেশমতে মাউৰাসুন্দৰক আহি কলে।

কথাটো শুনি মাউৰাসুন্দৰে সেই কাম মই কৰিব নোৱাৰিম আৰু চকাশ্ৰী-লক্ষ্মীশ্ৰীক নাপাম বুলি ভাবিলে। তিৰোতা দুজনীক পিতাকৰ ঘৰলৈ পঠিয়াই দিলে। চকাশ্ৰী-লক্ষ্মীশ্ৰীয়ে পিতাকৰ ঘৰলৈ আহি পিতাকৰ আগত সকলো কথা বিবৰি কলে। পিতাকে সিহঁতক ঘুৰাই পঠিয়াই দি কলে, "জোঁৱাইক কবা, তোমালোকৰ নাম লৈ আলি বান্ধি গছ দিলে একেৰাতিৰ ভিতৰতে আলিও হ'ব গছত ফলো লাগিব।"

চকাশ্ৰী-লক্ষ্মীশ্ৰীয়ে ঘৰলৈ ঘুৰি আহি পিতাকে কৈ পঠিওৱা কথা গিৰিয়েকক কলেহি। তেতিয়া মাউৰাই চকাশ্ৰী-লক্ষ্মীশ্ৰীৰ নাম লৈ এৰাতিৰ ভিতৰতে আলি বান্ধি গছত ফল লাগিবলৈ দিলে। ৰজা হাৰিল।

এদিনাখন আকৌ ৰজাই মাউৰাসুন্দৰলৈ এখন চিঠি লিখি পঠিয়ালে। চিঠিত মাউৰাসুন্দৰে গাখীৰৰ বান কৰিব লাগিব বুলি হুকুমদি লিখা আছিল। নহলে মাউৰাই চকাশ্ৰী-লক্ষ্মীশ্ৰীক নাপাব। চিঠিখন পঢ়ি মাউৰাসুন্দৰ গভীৰ চিন্তাত পৰিল আৰু তিৰোতা দুজনী সিহঁতৰ ঘৰলৈ পঠিয়াই দিলে। সিহঁতে ঘৰত গৈ পিতাকক কথাটো ক'লে। পিতাকে তেতিয়া দুবনি বাৰীত পোত খাই থকা এজনী কপিলী গাইক পঠিয়াই দিলে। চকাশ্ৰী-লক্ষ্মীশ্ৰীৰ নাম লৈ গাখীৰ খীৰাবলৈ কৈ পঠিয়ালে।

চকাশ্ৰী-লক্ষ্মীশ্ৰীয়ে গাইজনী আনি গিৰিয়েকক ক'লে, "আমাৰ নাম লৈ গাখীৰ খীৰালেই গাখীৰৰ বান হ'ব।" মাউৰাই সেইমতে কৰিলে। গাইজনীৰ বাটৰপৰা ইমান গাখীৰ ওলাল যে, সেই গাখীৰেই বানপানীৰ

দৰে ওপচাই দিলে। ৰজাৰ ৰাজকাৰেং তল গ'ল। হাঁহ, কুকুৰা, গৰু ছাগলী উটি গ'ল। এইবাৰো ৰজাৰ পৰাজয় হ'ল।

তাৰ পিচত ৰজাই মাউৰাসুন্দৰক যুদ্ধৰ বাবে মাতি পঠিয়ালে। মাউৰাসুন্দৰে এই খবৰ পাই তিৰোতা দুজনীক পিতাকৰ ঘৰলৈ পঠিয়াই দিলে। চকাৰজাই জীয়েক দুজনীৰ পৰা খবৰ পাই এটা মাদল দি ঘূৰাই পঠিয়ালে। কলে, "এই মাদল বজাই দিলেই শত্ৰুৰ সেনা মৰিব।" চকাশ্ৰী লক্ষ্মীশ্ৰীয়ে মাদলটো আনি গিৰিয়েকক দিলেহি আৰু পিতাকে কৈ পঠিওৱা কথাটো গিৰিয়েকক কলে।

দানেক ৰজাই চিপাহী চন্তৰী আৰু প্ৰজাসকলক লগত লৈ যুদ্ধ কৰিবৰ কাৰণে যুদ্ধৰ পথাৰলৈ আহিল। মাউৰাসুন্দৰেও মাদল লৈ যুদ্ধৰ পথাৰলৈ গ'ল। লগত চকাশ্ৰী-লক্ষ্মীশ্ৰীও গ'ল। প্ৰজাসকলক দেখা পাই মাউৰাসুন্দৰে কলে, "অ' পিতাসকল ভাইসকল! তোমালোক চাৰিহাত ডভীয়াৰ পুতেক, পাঁচহাত ডভীয়াৰ পুতেকইত আহিছা। তেমোলোকতো মোৰ শত্ৰু নহয়। কিয় মৰিবলৈ ইয়ালৈ আহিছা? ভাইসকল! তোমালোক ঘৰলৈ ঘূৰি যোৱা।" ইমান বুজনি দিয়াৰ পিছতো সিহঁত ঘূৰি নগ'ল। অৱশেষত যুদ্ধ হ'ল। যুদ্ধত মাউৰাসুন্দৰে যিফালে মাদল বজাই দিয়ে, সেইফালে দানেক ৰজাৰ সৈন্যবোৰ পিপৰা মৰাদি মৰে। দানেকৰজা মৰিল, ৰজাৰ চকু কাঢ়ি লোৱা হ'ল। পিচত দানেক ৰজাৰ ৰাজ সিংহাসনত মাউৰাসুন্দৰে বহি ৰজা হৈ সুখেৰে ৰাজ্য শাসন কৰিলে।

বেলমুঠি গাভৰু

এজন ৰজাৰ সাতজন পুত্ৰেক আছিল। ছয়জনৰ বিয়া হ'ল। সৰু-জনৰ বিয়া হোৱা নাই। এওঁ বোৱেকৰ ভাত-আঞ্জা ৰন্ধা মুঠেই সোৱাদ নাপাইছিল। বোৱেকহঁতে তেতিয়া বেলমুঠিক আনিবলৈ কলে। বেলমুঠিয়ে সকলোতকৈ সোৱাদ লগা আঞ্জা ৰান্ধিব পাৰিছিল।

সৰুকোঁৱৰে তাইক আনিবলৈ এদিনাখন ওলাই গ'ল। যাওঁতে হাবিত এজন সাধু লগ পালে। সাধুৱে কৈ পঠিয়ালে—সৌ নদীত বেলমুঠিয়ে গা ধুবলৈ আহে। নদী বৰ দ। সোণৰ টেমাত সোমাই আহে। তাক লৈ মোৰ ওচৰলৈ ঘূৰি আহিবা। ৰাজকোঁৱৰে নদী পাৰ হৈ পাৰত লুকাই থাকিল গৈ। বালি মাটি গাঁত কৰি তাতেই লুকাই থাকে। তেতিয়া জাকক জাকে গাভৰু স্বৰ্গৰ পৰা নামি আহিবলৈ ধৰিলে।

বেলমুঠিক পাল্‌কিৰ ভিতৰত সোণৰ টেমাত লৈ আহে। পাল্কি থৈ দুৱাৰ মেলি দিয়াত সোণৰ টেমাৰ পৰা বেলমুঠি ওলাই আহে। লগৰীয়া-হঁতে দূৰত গা ধোৱে। বেলমুঠিয়ে গা ধুই আকৌ সোণৰ টেমাত সোমোৱা মাত্ৰকে ৰাজকোঁৱৰে খৰখৰকৈ টেমাটো লৈ নদী পাৰ হৈ আহে। দৌৰি থাকে কিন্তু সাধুৰ তালৈ যাবলৈ বাট হেৰুৱায়।

স্বৰ্গৰপৰা দেৱতাসকলে ৰাজকোঁৱৰক পালক পালে খেদে। ৰাজকুমাৰে দৌৰি দৌৰি এজন সাধুৰ ঘৰত সোমালগৈ। সাধুৱে মেকুৰী কৰি দিলে। দেৱতাসকলে নাপাই গুচি যায়। সাধুৱে কুমাৰক এডাল লাঠিৰে বেলমুঠিক সন্ধাব খোজে। যিহকে মাৰিবলৈ দিয়ে লাঠিয়ে তাকেই মাৰে। কোঁৱৰে বেল-মুঠিক নাই বুলি ঠগায়। পিচত সাধুৰ লাঠিৰে ৰাজকুমাৰে সাধুক মাৰে। পিচত আৰু এজন সাধুৱে বেলমুঠিক মোনাৰ লগত সন্ধাব খোজে। মোনা-খন মেলি দিলে যিহকে খোজে তাকে ওচৰত পায়। তাৰ পিচত ৰাজ-

কুমাৰে বেলমুঠিক টেমাত লৈ যায়। নগৰৰ ওচৰ গৈ পালত গছৰ ছায়াত বেলমুঠিক চাবলৈ টেমাটো খোলে। চকুত জিলিক মাৰি ধৰাত ৰাজকোঁৱৰ অচেতন হৈ পৰে।

বেলমুঠিয়ে ৰাজকোঁৱৰৰ মুখত পানী ঢালিবলৈ কুঁৱাৰপৰা পানী তুলিলে। কিন্তু এক ৰাক্ষসৰ জীয়েকে তাইক কুঁৱাত পেলাই দি নিজে পানী তুলি আনি ৰাজকোঁৱৰৰ মুখত ঢালি দিয়ে। ৰাজকোঁৱৰ সুস্থিৰ হৈ তাইকে বেলমুঠি বুলি ভাবি ঘৰলৈ লৈ যায়।

এদিনাখন ফুৰিবলৈ যোৱাত ৰাজকোঁৱৰৰ পিয়াহ লাগিল। তেওঁ কুঁৱাত পানী তুলিবলৈ গৈ পানীত ফুল দেখা পালে। তিৰোতাই পানী তুলিলে ফুল-পাহি উঠি নাহে। ৰাজকোঁৱৰে পানী তুলিলে টেকেলিত উঠি আহে। ফুলটো কোঁৱৰে ঘৰলৈ আনে। ৰাক্ষস ঘৈণীয়েকে ভৰিৰে মোহাৰি পেলাই দিলে। তাৰ পৰাই বেলগছ এজোপা গজে। ঘৈণীয়েকে গছডাল কাটি ডাল কাটি পেলায়। এটা বেলফল ধোবা বুঢ়ীয়ে লৈ যায়। ফলটোৰপৰা ছোৱালী এজনী হয়। ৰাজকোঁৱৰে সেইফালে ঘোঁৰা চেকুৰায়। ঘৰৰ ভিতৰৰ পৰা ছোৱালীজনীয়ে নানা প্ৰকাৰে গালি দিয়ে। ৰাজকোঁৱৰে চিপাহীক হাবিলৈ নি তাইক কাটিবলৈ হুকুম দিয়ে। সিহঁতে লৈ গৈ কাটে। চিপাহীৰ দাৰ আগ মাটিত সোমাই তাতেই পুখুৰী এটা হয়।

সেই পুখুৰীত ছোৱালীজনীৰ তেজে পদ্মফুল হৈ থাকে। ৰাজকোঁৱৰ চিকাৰলৈ যায়। অকলে আহিবৰ বেলিকা পুখুৰী দেখা পায়। পানী খাবলৈ সোমালে পুখুৰীৰ পৰা কয়,—"স্বামী, গছৰ ওপৰত শগুন বুঢ়া-বুঢ়ী আছে। সিহঁতক সাধুকথা কবলৈ কওক।" বুঢ়া-বুঢ়ী শগুন দুটাই সাধুকথা কয়। শুৰিৰপৰা পুখুৰী হোৱালৈকে সাধুকথা কোৱাত ৰাজকোঁৱৰে নিজৰ সকলো ঘটনা জানিব পাৰে। তাৰ পিচত ৰাজকোঁৱৰে পানীত জাপমাৰি প্ৰথমতে যি পাহকে হাতেৰে চুই পাইছে সেই পাহকে আনিলে। সেয়ে বেলমুঠি হ'ল। ৰাজকোঁৱৰে ৰাক্ষস ঘৈণীয়েকক কাটিলে। পিচত দুয়ো ৰমক জমককৈ সংসাৰ পাতি থাকিল।

চাৰিজন ভাই-ককাইৰ সাধু

এজন ৰজাৰ চাৰিজন পুতেক আছিল। ৰজাৰ নগৰৰ ওচৰত এজন দুখীয়া মানুহ আছিল। তেওঁৰ এজনী জীয়েক আছিল। জীয়েকজনী দেখিবলৈ বৰ ধুনীয়া। মুখ চালে তৰাবনৰ পাতৰ দৰে, নাক চালে থোৰা কাগজিৰ কাঁইটৰ দৰে জোঙা, চকু চালে তাম বৰণীয়া পাৰৰ চকুৰ দৰে, বুকু চালে পদুমফুলৰ দৰে, হাতৰ বাহু চালে কলবডিলৰ দৰে, কঁকাল চালে টোকা দিয়া পিপৰাৰ দৰে, ভৰি চালে বাঁহৰ গাঁজৰ দৰে, দাঁত চালে সৰু সৰু এৰী পলুৰ পোকাৰ দৰে দেখি। কমলা ৰঙৰ দখ্‌না পিন্ধি, ৰঙা ৰঙচুৰা সুৰুযৰ কোমল কিৰণত কেনে ৰূপহী দেখিবলৈ পোৱা যায়।

সেই গাভৰুজনীত ভাই-ককাই চাৰিজনৰে মন থালে। পিতাক ৰজাই দুখীয়াৰ জীয়েক বুলি সেই ছোৱালীজনীক পচন্দ কৰা নাছিল। ইফালে কিন্তু চাৰিজন পুতেকে সেই ছোৱালীজনীকে পাবলৈ হাবিয়াস কৰিছিল। ৰজাই নিজে পচন্দ নকৰাৰ কাৰণে পুতেকহঁতে যাতে সেই ছোৱালীজনী বিয়া কৰাবলৈ নাপায় তাৰ ব্যৱস্থা কৰিবলৈ বুদ্ধি পাঙিলে।

ৰজাই পুতেকহঁতক কলে, "মই তোমালোকক পৰীক্ষা কৰি চাম। যিয়ে পৰীক্ষাত উত্তীৰ্ণ হব পাৰিব সেয়ে ছোৱালীজনী বিয়া কৰিব পাৰিব। যোৱা, তোমালোক প্ৰতিজনে মোক এনে এবিধ বস্তু আনি দিয়া যাক মই কেতিয়াও দেখা নাই।" তেতিয়া চাৰিজন ভাই-ককাইয়ে চাৰিওফালে পিতাকে নেদেখা নজনা বস্তু বিচাৰি গ'ল।

ডাঙৰ ককায়েকজনে পৈ পৈ তিনিমূৰীয়া বুঢ়া এজন লগ পালে। তেতিয়া বুঢ়াক সুধিলে, "বুঢ়া, বুঢ়া, মই তোমাৰ ইয়াত এটা বস্তু পাম জানো?"

বুঢ়াই ওলোটাই সুধিলে, "কি বস্তু সেইটো ?" ৰাজকুমাৰে কলে, "মোক পিতাই নেদেখা নুশুনা বস্তু লাগে।" তেতিয়া বুঢ়াই এহাত পৰিমাণৰ সৰু গালিচা এখন আনি দিলেহি। এডোখৰ গালিচা উলিয়াই দিয়া দেখা পাই ৰাজকুমাৰৰ পেটে পেটে খং উঠিল আৰু কলে, "ধেৎ বুঢ়া। তাতকৈ বহল আৰু ধুনীয়া গালিচা আমাৰ তাত আছে। ইয়াৰে কি কৰিম মই ?"

গালিচাখন মাটিত পাৰি দেখুৱাই বুঢ়াই কলে, "বহাচোন ইয়াত।" ৰাজকুমাৰ বহিল আৰু দেখিলে যে, তাত আৰু এজন বহিবপৰা ঠাই বেছি হৈ আছে। তেনেকৈয়ে যিমান মানুহ বহিব সিমান মানুহ বহিও আৰু এজন বহিব পৰা ঠাই গালিচাখনত বেছি হৈ থাকিব বুলি বুঢ়াই ৰাজকুমাৰক কলে। তেতিয়া ৰাজকুমাৰে গালিচাখন ললে। চাৰিজন ভাই-ককাইয়ে ঘূৰি যাবৰ সময়ত এঠাইত গোট খাবলৈ নিৰ্দ্দিষ্ট ঠাই ঠিক কৰা আছিল। ডাঙৰ জন আহি তাতেই গালিচাখন পাৰি বহি থাকিলহি।

ডাঙৰজনৰ পিচৰজনেও ঘূৰি ঘূৰি বুঢ়াৰ ঘৰ পালেহি। বুঢ়াক দেখা পাই কলে, "মোক এটা বস্তু দিব পাৰিবানেকি ? বুঢ়াই কলে, "কি বস্তু ?" ৰাজকুমাৰে কলে, "মোক পিতাই নেদেখা নজনা বস্তু লাগে।" তেনেকৈ কোৱাত বুঢ়াই ময়ূৰৰ পাখি এডাল দিলেহি। পাখিটো দেখি ৰাজকুমাৰে বুঢ়াক কলে, "ধেৎ মূৰ্খ বুঢ়া! এই বস্তুটো পিতাই নেদেখা হব পাৰে নেকি ? তেনেকুৱা আমাৰ তাত কিমান আছে। ইয়াকতো মই বিচৰা নাই। মোক লাগে পিতাই নেদেখা বস্তু। এইটো মোক নালাগে।"

বুঢ়াই কলে, তেতিয়াহলে ল'ৰা, কোৱাচোন, তুমি কলৈ যাবলৈ ইচ্ছা কৰিছা ?" ৰাজকুমাৰে কলে, "মই মায়নাগিৰি পৰ্ব্বতলৈ গৈ আহিব খুজিছোঁ।" বুঢ়াই তেতিয়া ৰাজকুমাৰক পাখিৰ ওপৰত বহিবলৈ কলে, ৰাজকুমাৰ পাখিৰ ওপৰত বহিল। পাখিয়ে তাক লৈ মায়নাগিৰি পৰ্ব্বতলৈ বিং বিং বিংকৈ পবন বেগেৰে উৰি গ'ল। অলপ পিচতে পুনৰ সেই ঠাইলৈ ঘূৰি আহিল। তেতিয়া ৰাজকুমাৰে পাখিটো লৈ ডাঙৰ ককায়েকজন বহা ঠাইলৈ উভতিল।

তাতকৈ তলতীয়াজনেও বস্তু বিচাৰি বিচাৰি সেই বুঢ়াৰ ঘৰ পালেগৈ। তেওঁও বুঢ়াক ককায়েকে সোধাৰ নিচিনাকৈ সুধিলে। বুঢ়াই তেওঁক আয়না এখন আনি দিলে। আয়নাখন দেখি ৰাজকুমাৰে কলে, "এনেকুৱা আয়না আমাৰ

তাত বহুত আছে। ইয়াৰে মই কি কৰিম ? তেতিয়া বুঢ়াই কলে, "এনে-কুৱা আয়না তুমিও দেখা নাই। তোমাৰ পিতাৰাইও দেখা নাই। মিছা পাইছা যদি চোৱাহোন তুমি কি দেখা পোৱা এই আয়নাখনত ? ৰাজ-কুমাৰে আয়নাত চালে আৰু তাত সিহঁতৰ নগৰখন দেখা পালে আৰু সেই গাভৰুৰ ঘৰখনো দেখা পালে। তেতিয়া ৰাজকুমাৰ ককায়েকহঁতে বৈ থকা ঠাইলৈ আহিল।

সকলোতকৈ নুমলীয়া ভায়েকজনে বস্তু বিচাৰি বিচাৰি নাপাই ভাতৰ ভোকত, পানীৰ পিয়াহত লালকাল হৈ গাভৰুৰ আশা এৰি দি ঘৰৰ ফালে আহিবলৈ ধৰিলে। ঘৰলৈ ঘূৰি আহিবৰ সময়ত বাটতে সেই বুঢ়াক লগ পালে। তেতিয়া সিয়ো ককাইয়েকহঁতে সোধাৰ নিচিনাকৈ বুঢ়াক সুধিলে। বুঢ়াই তাক খিলাৰ গুটি এটা আনি দিলে। সিয়ো সেইটো দেখা পাই কলে, "ইয়াক মোক নালাগে বুঢ়া। ইয়াকনো কিয় লাগে মোক ?" বুঢ়াই কলে, "হাতত লৈ চোৱাচোন, ধৰা। ইয়াৰ বাহিৰে মোৰ অইন বস্তু নাই।" ৰাজকুমাৰে খিলাৰ গুটিটো হাতত ললে। ঠিক সেই সময়তে মৰাশ এটা চাঙত কঢ়িয়াই আনিছিল।

তেতিয়া বুঢ়াই কলে, "যোৱাচোন, এই খিলাৰ গুটিটো মৰাশৰ নাকত দি শুঙিবলৈ দিয়াগে।" তেতিয়া ৰাজকুমাৰে শুঙিবলৈ দিয়াত মৰাশ জী উঠিল। "আহা কি আচৰিত বস্তু পালো মই। পিতাই নিশ্চয় এই বস্তুটো দেখা পোৱা নাই। এতিয়া সেই গাভৰুজনী নিশ্চয় পাম," সেইদৰে ভাবি খিলাৰ গুটিটো চোলাৰ জেপত ভৰাই লৈ ৰংমনেৰে ককায়েকহঁত থকা ঠাইলৈ আহিল। সকলোৱে লগ হোৱাৰ পিচত নিজে নিজে পাই অহা বস্তু বিলাক দেখুৱালে।

ইফালে ৰজাই কি কৰিছে। যাদু মন্ত্ৰেৰে পুতেকহঁতে ভালপোৱা ছোৱালীজনীক মাৰি পেলালে। মৰাৰ পিচত মৰাশ শ্মশানলৈ নিবলৈ ধৰিলে। ঠিক সেই সময়তে সিহঁতে আয়নাৰে সিহঁতৰ ঘৰ আৰু সেই ছোৱালীজনীৰ ঘৰ চাই পঠিয়াইছিল। চোৱাত দেখিলে যে, সিহঁতে ভালপোৱা ছোৱালী-জনী চাঙত বান্ধি শ্মশানলৈ নিবলৈ ধৰিছে। তাকে দেখি এজনে পাখিটো পাৰিলে আৰু এজনে তাৰ ওপৰত গালিচাখন পাৰিলে। তাৰ ওপৰত চাৰিজনে বহি বিং বিং বিংকৈ উৰি গ'ল।

শ্মশানত কাম কৰিবলৈ থৰি জাপি দিয়াৰ সময়ত সিহঁত গৈ পালে। গৈ পোৱা মাত্ৰকে সৰু ভায়েকে খিলাৰ গুটিটো মৰাশৰ নাকত লগাই দিলে।

তেতিয়া মৰাশ জী উঠিল। এই কাণ্ড দেখা পাই সকলো আচৰিত হ'ল। পিচত ছোৱালীজনী লৈ সিঁহত ঘৰলৈ গ'ল। ঘৰত সিঁহতক দেখা পাই ৰজাও আচৰিত হ'ল। পিচত চাৰিও পুতেকে নিজৰ নিজৰ বস্তুবোৰ ৰজাক দেখুৱালে। ৰজাই নিজে কোৱাৰ দৰে প্ৰত্যেকে একোটাকৈ বস্তু অনাৰ কাৰণে পুতেকহঁতক ছোৱালীজনী দিবলগীয়া হ'ল। তাৰ পিচত চাৰিওজন ভাই-ককাইয়ে মহা সুখেৰে কাল যাপন কৰিলে।

মাল পেটুলাৰ সাধু

এজন বুঢ়া ওজা আছিল। প্ৰতি দিনে আনৰ ঘৰে ঘৰে জাপ দি মদ খাই তাৰ দিন পাৰ হৈছিল। তাৰ এজন ল'ৰা আছিল। তাৰ নাম মাল পেটুলা। বুঢ়া-বুঢ়ীৰ একেটি মাত্ৰ সন্তান কাৰণে মাল পেটুলাক বৰ মৰম কৰিছিল। মাগি খুজি খুৱাইছিল। মাল পেটুলাৰ জনম হোৱা দিনা এটা কুকুৰো উপজিছিল। মাল পেটুলা আৰু কুকুৰ সমানে সমানে দুয়ো ডাঙৰ হৈ আহিল। দুয়ো খেল-ধেমালি কৰি ডাঙৰ হোৱাৰ কাৰণে মাল পেটুলা যলৈকে যায় তালৈকে কুকুৰো গৈছিল। বুঢ়া-বুঢ়ীয়ে গাওঁ ঘূৰি ঘূৰি জ'পিয়াই ফুৰে। মাল পেটুলাই কুকুৰ আৰু গাঁৱৰ ল'ৰাবিলাকৰ লগত খেল-ধেমালি কৰি দিন নিয়ায়।

এদিনাখন গাঁৱৰ মানুহবিলাক ৰাতিপুৱা দলে দলে মাছ মাৰিবলৈ ওলাই গ'ল। মাল পেটুলাই মাকক কলে, "আই, আই, গাঁৱৰ মানুহ-বিলাকৰ লগত মাছ মাৰিবলৈ যাবলৈ মোকো পল এটা আনি দিয়া।" মাকে কলে, "পিতাই ঐ, তই ইমান সৰু। তই মাছ মাৰিব পাৰিবি জানো? নালাগে পিতাই যাবলৈ।" মাল পেটুলাই নেৰানেপেৰাকৈ খুজিলে। মাকে ভঁৰালৰ কাঠিৰপৰা ভগা পল এটা দিলে। মাল পেটুলাই সেই পল-টোকে লৈ মানুহবিলাকৰ লগত মাছ মাৰিবলৈ গ'ল।

মানুহবিলাকে বৌ, বৰালি আদি কঢ়িয়াব নোৱৰাকৈ মাছ পালে। মাল পেটুলাই পলত এটাও মাছ পেলাব নোৱাৰিলে। পিচত সকলোৱে যাওঁ বুলি পাবলৈ উঠিলত সিও শেষবাৰৰ কাৰণে এচাৰ মাৰি চালে। তেতিয়া খিলাৰ গুটি এটা আৰু ভগা পলৰ কাঠিত এটা বামি মাছ লাগি আছিল। খিলাৰ গুটি আৰু বামি মাছটো লৈ ঘৰলৈ বুলি মালপেটুলা আহিল।

ঘৰ আহি পাই মাল পেটুলাই মাক আৰু পিতাকক দেখা নেপাই

ঘিলাৰ গুটি আৰু বামি মাছটো শোকোতাৰ খাওত সুমুৱাই থলে। নিজে ওলাই গল্প খেলিবলৈ। পিচত বেলি যাৰ পৰত মাক পিতাক আহিল। নিজেও আহি খাই বৈ শুই থাকিল। বামি মাছ আৰু ঘিলাৰ গুটিটোৰ কথা মাক পিতাকক কবলৈ পাহৰিলে। তেনেকৈয়ে বহুত দিন পাৰ হৈ গ'ল।

ৰাতি পুৱালেই বুঢ়া-বুঢ়ী দুয়ো গাঁও ফুৰিবলৈ যায়গৈ। মাল পেটুলাও লগত কুকুৰ লৈ দিনটো খেলিবলৈ যায়। সিহঁতৰ ঘৰৰ বেৰা উৰুলি গ'ল! সাৰেঁাতা নাই, মচি দিওঁতা নাই। জেং জাবৰ আবৰ্জনাবোৰ চৌপাশে পৰি থাকে।

বুঢ়া-বুঢ়ীয়ে ঘৰলৈ আহি এদিনাখন দেখা পালে কোনোবাই ঘৰ-দুৱাৰ চোতাল আদি অলপো ময়লা নোহোৱাকৈ সাৰি পৰিষ্কাৰ কৰি থৈছে। কোনে এইদৰে পৰিষ্কাৰ কৰি থৈ দিছে এই কথা লৈ বুঢ়া-বুঢ়ী দুয়ো আলোচনা কৰিবলৈ ধৰিলে। সিহঁত নোহোৱাত আনদিনাখনো সেইদৰে পৰিষ্কাৰ কৰি সাৰি থোৱা দেখা পালেহি। বুঢ়াই বুঢ়ীক কলে, "বুঢ়ী! কালিলৈ মই দুৱাৰৰ আঁৰত লুকাই থাকিম। তই দুৱাৰখন জপাই আন ঠাইত ফুৰিবিগৈ। কোনে এইদৰে কাম কৰি থয় তাক নিশ্চয় চাম মই।"

পিচদিনা বুঢ়াক দুৱাৰৰ আঁৰত থৈ বুঢ়ী আন ঠাইলৈ গ'ল।

মাল পেটুলাও লগৰীয়াৰ লগত খেলিবলৈ গ'ল। বুঢ়া ঘৰৰ ভিতৰত দুৱাৰৰ পিছফালে মনে মনে বহি থাকিল। কোনো নোহোৱা দেখি শোকোতাৰ খাওৰ পৰা দুজনী গাভৰু ওলাই আহিল। বুঢ়াই দুৱাৰৰ ফুটাৰ পৰা চাই পঠিয়ালে। চকুত চাট মাৰি ধৰা জ্যোতিৰে সুন্দৰী গাভৰু দুজনী দেখা পাই বুঢ়াই আচৰিত ভাবিলে।

সিহঁত দুয়োজনীয়ে ঘৰ-চোতাল সাৰিবলৈ বাঢ়নী লব খোজেঁাতে বুঢ়াই লৰালৰিকৈ ঘৰৰ ভিতৰৰপৰা ওলাই আহি হাতত খাপ মাৰি ধৰি কলে, "তোমালোক কোন আইসকল? ইমান ৰূপহী তোমালোক। কিয় তোমালোকে মোৰ ঘৰ সদায় সাৰি থোৱা?" তেতিয়া এজনীয়ে কলে, "মই গিলাশ্ৰী, তোমাৰেই বোৱাৰী হওঁ।" আনজনীয়ে কলে, "মই বামিশ্ৰী, তোমাৰেই বোৱাৰী হওঁ।" তেতিয়া বুঢ়াই কলে, "আহা, এয়াহেনে তোমালোক আইসকল!" বুঢ়াই আনন্দ পালে। পিচত বুঢ়াই বুঢ়ী আহিলত কথাটো কলে। তেতিয়া মাল পেটুলাৰ গিলাশ্ৰী আৰু বামিশ্ৰীৰ লগত বিয়া হ'ল। আটায়ে বৰ আনন্দেৰে সংসাৰ যাপন কৰিলে।

সেই সময়তে এজন সদাগৰৰ ব্ৰহ্মপুত্ৰত নাও বুৰিল। সপোনত কোনোবাই কলে, তেওঁৰ নাওখন বামিত্ৰী গিলাত্ৰী নহলে কোনেও তুলিব নোৱাৰে। সেইকাৰণে সদাগৰে বামিত্ৰী আৰু গিলাত্ৰীক বিচাৰি গ'ল। বিচাৰি বিচাৰি মাল পেটুলাৰ ঘৰ পালেগৈ। "উঃ ৰাম" বুলি হুমুনিয়া কাঢ়ি মাল পেটুলাৰ চোতালৰ মজিয়াত থিয় দিলেগৈ। মাল পেটুলাই সদা-গৰক বহিবলৈ দি সুধিলে, "ক'ৰ পিতা তুমি? কিয় আহিলা?" সদাগৰে কলে, "মই দূৰৰ মানুহ বোপাই! মোৰ এটা বিপদ হৈছে।" মাল পেটুলাই সুধিলে, "কি বিপদ হৈছে?" সদাগৰে কলে, "এই বিপদৰ বেলিকা উদ্ধাৰ কৰিম বুলি কলে মই বিপদৰ কথা তোমাক কব পাৰোঁ। নহলে মই ঘূৰি যাব লগীয়া হলোঁ।"

মাল পেটুলাই ভাবিলে, মানুহক নিদান আপদত সহায় কৰিব লগে। নহলে পাপ হয়। তেনেকৈ ভাবি কলে, "বাৰু মই তোমাক কি লাগে দি পঠিয়াই সহায় কৰিম।" তেতিয়া সদাগৰে কলে, "ব্ৰহ্মপুত্ৰত মোৰ নাও বুৰিছে। সপোনত এজন মানুহে মোক কৈছে যে, বামিত্ৰী আৰু গিলাত্ৰী নহলে আন কোনেও নাওখন তুলিব নোৱাৰিব। সেইকাৰণে মই গিলাত্ৰী আৰু বামিত্ৰীক নিবলৈ আহিছোঁ।"

মাল পেটুলাই অলপ ভাবি চাই বামিত্ৰী আৰু গিলাত্ৰীক সদাগৰৰ লগত যাবলৈ কলে। গিলাত্ৰী আৰু বামিত্ৰীয়ে কলে, "স্বামী! আমি যাব নোৱাৰিম। আজি ৰাতি বৰ বেয়া সপোন দেখা পাইছোঁ। আপুনি আমাক এই কামত নপঠিয়ালে ভাল হয়।" মাল পেটুলাই জোৰকৈ পঠিয়াই দিয়াত দুয়োজনীয়ে গিৰিয়েকক সেৱা কৰি কান্দি কান্দি গ'ল। নদী পৈ পোৱাত দুয়োজনীয়ে নাৱৰ টিঙত বহি দিয়া মাত্ৰকে নাও ওপৰলৈ ওপঙি উঠিল। পিচত সদাগৰে গিলাত্ৰী আৰু বামিত্ৰী দুয়োজনীকে নাৱত উঠাই লৈ গ'ল। বহুত দূৰৈত নি এক নাৱৰ জোখাৰে টকা লৈ তাইহঁতক এজন ৰজাক বিক্ৰী কৰি দিলে। সিহঁত দুয়োজনীক ৰজাই নিজৰ মহলত থৈ দিলে।

ইফালে বেলি মাৰ গলতো গিলাত্ৰী-বামিত্ৰী ঘৰ আহি নোপোৱা দেখি মাল পেটুলাৰ চিন্তা লাগিল। পিচত কোনো আহি নোপোৱাৰ কাৰণে মাল পেটুলাই নিজৰ লগৰীয়া কুকুৰক লৈ নাও বুৰা ঠাইলৈ বিচাৰি গ'ল। নাও বুৰা ঠাইত কাকো দেখা নাপালে। তেতিয়া মাল পেটুলাই কুকুৰক লগত লৈ নদীৰ পাৰে পাৰে গিলাত্ৰী আৰু বামিত্ৰীক

বিচাৰি গ'ল।

এনেকৈ মাল পেট্‌লাই বহুত দূৰলৈ বিচাৰি যোৱাত নদীৰ সিপাৰে এখন নগৰ দেখা পালে। গিলাগ্ৰী আৰু বামিগ্ৰী তাতেই আছে বুলি ঠাৱৰ কৰিলে। খেৰৰ শোটা এটা বান্ধি নিজে এটা বেজি হৈ সেই খেৰৰ শোটাত সোমাই নদী পাৰ হবলৈ পানীত ওপঙি উঠিল। কুকুৰেও লগে লগে সাঁতুৰিলে। সিপাৰে পাৰ চাপিবৰ সময়ত বৰালি মাছে খেৰৰ সোতাটো গিলি পেলালে। কুকুৰে কোনোমতে পাৰত উঠি ৰজাৰ চুৰনিত ঘূৰি ফুৰিবলৈ ধৰিলেগৈ।

চোতাল আৰু ঘৰৰ মজিয়াত ঘূৰি ফুৰাত গিলাগ্ৰী আৰু বামিগ্ৰীয়ে কুকুৰক দেখা পালে। কুকুৰটো দেখি সন্দেহ উপজিল। পিচত ওচৰলৈ গৈ দেখে যে, সিহঁতৰেই কুকুৰ হয়। কুকুৰেও সিহঁতক দেখা পাই আথে-বেথে কেংকেঙাবলৈ ধৰিলে। সিহঁতৰ দখ্‌নাৰ আঁচলত কামুৰি টানিবলৈ ধৰিলে। তেতিয়া সিহঁতে নিশ্চয় স্বামীৰ কিবা হৈছে বুলি কুকুৰৰ পিচে পিচে গ'ল। কুকুৰে সিহঁতক নদীৰ পাৰলৈ নি পানীৰ তলতথকা মাছবোৰ কামুৰিব খুজিলে। সিহঁতে বুজিলে গিৰিয়েকক মাছে গিলিছে। দুয়োজনী ঘোৰ চিন্তিত হ'ল। কেনেকৈ মাছবোৰ ধৰিব পাৰি তাৰে উপায় বিচাৰিলে।

ৰাজ কাৰেঙলৈ গ'ল। ৰজা নাছিল, ৰজা আহিলত সিহঁত দুয়োজনীয়ে ৰজাক কলে, "মহাৰাজ! আপুনি বিয়া কৰিবলৈ হলে, এই ব্ৰহ্মপুত্ৰ নদীত যিমান মাছ আছে, সেই আটাইবোৰ ধৰি পাৰলৈ আনি আমাক দেখুৱাওক, আমি মাছ চাবলৈ হেঁপাহ কৰিছোঁ। ৰজাই কলে, "সুন্দৰীহঁত নিশ্চয় দেখুৱাব পাৰিম মই।" এইবুলি নিজৰ যিমান চিপাহী-চন্তৰী আছে সকলোকে ব্ৰহ্মপুত্ৰ নদীত মাছ মাৰিবলৈ পাচিলে।

ৰজাৰ আদেশমতে সিহঁতে জালবেৰি মাছ ধৰিলে। নদীৰ সৰু ডাঙৰ আটাইবোৰ মাছ ধৰি পাৰত তুলিলে। গিলাগ্ৰী বামিগ্ৰী মাছ চাবলৈ আহিল। সেইসময়ত ওচৰত কাকো থাকিবলৈ দিয়া নাছিল। গিলাগ্ৰী বামিগ্ৰীয়ে এটা এটাকৈ মাছবোৰ চালে। এটা বৰালিৰ বৰ ডাঙৰ পেট দেখা পালে। গিৰিয়েকক সেই মাছেই গিলিছে বুলি ঠাৱৰ কৰি পেট ফালি দিলে। পেটৰ ভিতৰত সঁচাকৈয়ে খেৰৰ শোটাটো পালে। পিচত বৰালি মাছৰ পেট চিলাই কৰি আকৌ পানীত এৰি দিলে, (আজিও কিছু অঞ্চলৰ বৰো-কছাৰীসকলে ভাবে, বৰালি মাছৰ পেটত সেয়ে আজিও চিন হৈ ৰ'ল।)

খেৰৰ শোটা খুলি তাৰ ভিতৰৰপৰা বেজিটো উলিয়ালে। গিলাগ্ৰী

বামিশ্ৰীয়ে সেই বেজিটো ডাঙৰ কেৰাহীত এক কেৰাহী তেল দি উতলাবলৈ ধৰিলে। উতলাই তেল শুকাই যোৱাৰ পিচত বেজিটো ওলাই পৰিল। সেই বেজিটো "উস্ ৰাম" বুলি কৈ উঠি মানুহ হ'ল। তাৰ পিচত মাল পেটুলাই দুজনী ঘৈণীয়েক আৰু কুকুৰ লগ লাগি ৰজাৰ লগত যুদ্ধ কৰিলে। যুদ্ধত ৰজাক বন্দী কৰি থৈ সিহঁত নদী পাৰ হৈ আহিল।

নদী পাৰ হ'বৰ সময়ত বামিশ্ৰী-গিলাশ্ৰীয়ে কলে, "স্বামী! এতিয়া আমাক কেনেকৈ পাৰ কৰিবা? প্ৰকৃতপক্ষে তুমি যদি মতা মানুহ হোৱাঁ, তেন্তে তাৰ প্ৰমাণ লম।" তেতিয়া মাল পেটুলাই গিলাশ্ৰী-বামিশ্ৰীৰ নাম লৈ এডাল সূতা দলি মাৰি দি নদীৰ সিপাৰে পাৰ কৰি দিলে। পিচত সেই সূতাকে সাঁকো কৰি সকলোৱে পাৰ হৈ আহিল। ঘৰলৈ আহি সুখেৰে সংসাৰ কৰি থাকিল।

বুথুৰা আৰু লাথুৰা

দাওথাল বুঢ়া আৰু দাওথাল বুঢ়ী আছিল। সিহঁতৰ বুথুৰা আৰু আৰু লাথুৰা নামৰ দুজন পুতেক আছিল। সিহঁতৰ এটা মতা কুকুৰা চৰাই আছিল। এদিনাখন মাজনিশা কুকুৰাই ডাক দিলে, "মোৰ কলিজা যেয়ে খাব সি ৰজা হব আৰু মোৰ বাহু আৰু ঠেং যিজনে খাব সিজনৰ আলাই-আথানি হব।"

বুঢ়াই কুকুৰা চৰাইৰ মাত শুনি তাৰ কলিজাটো খাবলৈ লোভ কৰিলে। পিচদিনা বুঢ়ীক সেই মতা কুকুৰাটো মাৰি ৰান্ধি থবলৈ কৈ নিজে হাল লৈ গ'ল। বুঢ়ীয়ে মতা কুকুৰাটো মাৰি ৰান্ধিলে আৰু কলিজা, বাহু আৰু ঠেংবোৰ এতিয়া বুঢ়া আহিলে খাবলৈ দিম বুলি ভাবি থৈ দিলে। পিচে বুথুৰা আৰু লাথুৰা দুয়ো খাই শেষ কৰি থলে। বুথুৰাই কলিজাটো খালে আৰু লাথুৰাই বাহু আৰু ঠেংবোৰ খালে।

হাল এৰি আহি বুঢ়াই কলিজাটো খাবলৈ বিচাৰিলে। বুঢ়ীয়ে ল'ৰাদুজনে খালে বুলি ক'লে। বুঢ়াই ল'ৰা দুজনৰ ওপৰত খং উঠি মাৰিবলৈ খেদিলে। ল'ৰা দুজনে ভয়তে পলাই ঘোৰ অৰণ্যত সোমালগৈ। অৰণ্যৰ মাজতে ৰাতি বঞ্চিলে। ভায়েক লাথুৰাৰ বৰ পানী পিয়াহ লাগিল। বুথুৰাই গছৰ ওপৰত উঠি পানী বিচাৰি পঠিয়ালে। বহুত দূৰৈত বগলী উৰা দেখা পালে। বুথুৰাই তাতে পানী আছে বুলি ঠাৱৰ কৰিলে।

ককায়েক বুথুৰা পানী বিচাৰি গৈ গৈ বিল পালেগৈ। বিলৰ—পৰা পানী লব খোজোঁতে এটা বগলীয়ে মাত লগালে, "কোন তুমি ? কিয় পানী নিবলৈ আহিছা ? এই পানী নিব নোৱাৰা।" বুথুৰা আনফালে গ'ল। তাত ডাঙৰ এচটা শিল দেখা পালে। তাৰ ওপৰত উঠি পানী লব খোজোঁতে, সেই শিলচটা এটা গঁড় হৈ বুথুৰাক পলুৱাই লৈ গ'ল।

বুথুৰাক নি ৰজা পাতিলে। বিয়াও কৰাই দিলে।

ভায়েকে ককায়েক ঘূৰি নহা দেখি ককায়েক যোৱা বাটে বাটে বিচাৰি গ'ল। গাঁৱে গাঁৱে চাকৰ থাকি ককায়েকক বিচাৰিলে। তেনেকৈ গৈ গৈ ককায়েক ৰজাৰ নগৰ পালেগৈ। লাথুৰা ককায়েক ৰজাৰ গোহালিত মনে মনে বহি থাকিল। এটা দুষ্ট গৰু আছিল। সি লাথুৰালৈ ভয় কৰি পঘা ছিঙি পলাল। তাকে দেখি গৰখীয়াই লাথুৰাক গৰু চুৰ কৰিবলৈ গোহালিত সোমাইছে বুলি জনালে। ৰজাই ভিতৰৰপৰা চোৰটোক চুৰনিত পেলাই থবলৈ হুকুম দিলে! ৰজাৰ হুকুমমতে কাম কৰা হ'ল।

ৰাণীয়ে নিজে ফুৰিবলৈ ৰজাৰ ওচৰত এখন নাও বিচাৰিলে। ৰজাই মিস্ত্রি মাতি আনি নাও কটালে। কিন্তু কাৰো নাও ৰাণীৰ চকুত নালাগিল। লাথুৰাই চুৰনিৰপৰা মানুহবিলাকৰ আগত কলে, "ৰাণীক এখন নাও কাটি দিব লাগিছিল।" সেই কথা শুনি ৰজাই নাও কাটিবলৈ লাথুৰাক হুকুম দিলে।

লাথুৰাই তেতিয়া নাও কাটিবলৈ ধৰিলে। নাও কাটি শেষ হোৱাৰ পিচত বুথুৰা আৰু লাথুৰা দুয়ো ভায়েকৰ নাম কাটি ৰাখিলে। নাওখন ৰাণীক দেখুৱাত ৰাণীয়ে বাৰুকৈয়ে নাওখন বখানিলে। ৰজা ৰাণী দুয়ো নাওখন লৈ আনন্দ কৰিলে। লাথুৰাক চুৰনিৰপৰা যাবলৈ এৰি দিলে।

লাথুৰাই নিজৰ কাৰণেও এখন নাও কাটিলে। নাৱত উঠি সি পাঞ্জামুঠি গাভৰুৰ তালৈ যাবলৈ ওলাল। নাৱৰ টিঙত উঠি পাঞ্জামুঠি গাভৰুৰ নাম লৈ ঠেঙি দিয়াৰ লগে লগে নাওখন বিং-বিং শব্দ কৰি যাবলৈ লাগিল।

পাঞ্জামুঠি গাভৰুক ৰাক্ষসসকলে সিহঁতৰ বান্ধনী কৰি ৰাখিছিল। ৰাক্ষসহঁতে দিনত আহাৰ বিচাৰি গলে যাবৰ বেলিকা মৰা টাঙোনেৰে মাৰি থৈ গৈছিল। আৰু গধূলি ঘূৰি আহি জীওৱা টাঙোনেৰে মাৰি পুনৰ জীয়াই লৈছিল। লাথুৰাই গৈ পাই জীওৱা টাঙোনেৰে কোবাই পাঞ্জামুঠিক জীয়ালে। দুয়োজনে কথা-বতৰা পাতি থাকিল। সি ৰাক্ষস বিলাকৰ জীৱটো ক'ত আছে তাক সুধি লবলৈ পাঞ্জামুঠিক শিকালে। তাৰ পিচত মৰা টাঙোনেৰে মাৰি পুনৰ থৈ আহিল।

ৰাক্ষসবিলাক আহি পোৱাত পাঞ্জামুঠিয়ে প্রধান ৰাক্ষসৰ ওচৰত মিছাকৈ কান্দিলে আৰু সিহঁতৰ জীউ ক'ত আছে সুধিলে। তেতিয়া প্রধান ৰাক্ষসে কলে, "মিঠা পুখুৰীত তাম বৰণীয়া পাৰ চৰাই হৈ সোণৰ পিঞ্জৰাৰ ভিতৰত আছে। সেইটোৱে আমাৰ জীউ।" পিচদিনা ৰাক্ষসহঁত বাহিৰলৈ

ওলাই গলত লাথুৰাই পাঙ্গামুঠিক জীওৰা টাঙোনেৰে মাৰি জীয়ালে। পাঙ্গা-মুঠিয়ে ৰাক্ষসৰ জীউ ক'ত আছে তাক লাথুৰাক কৈ দিলে। লাথুৰাই একে ডুবে ৰাক্ষসৰ জীউটো লৈ আহিল।

ৰাক্ষসবিলাকৰ লগত লাথুৰাৰ যুদ্ধ হ'ল। পাৰটোৰ ডেউকা আৰু ঠেং ভাঙি দিয়াত ৰাক্ষসবিলাক মাটিত পৰিল। পাৰৰ গলটো মোহাৰি দিয়াত ৰাক্ষসবিলাক মৰিল।

লাথুৰাই পাঙ্গামুঠিক লৈ আহিল। বাটতে পানীৰ মাজত এডাল শিমলু গছে ভেটা দি আছিল। সেই শিমলু গছৰ ওপৰতে এক শগুণীৰ বাহ আছিল। তাইৰ প্ৰতিবছৰে পোৱালি মৰিছিল। লাথুৰাই শগুণীক কলে, "হে শগুণী! তুমি তোমাৰ ঠোটেৰে কামুৰি আমাৰ নাওখন এই শিমলু গছ পাৰ কৰাই দিয়াঁ।" শগুণীয়ে ঠোটেৰে কামুৰি নাওখন পাৰ কৰাই দিলে। তেতিয়াহে লাথুৰা আৰু পাঙ্গামুঠি পাৰ হৈ আহিব পাৰিলে। লাথুৰাই শগুণীক বৰ দি কলে, "ছমাহ কণী পাৰি, ছমাহ উমনি দি এটা পোৱালি পাবা।" সেই কাৰণে আজিও শগুণৰ মাত্ৰ এটাহে পোৱালি হয়।

লাথুৰাই পাঙ্গামুঠীক লৈ বুথুৰা ৰজাৰ ঘাটত নাও চপালেহি। বুথুৰাই এদিনাখন ৰাণীৰ নাও লৈ ফুৰিবলৈ ওলাইছিল। সেইদিনা নাওখনত "বুথুৰা আৰু লাথুৰা" নামটো চকুত পৰিল। নাম দুটা দেখি ৰজাৰ আগৰ কথা-বোৰ মনত পৰিল। লাথুৰায়ো সেই সময়তে ককায়েকৰ আগত দেখা দিলে। দুয়ো গলত সাবটি কান্দিলে। ৰাণী আৰু পাঙ্গামুঠি দুয়ো গলত সাবটি কান্দিলে। ভাই-ককাই দুয়ো সুখেৰে ৰাজ্য শাসন কৰি থাকিল।

বগলী ৰজা

এহাল বুঢ়া-বুঢ়ী আছিল। তেওঁলোকৰ এটিও সতি-সন্ততি নাছিল। এৰী পলু পালি তাৰপৰা এৰী কাপোৰ বৈ তাকে বেচি জীৱিকা আৰ্জিছিল। এদিনাখন এখন গাঁৱলৈ বুঢ়া-বুঢ়ী দুয়ো এৰাপাত আনিবলৈ গ'ল। এখন বাৰীত বহুত এৰীপাত দেখা পাই সোমাল, কিন্তু ঘৰত কাকো দেখা নাপালে এজন মাত্ৰ সৰু ল'ৰা নাকত শেঙুন, চকুত মমলা লৈ বহি থকা দেখা পালে।

সিহঁতৰ ঘৰৰ মানুহবোৰ কলৈ গ'ল বুলি সুধিলে। ল'ৰাই একোকে নকলে, পিচত ঘৰৰ ওচৰৰ মানুহৰপৰা সুধি জানিব পাৰিলে যে সেই ল'ৰাজনৰ কোনো নাই। সৌ সিদিনা কলেৰাত আটাইকেইজনে মৰিছে। এতিয়া ল'ৰাজনৰ আলাই-আথানি হৈ অকলে আছে। ভাত লোকৰ তাত খায়। ভাত খোৱা হলে অকলে ঘৰতে থাকে। কোনোবাই নি পালিলে ভাল হ'লহেঁতেন। এইবুলি ওচৰ-চুবুৰীয়াই কলে।

কথাটো বুঢ়া-বুঢ়ীয়ে শুনি এৰাপাত ছিঙা হোৱাৰ পিচত সিহঁতে ল'ৰাটোক বোকোচাত তুলি লৈ আহিল। বুঢ়া-বুঢ়ীৰ ঘৰত মাউৰা দিনক দিনে ডাঙৰ হৈ আহিবলৈ ধৰিলে। সি গাঁৱৰ ল'ৰাবোৰৰ লগত একেলগে খেলে। গৰু চৰায়। এদিনাখন মাউৰাই হাল চহ কৰিম বুলি পিতাকক গৰু কিনিবলৈ কলে। পিতাকে এৰী কাপোৰ এখন বেচি তাৰ টকাৰে বৰ বেয়া দুৰ্ব্বল লেবেং-পেবেং গৰু এহাল কিনি আনি দিলে।

মাউৰাই গৰুকেইটাৰ ভৰিত বেজি সুমুৱাই ভাল কৰি ললে। তাৰ পিচত ঢোল কোবালে যিমান দূৰলৈ শুনি সিমান দূৰৰ পৰিমাণে মাটিত হাল-চহ কৰিলে। সেই মাটিৰ চাৰি কোণত চাৰি চোপ ধানৰ গোছা কই মাজতে এগোছা কই দিলে। ধান মেঘবৰ্ণ হৈ বাঢ়ি দীঘল দীঘল থোক হ'ল।

বুঢ়া-বুঢ়ীৰ ঘৰ লাহে লাহে ধন, ঐশ্বৰ্য্যেৰে ভৰি পৰিল। বগলী-ৰজাই সেই কথা শুনি অপমান বোধ কৰিলে।

ৰজাই এখন চিঠি লিখি মাউৰালৈ দি পঠিয়ালে যে, বুঢ়াৰ ঘোঁৰা-হাতী সকলোবোৰ আনি ৰজাক দিব লাগে। সেয়া বগলী-ৰজাৰ ৰাজ্য। সি ৰজাৰ প্ৰজা। মাউৰা বৰ চিন্তাত পৰিল। চিন্তা কৰি কৰি নিজৰ পথাৰতে সি টোপনিত লালকাল হ'ল। সপোনত বনৰ বুঢ়া-বুঢ়ী দেৱতাই দেখা দি মাউৰাক কলে, "তুমি অৰণা বুঢ়া, অৰণা বুঢ়ীৰ ওচৰলৈ গৈ তোমাৰ দুখৰ কথা কবা। সিহঁতে নিশ্চয় তোমাক এটা উপায় দিব। হেৰা, এই ফালে যোৱাঁ।" এই বুলি বাট দেখুৱাই দিলে।

মাউৰাই ততালিকে সাৰ পালে। দেখিলে সপোনহে। সপোনত বাট দেখুৱাই দিয়ামতে বনৰ মাজে মাজে গ'ল। গৈ গৈ বনৰ মাজত এটা মূৰ্ত্তি দেখা পালে। মাউৰাই মূৰ্ত্তিক আঠু লৈ সেৱা কৰিলত মূৰ্ত্তিয়ে সুধিলে, "কোন তুমি ?" মাউৰাই নিজৰ পৰিচয় দি মূৰ্ত্তিৰ আগত সকলো কথা বিৱৰি কলে। তেতিয়া অৰণা বুঢ়ী, অৰণা বুঢ়াই মাউৰাক বহিবলৈ দি বৰমৌ, বাঘ-ভালুক সকলোকে আহ্বান কৰিলে। বুঢ়াই সিহঁতক মাউৰাক সহায় কৰিবলৈ কলে। বগলী-ৰজাক যুদ্ধত পৰাজয় কৰিবলৈ কলে।

সিহঁত আটাইবোৰ আহি মাউৰাৰ বাৰীত সোমাই থাকিলহি। যুদ্ধ লাগিল। বগলী-ৰজাই সৈন্য-সামন্ত লৈ আহি ঘেৰি ধৰিলেহি। কিন্তু যুদ্ধত হাৰি ঘূৰি যাব লগীয়া হ'ল। এদিনাখন বগলী-ৰজাই আকাশত উৰি ঘূৰি ফুৰোঁতে মাউৰাৰ মোহ লগা ধানৰ খেতি দেখা পালে। দেখা পাই বগলী-ৰজাই নিজৰ জাতিক মাতি লৈ আহি মাউৰাৰ আটাই-বোৰ ধান খেতি খাই শেষ কৰি গ'ল। জীয়েক লক্ষ্মীশ্ৰীয়ে কিন্তু বাধা দিছিল। পিতাক বগলী-ৰজাই কিন্তু বাধা নামানিলে।

এদিনাখন মাউৰাই নিজৰ ধানৰ খেতি চাবলৈ যোৱাত দেখিলে, তাৰ ধানৰ খেতি পখীয়ে খাই শেষ কৰিলে। তাকে দেখা পাই মাউৰাই ফেচুৱা ৰজাৰ তালৈ সুধি পঠিয়ালে। ফেচুৱা-ৰজাই চকা (টোকোৰা) -ৰজাক সুধি পঠিয়ালে। তেওঁ সেই কাম বগলী-ৰজাৰ বুলি মাউৰাক কৈ পঠিয়ালে। তেতিয়া মাউৰাই ফান্দ পাতিলে। ফান্দত বগলী-ৰজা পৰিল। মাউৰাই আহি বগলী-ৰজাক দেখা পালে। মাৰি পেলাব খোজোঁতে বগলী-ৰজাই জীয়েক লক্ষ্মীশ্ৰীক দিম বুলি কোৱাত এৰি দিলে।

মাউৰাই লক্ষ্মীশ্ৰীক আনিলে। বগলী-ৰজাই জোঁৱায়েকৰ ওপৰত

প্ৰতিশোধ লবলৈ সুযোগ চাই থাকিল। এদিনাখন বগলী-ৰজাই নিজৰ শৰীৰ জুইৰে জলাই লৈ মাউৰাৰ ঘৰলৈ গ'ল। জীয়েক লক্ষ্মীশ্ৰীয়ে পিৰিয়েকক শিকাই থলে। "পিতা, জুই জলি আহিলে তুমি মোৰ জাৰ লাগিছে বুলি জুইত জঁাপ দিব খুজিবা। তেতিয়া জুই নুমাই যাব আৰু ধুমুহা বতাহ হৈ আহিলে মোৰ বৰ গৰম লাগিছে বুলি ধুমুহা বতাহত জঁপিয়াই পৰিব খুজিবা। তেতিয়াই ধুমুহা নোহোৱা হৈ যাব।" বগলী-ৰজা তেনেকৈ ডুবাৰ আহিছিল, ডুবাৰো হাৰি গুচি গ'ল।

পিচত এদিনাখনৰ ৰাতি মাউৰাক নিদ্ৰাবাণ দি বগলী-ৰজাৰ বুঢ়ী মাকে লক্ষ্মীশ্ৰীক লৈ গ'লহি। লক্ষ্মীশ্ৰীয়ে মাউৰাক ৰবকৈ চিঞৰি চিঞৰি জগাবলৈ চেষ্টা কৰিলে। মাউৰাই সাৰ নাপালে। অনিচ্ছা সত্ত্বেও লক্ষ্মীশ্ৰী আইতাকৰ লগত পিতাক বগলী-ৰজাৰ ঘৰলৈ আহিবলৈ বাধ্য হ'ল।

পিচদিনা ৰাতিপুৱা মাউৰাই লক্ষ্মীশ্ৰীক বিচাৰি নাপাই বগলী ৰজাই লৈ যোৱা বুলি ঠাৱৰ কৰিলে। তেতিয়া মাউৰাই বগলী ৰজাৰ ঘাটত থৈ আহিবৰ কাৰণে চিলা বুঢ়া-বুঢ়ীক কাকুতি মিনতি কৰিলে। চিলা বুঢ়া-বুঢ়ী দুয়ো মাউৰাক নি বগলী-ৰজাৰ ঘাটত থলেগৈ। মাউৰা বগলী-ৰজাৰ ঘাটৰ এচুকত মনে মনে বহি থাকিল।

সেইদিনা বগলী-ৰজাই জীয়েক লক্ষ্মীশ্ৰীক আন দৰাৰ লগত বিয়া দিবলৈ স্বয়ম্বৰ পাতিছিল। তিৰোতাবোৰে দৌৰা-দৌৰি কৰি নদীৰ ঘাটৰপৰা পানী কঢ়িয়াইছে। লক্ষ্মীশ্ৰীয়ে মাউৰাক মনত পেলাই উচুপি উচুপি কান্দিছে। মাউৰাই কুষ্ঠৰোগী হৈ পেনপেনীয়া ঘাৰে বাটত বহি থাকিল। নিজৰ আঙঠিটো এজনী তিৰোতাৰ পানীৰ কলহত দেখক-নেদেখক অৱস্থাত ভৰাই দিলে। সেই কলহৰ পানীৰে লক্ষ্মীশ্ৰীয়ে ভৰি ধুবলৈ লওঁতে আঙঠিটো আঙুলিত সোমাই পৰিল।

স্বয়ম্বৰত কাকো মালা নিপিন্ধাই বাটত থিয় হৈ থকা কুষ্ঠ বেমাৰী এজনৰ গলতহে লক্ষ্মীশ্ৰীয়ে মালা পিন্ধাই দিলে। মানুহৰ মাজত কোলাহল লাগিল। পিচত মাউৰা ভাল চেহেৰা হৈ বগলী-ৰজাৰ ঘৰতে থাকিল। এদিনাখন জলকীয়া বাটি তাৰ ধাৰা ভাত খুৱাই গাত চুৰনিৰ পানী পেলাই মাউৰাক পগলা কৰি দিলে। লক্ষ্মীশ্ৰীয়ে নিজৰ পিন্ধা কাপোৰৰ আঁচলেৰে মচি দি মাউৰাক ভাল কৰিলে। এদিনাখন খেৰাই পূজা হৈছিল। তাত লক্ষ্মীশ্ৰীক নাচিবলৈ লৈ গৈছিল। লক্ষ্মীশ্ৰীয়ে নাচিবলৈ যোৱাৰ সুযোগ লৈ শহুৰেকে মাউৰাক বান্দৰ কৰিলে।

মাউৰা বান্দৰ হৈ গছৰ ওপৰে ওপৰে জঁপিয়াই ফুৰিবলৈ ধৰিলে। লক্ষ্মীশ্ৰীয়ে আহি পকা কল দেখুৱাই মাতিলে। পিচত পিন্ধা কাপোৰ গাত মেৰিয়াই দি পুনৰ মানুহ কৰিলে। আৰু এদিনাখন শাহুৱেকে বৰকা চেং মাছৰ গাত খান্দিবলৈ মাউৰাক মাতি লৈ গ'ল। বুঢ়ীয়ে মাউৰাক গাঁতত পুতি থৈ আহিল। সেই সময়ত মাউৰাৰ লগত কুকুৰ এটা গৈছিল। কুকুৰে আহি লক্ষ্মীশ্ৰীৰ আগত কেং কেঙাবলৈ ধৰিলে। বিপদৰ কথা বুজিব পাৰি তাই কুকুৰৰ পিচে পিচে গ'ল। কুকুৰে মাটি খান্দি দেখুৱালে। লক্ষ্মীশ্ৰী-য়েও তাতেই মাটি খান্দি গিৰিয়েকক উদ্ধাৰ কৰিলে। কিন্তু দেখে যে গিৰিয়েক মৰি আছে।

লক্ষ্মীশ্ৰীয়ে কাউৰী শালিকাক মাতি আনি গিৰিয়েকক জীয়াই লৈ আহিল। শাহুৱেকে বাৰে বাৰে পৰাজয় হৈয়ো মাউৰাক মাৰিবলৈ চেষ্টা নেৰিলে। শহুৰেকে এদিনাখন ধান খেৰৰ পুঁজি দিবলৈ মাতি পুঁজিৰ ওপৰত উঠাই দি তলত জুই লগাই দিলে। লক্ষ্মীশ্ৰীয়ে কান্দি কান্দি গীত গাই গাই চৰাই-চিৰিকতিক মাতিলে। টিয়া-বজাই ৰায়লাং লাইৰ পাত আনি তাৰ ওপৰত শুৱাই থৈ জীয়ালে। আৰু এদিনাখন জোঁৱায়েকক উঁৰালৰপৰা শুকান জলকীয়া পাৰিবলৈ উঁৰালত সুমুৱাই দিলে।

মাউৰা উঁৰালত সোমালত উঁৰালৰ দুৱাৰ বন্ধ কৰি দিলে। শুকান জলকীয়াত জুই লগাই দিলে। উঁৰালত ধান চুৰ কৰি খোৱা ডালশলিয়া এটা আছিল। সি শুকান জলকীয়া পোৰা গোন্ধ পাই উঁৰালৰ ভিতৰতে ইফালে সিফালে দৌৰিবলৈ ধৰিলে। মাউৰাই সেই এন্দুৰটো মাৰি থলে।

দুদিন থাকি এন্দুৰটো পচিল। তেতিয়া মাউৰা মৰি পচিল বুলি ভাবি বগলী-বজাই উঁৰালৰ দুৱাৰ খুলি চালে। মাউৰাই ভোটা কুঠাৰেৰে শহু-ৰেকক কোব দিলে। জোঁৱায়েকক কোনো প্ৰকাৰে মাৰিব নোৱৰা কাৰণে বগলী-বজাই জোঁৱায়েকৰ লগত ভাল হৈ মিলা-প্ৰীতিৰে সংসাৰ যাপন কৰিলে।

ৰাঘ-ৰৰালি ৰাক্ষস

এক বুঢ়া-বুঢ়ীৰ ঘৰত এজন মাউৰা গৰখীয়া ল'ৰা আছিল। সেই ল'ৰাজনক ৰাঘ-ৰৰালি ৰাক্ষসে মাৰিবৰ চেষ্টা কৰিছিল। বুঢ়াই এদিনাখন ধান কটা সাওৰিক খুৱাবৰ কাৰণে মানুহ লৈ মাছ মাৰিবলৈ গ'ল। সেই পানীত ৰাঘ-ৰৰালি ৰাক্ষস ৰৰালি মাছ হৈ জালত পৰিলহি। বুঢ়াই ৰৰালি মাছ ঘৰলৈ আনোতে বাটতে বুঢ়াক গিলি ৰাক্ষস নিজে বুঢ়া হৈ বুঢ়াৰ ঘৰলৈ আহিল। বুঢ়ীয়ে খাওঁতে মাছ চোৱাৰ চেপতে পিচৰ ফাঁলৰ-পৰা সি বুঢ়ীকো গিলি পেলালে। গৰখীয়াই গৰু চৰাবলৈ লৈ আহোঁতে গৰুবোৰক এটা এটাকৈ গিলিবলৈ ধৰিলে।

পিচত কলী গাই এজনী হৈ গৰখীয়াক গিলিব খুজিলে। গৰখীয়াই গাইজনীয়ে বৰ চট-ফট কৰা দেখি তাইক পথাৰে বান্ধি থলে। সি ঘৰত গৈ কাকো নেদেখিলে। ৰাতি সপোনত দেখা পাই ভয় কৰি গৰখীয়া পিচদিনা অইন ঠাইলৈ পলাই গ'ল। গাইজনী পঘা ছিঙি গৰখীয়াৰ পিচে পিচে গ'ল।

ল'ৰাজন ৰজাৰ ঘৰত ছাগলী চৰোৱা হৈ থাকিল। ৰাঘ-ৰৰালি ৰাক্ষসে ৰজাই ৰতাহ লোৱা উদ্যানত এজনী ধুনীয়া ছোৱালী হৈ থাকিল। ৰজাই এদিনাখন ফুৰিবলৈ যাওঁতে ছোৱালীক দেখা পাই বিয়া কৰাবলৈ মন কৰি লৈ আনিলে আৰু সক ৰাণী কৰি ৰাখিলে।

ৰাতি সকলো টোপনি গলত সক ৰাণীয়ে ৰজাৰ হাতী ঘোঁৰাবোৰ এটা এটাকৈ খাই মূৰবোৰ ডাঙৰ ৰাণীৰ শোৱা কোঠাৰ আতালত থৈ দিলেগৈ। হাতী ঘোঁৰাবোৰ কেনেকৈ শেষ হবলৈ ধৰিছে ৰজাই জানিব নোৱাৰিলে।

এদিনাখন সক ৰাণী বৰ ৰাণীৰ শোৱা কোঠালিত সোমাই কি পচা পচা গোন্ধাইছে বুলি আতালত উঠি চালে। তাত হাতী আৰু ঘোঁৰাৰ মূৰবোৰ দেখা পালে। ৰজাক কৈ দিলে। ৰজাই বৰ ৰাণীক ৰাক্ষস বুলি কৈ যিমান পাৰে সিমান গালি-শপনি পাৰিলে। ৰজাই ছাগলী চৰোৱা গৰখীয়াক মাতি আনি বৰ ৰাণীক কাটিবলৈ হুকুম দিলে আৰু তেওঁৰ তেজ আনি দেখুৱাবলৈ কলে।

বৰ ৰাণীৰ কুকুৰ এটা আছিল। গৰখীয়াই বৰ ৰাণীক কাটিবলৈ নিবৰ সময়ত কুকুৰটোও লগতে গৈছিল। গৰখীয়াই বৰ ৰাণীক এডোখৰ ঠাইত এৰি দি কুকুৰটো কাটি তাৰ তেজ লৈ গৈ ৰজাক দেখুৱালে। তেজ দেখি বৰ ৰাণীক কাটিলে বুলি ৰজাই ভাবিলে।

ৰাঘ-বৰালিয়ে গৰখীয়াক কেনেকৈ খাব পাৰি তাকে চিন্তা কৰি থাকিল। এদিনাখন ৰজাই সক ৰাণীক তেনেকৈ চিন্তা কৰি থকাৰ কাৰণ সুধিলে। সক ৰাণীয়ে একোকে নকলে। সিদিনা ৰাণীয়ে মৰাপাটৰ ঠাৰি পাৰি শুলে। গাৰ বাগৰ সলালত মৰাপাটৰ ঠাৰিবোৰ মৰ্‌ম্‌ৰ্‌ কৈ ভাঙিবলৈ ধৰিলে।

তেতিয়া কেঁকাই কেঁকাই গাৰ বিষ হোৱাৰ কথা ৰজাক কলে। আৰু কলে, "মোৰ হাড় ভাগি শেষ হ'ব। ঔষধ লাগে। অতি সোনকালে ঔষধ আনিবলৈ গৰখীয়াক আইৰ তালৈ পঠিয়াই দিয়ক।" মাউৰাৰ হাতত নিজে চিঠি এখন লিখি পঠিয়াই দিলে যে ল'ৰাটো মাৰি থৈ নিজক (সক ৰাণীক) সোনকালে খবৰ দি পঠিয়াব লাগে। মাউৰা গৰখীয়াই চিঠিখন লৈ ৰাঘ-বৰালিৰ মাক-পিতাকৰ ঘৰৰ ফালে যাবলৈ ধৰিলে। বহুত দূৰ বাটকুৰি বাই যোৱাত মাউৰা গৰখীয়াৰ ভাগৰ লাগিল। ভাগৰত বাটতে শুই পৰিলত এজন মানুহে চিঠিখন খুলি চাই পঢ়িলে। সি সেই চিঠিখন ফালি নতুন চিঠি লিখি থলে।

নতুন চিঠিত লিখিলে, "এইজন মোৰ ল'ৰা। তালৈকৈ খাবলৈ লবলৈ দিবা। মোৰ জীউটো তাৰ হাততে দি পঠিয়াবা। খবৰদাৰ! কোনেও

একো কৰিব নোৱাৰিবা।" ল'ৰাই সাৰ পাই বাকচ বুঢ়া-বুঢ়ীৰ তালৈ গ'ল। চিঠিখন দিলে। চিঠিখন পাই বুঢ়া-বুঢ়ীয়ে বৰ আনন্দ পালে। আৰু ল'ৰা-জনক কোলাত লৈ চুমা খালে, বৰ মৰম কৰিলে। আহিবৰ সময়ত বাঘ-বৰালিৰ জীউ পাৰ এটা দি কলে, "চিনি লোৰা, এয়া তোমাৰ মাৰাৰ জীউ। এইটো মৰিলেহে মাৰাও মৰিব। কিন্তু খবৰদাৰ নাতিয়া, কাকো নিদিবা।"

ল'ৰাই পাৰ লৈ আহিল। বাঘ-বৰালিৰ লগত যুদ্ধ লাগিলহি। যুদ্ধত বাঘ-বৰালি মৰিল। বৰ ৰাণীক পুনৰাই লৈ আহিল। মাউৰা গৰখীয়াই সকলো বিবৰি কোৱাত ৰজাই বৰ ৰাণীৰ লগত সুখে আনন্দে থাকিল।

মায়দাংগ্ৰীৰ সাধু (১)

সাতজন ভাই-ককাই আছিল। আটাইতকৈ সৰুজন বৰ এলেহুৱা আছিল। ইমান এলেহুৱা আছিল যে সি ভাত খাবলৈকো এলাহ কৰিছিল। শৌতে শোৱা ঠাইডোখৰ গাঁত হৈ পৰিছিল। ককায়েকহঁতে তাক দেখিব নোৱাৰিছিল। ডাঙৰ ককায়েক আৰু ডাঙৰ বৌৱেকেহে তাক মৰম কৰিছিল। এদিনাখন ককায়েকহঁতে তাক বৰশী বাবলৈ বুলি পঠিয়ালে। ডাঙৰ ককা-য়েকহঁতৰ কথামতে এলেহুৱা বৰশী বাবলৈ যাব লগীয়া হ'ল। বৰশী বাই থাকোঁতে পানীৰ মাজত ধানৰ থোক এচিৰা দেখা পালে আৰু তাকে দেখি পানীত নামি গৈ ধানৰ থোকটো আনিলে। সেইটো ভঁৰালত থলে। ধানৰ থোক ভঁৰালৰ ভিতৰত থাকিল।

সিহঁতৰ ঘৰৰ মানুহ আটাইকেইজন কামলৈ যাওঁতে ভঁৰালৰপৰা এজনী সুন্দৰী গাভৰু আহি কোনেও নেদেখাকৈ ভাত-পানী ৰান্ধি থৈছিল। তাই ৰান্ধি খোৱা ভাত-আঞ্জাবোৰ বাটিবেপৰা মোক-খা মোক-খা সুগন্ধত মলমলাই আছিল। ঘৰৰ মানুহবোৰে ঘটনাটো দেখি আচৰিত হৈ নিজৰ ভিতৰতে আলোচনা কৰিলে। নিজৰ ভিতৰতে কথাটোৰ সোধা-পোছা কৰা হ'ল, কিন্তু কোনেও কব নোৱাৰিলে।

এদিনাখন এজনী জা ফুলি পথাৰত ভুঁই কৰলৈ নগৈ ঘৰৰ ভিতৰতে লুকাই থাকিল। কিছুসময়ৰ পিচতে ভঁৰালৰপৰা এজনী সুন্দৰী গাভৰু ওলাই আহি বৰ ঘৰৰ ভিতৰত সোমাবলৈ দুৱাৰ মেলিবলৈ ধৰোঁতে লুকাই থকা তিৰোতাজনীয়ে তাইৰ হাতত খপকৈ ধৰিলে আৰু "কোন তুমি ?" বুলি সুধিলে। তেতিয়া তাই "মই মায়দাংগ্ৰী" বুলি পৰিচয় দিলে। পিচত পথাৰত থকা মানুহবোৰে ঘৰ আহি পাই মায়দাংগ্ৰীক দেখা পালে।

এলেহুৰা আৰু মায়দাংশ্ৰী দুয়োকে বিয়া কৰাই দিলে। মায়দাংশ্ৰী এলেহুৰাইতৰ ঘৰ আহি পোৱাৰপৰা হেনো এলেহুৰাইতৰ ধন-সম্পত্তি দিনক দিনে বাঢ়ি আহিল। মায়দাংশ্ৰীৰ মাইশ্ৰণ নামৰ এজন ল'ৰা জনম হ'ল। কিন্তু ল'ৰা সন্তান জনম হোৱাৰ পিচতে এদিনাখন ছাদং বৈৰাগীয়ে চাউল মাগিবলৈ অহাত ৰাইডাং বেতৰ টোকোনেৰে মাৰি তাইক পাঠি ছাগলী কৰি লৈ গ'ল।

মায়দাংশ্ৰীৰ গিৰিয়েকে মায়দাংশ্ৰীক আনিবলৈ যোৱাত ছাদং বৈৰাগীয়ে মায়দাংশ্ৰীৰ গিৰিয়েকক ৰাইডাং বেতেৰে মাৰি এটা খুটি বনাই থলে। তাৰ পিচত এলেহুৰাৰ ককায়েকহঁতে সিহঁতক উদ্ধাৰ কৰিবলৈ যোৱাত সিহঁতকো ৰাইডাং বেতেৰে মাৰি নানা প্ৰকাৰ খুটা কৰি ৰাখে। মাইশ্ৰণে ফেচুলুকা কমাৰৰ তাত গৈ ধনুৰ শৰ গঢ়াই লয়। ছাদং বৈৰাগী ৰাক্ষস আছিল। তাৰ জীউ স্বৰ্গত তাম বৰণীয়া পাৰ হৈ আছিল।

মাইশ্ৰণে সোণৰ জখলাৰে স্বৰ্গলৈ উঠি গৈ তাম বৰণীয়া পাৰটো আনি ৰাক্ষসক বধ কৰি মাকক উদ্ধাৰ কৰে। পিচত বাকীবিলাকক উদ্ধাৰ কৰি ঘৰলৈ লৈ আহিল।

মায়দাংশ্ৰীৰ সাধু (২)

গদা ৰজা বুলি এজন ৰজা আছিল। তাৰ ছয় গৰাকী ৰাণী আছিল। কিন্তু এটিও সতি-সন্ততি নাছিল। সেইকাৰণে ৰজাৰ মনত বৰ দুখ। এদিন গদা ৰজা চিকাৰলৈ গৈছিল। পহু বিচাৰি বিচাৰি ৰজাৰ পানী পিয়াহ লগাত এজন চাকৰক পানী আনিবলৈ পঠিয়াই দিলে।

ৰজাৰ চাকৰে গাঁৱলৈ গৈ মায়দাংশ্ৰীৰপৰা পানী আনি ৰজাক খুৱালে। ৰজাই পানী খাই মিঠা পালে। ৰজাৰ প্ৰাণ জুৰ পৰিল। যি-জনী তিৰোতাই পানী দিছিল, সেই তিৰোতাজনীক চাবলৈ ৰজা গাঁৱলৈ গ'ল। মায়দাংশ্ৰীক দেখা পাই ৰজাই আচৰিত ভাবিলে। মায়দাংশ্ৰীক বিয়া কৰালে। ৰজাই মায়দাংশ্ৰীক পাই বৰ আনন্দ পালে।

এদিনাখন মায়দাংশ্ৰীয়ে সপোনত দেখা পালে স্বৰ্গৰপৰা এটা সুম-থিৰা টেঙা সৰি পৰিছে। তাকে খাই মায়দাংশ্ৰীয়ে গৰ্ভৱতী হৈ এজন ল'ৰা সন্তান জনম দিলে। সঁচাকৈয়ে পিচদিনা ৰাতিপুৱা চোতালত এটা সুমথিৰা টেঙা সৰি পৰিল। গা ধুই আহি খাম বুলি সুমথিৰা টেঙাটো মায়দাংশ্ৰীয়ে নিজৰ বিচনাৰ মূৰ-শিতানত থৈ গা ধুবলৈ গ'ল। গা ধুই আহে মানে ডাঙৰ সতিনীসকলে টেঙাটো ভগাই খাই বাকলিটো ঘৰৰ পিচ ফালৰ কাথিত পেলাই দিলে। মায়দাংশ্ৰীয়ে গা ধুই আহি সুমথিৰা টেঙাটো বিচাৰি নেপালে। বিচাৰি বিচাৰি ঘৰৰ পিচফালৰ কাথিত বাকলিবোৰ দেখা পালে। মায়দাংশ্ৰীয়ে তাকে খালে।

ভগবানৰ কৃপাত মায়দাংশ্ৰী তাতেই গৰ্ভৱতী হ'ল। জনম হবৰ সময়ত ডাঙৰ সতিনীসকলে ৰজাক চিকাৰলৈ পঠিয়াই দিলে। ৰজা চিকাৰলৈ যোৱাৰ পাচত মায়দাংশ্ৰীৰ কেঁচুৱা জনম হ'ল। ধুনীয়া কেঁচুৱা জনম হোৱাৰ কাৰণে ডাঙৰ সতিনীসকলৰ মায়দাংশ্ৰীৰ ওপৰত ঈৰ্ষা হ'ল।

এদিনাখন এজন সাধু আহি কেঁচুৱাটোক দেখা পাই গ'ল। ল'ৰাজন বীৰ হব বুলিও কলে। ল'ৰাজনৰ কমলাশ্ৰোণ নাম থলে। ডাঙৰ সতিনী-সকলৰ আৰু বেচি চকুৰ পোৰণি উঠিল। আঠ দিনমান থাকি ৰজা চিকাৰৰপৰা উভতি আহিল। ৰজা আহি ঘৰ পোৱা মাত্ৰকে ডাঙৰ ৰাণী আটাইকেইজনী লগ হৈ কলে, "তোমাৰ ভাল তিৰোতাজনীয়ে এজন আপচু ল'ৰা জনম দিছে। তাতে আকৌ এজন সাধু আহি কৈছে, ল'ৰাজনে ডাঙৰ হলে হেনো পিতাকক হত্যা কৰিব।"

এই কথা শুনা মাত্ৰকে ৰজাই খঙত জ্বলি পকি ল'ৰাজনক হাবিত নি কাটিবলৈ চাকৰক হুকুম দিলে। মায়দাংশ্ৰীয়ে আউলী-বাউলী হৈ কান্দি কান্দি ৰজাক সেৱা কৰি ল'ৰাৰ প্ৰাণ ভিক্ষা খুজিলে। ৰজা মান্তি নহল। চাকৰে ল'ৰাজনক কাটিবলৈ হাবিলৈ লৈ গ'ল। মায়দাংশ্ৰী অচেতন হৈ মাটিত পৰি থাকিল। চাকৰৰ লগত এটা কুকুৰ গৈছিল। চাকৰে হাবিৰ মাজত কেচুৱাটোক ভালকৈ শুৱাই থৈ কুকুৰক কাটি তাৰ তেজ আনি ৰজাক দেখুৱালে। ৰজাই তেজ দেখা পাই শান্তিৰ নিশ্বাস পেলালে।

এজন বুঢ়াই গৰু চৰাবলৈ গৈ হাবিৰ মাজত কেঁচুৱাৰ কান্দোন শুনিলে। তাকে বিচাৰি যাওঁতে কেঁচুৱাটো পাই ঘৰলৈ আনিলে। বুঢ়া-বুঢ়ীৰ পালনত কমলাশ্ৰোণ ডাঙৰ হৈ আহিল।

এদিনাখন মায়দাংশ্ৰীৰ পিতাকে নাতিয়েক হৈছে বুলি শুনি সোণৰ হৰিণৰ ৰূপ ধৰি চাবলৈ আহিল। সোণৰ হৰিণ বুঢ়া ৰজাৰ তামোলৰ বাগানত মনে মনে সোমাই থাকিল। ডাঙৰ ৰাণীয়ে বাৰীৰ ভিতৰত সোণৰ হৰিণ দেখা পাই ৰজাক জনালে। নিজে সোণৰ হৰিণটো লবলৈ লোভ কৰি ধৰি দিবলৈ ৰজাক কলে। হৰিণটো ধৰিবলৈ ৰজাই মানুহ মাতিলে। বহুত মানুহ আহি জমা হ'ল। কমলাশ্ৰোণ আৰু তাক পালন কৰা বুঢ়াও আহিল।

ৰজাই হুকুম দিলে, যাৰপিনে সোণৰ হৰিণ পলাই সাৰিব তাৰ শিৰচ্ছেদ কৰা হ'ব। পছু সঁচা-সঁচিকৈ কমলাশ্ৰোণৰ পিনে পলাই সাৰিল। কমলাশ্ৰোণ শিৰচ্ছেদৰ ভয়ত হৰিণৰ পিছে পিছে দৌৰিলে। হৰিণে দৌৰি দৌৰি নিজৰ ঘৰত সোমাই আকৌ মানুহ হ'ল। কমলাশ্ৰোণে হৰিণক বিচাৰিও নাপালে। পিচত হৰিণৰপৰা মানুহ হোৱা বুঢ়াই কমলাশ্ৰোণক সুধিলে, "তুমি কোন?" কমলাশ্ৰোণে কলে, "মই কমলাশ্ৰোণ। এজন মাউৰা ল'ৰা।" এইবুলি কৈ নিজৰ আঁতি-গুৰি জনালে। বুঢ়াই কমলা-

শ্ৰোণক নিজৰ তাতে ৰাখি "খফাথি" নামৰ গাভৰুৰ লগত বিয়া দিলে।

এদিনাখন নিজক পালন কৰা বুঢ়া-বুঢ়ীলৈ মনত পৰি বুঢ়াৰপৰা বিদায় লৈ কমলাশ্ৰোণ তালৈ ফুৰিবলৈ আহিল। খোজ কাঢ়ি আহি থাকোঁতে কমলাশ্ৰোণৰ ভাগৰ লগাত এডাল গছৰ ছাঁত খফাথিৰ উৰুত মূৰটো থৈ টোপনি গ'ল। সেই সময়তে এজনী ৰাক্ষসী আহি খফাথিক গিলি নিজে খফাথিৰ ভেশচন ধৰি থাকিল। কমলাশ্ৰোণে সাৰ পালে। ৰাক্ষসীক খফাথি বুলি লগত লৈ গ'ল।

খফাথিয়ে মানুহ হৈ সখীয়েক ফুলশ্ৰীৰ লগত একেলগে কমলাশ্ৰোণ-হঁতৰ পিচে পিচে গৈ আছিল। কমলাশ্ৰোণহঁতে যেতিয়া এডোখৰ ঠাইত জিৰণি লয়, তেতিয়া সিহঁতৰ ওচৰা-উচৰি হৈ দুই সখীয়েকে কথা পাতে। সাধু কথা কয়। সাধু কথাত মায়দাংশ্ৰীৰপৰা আৰম্ভ কৰি নিজক গিলালৈকে কয়। তেতিয়া ৰাক্ষসীয়ে সিহঁতক গিলিব খোজে। সিহঁতৰ মাজত যুদ্ধ হয়।

যুদ্ধত ৰাক্ষসীক বধ কৰে। তেতিয়া খফাথিৰ কমল্যাশ্ৰোণৰ লগত পুনৰ মিলন হয়। পিচত মাক-পিতাকক কমলাশ্ৰোণে জানিব পাৰি ৰজাৰ লগত যুদ্ধ কৰিলে। যুদ্ধত ৰজাক পৰাজিত কৰি চকু এটা কাঢ়িলে। ছয়জনী ৰাণীক হত্যা কৰিলে। মাক আৰু খফাথিক লৈ নিজে ৰজা হৈ সুখেৰে ৰাজ্য শাসন কৰিলে।

পানী-পৰ-পৰ পখীৰ সাধু

এজন মানুহৰ দুজনী সতিনীয়েক আছিল। ডাঙৰ সতিনীয়েকজনী দেখিবলৈ ধুনীয়া আছিল আৰু সেইদৰে জ্ঞানীও আছিল। তেওঁ সৰু সতিনীয়েকক বৰ মৰম কৰিছিল। কিন্তু সৰুজনীয়ে ডাঙৰজনীক একেবাৰে ভাল নেপাইছিল।

এদিনৰ কথা, সৰু সতিনীয়েকে ডাঙৰজনীক পানীত হাতেৰে মাছ ধৰিবলৈ লগ ধৰিলে। সৰুজনীৰ কথামতে ডাঙৰজনী মাছ ধৰিবলৈ ওলাল। দুয়ো দুটা খালৈ কঁকালত বান্ধি লৈ পানীত গৈ মাছ ধৰিবলৈ লাগিল। ডাঙৰজনীয়ে ভাল ভাল মাছেৰে খালৈ ভৰালে। সৰুজনীয়ে সাপেৰেহে খালৈ ভৰালে।

দুয়োজনীয়ে ঘৰলৈ আহোঁতে বাটত আমলখিৰ গছ দেখা পালে। গছত বহুত আমলখি লাগি আছিল। সৰুজনীয়ে আমলখি খাবলৈ লোভ কৰি ডাঙৰজনীক গছৰ ওপৰত উঠি পাৰিবলৈ কলে। সৰুজনীৰ কথামতে ডাঙৰজনী গছৰ ওপৰত উঠিল। আমলখি পাৰেমানে পাৰি দিলে। তায়ো হেঁপাহ পলুৱাই খাই কিছুমান কোঁচত ভৰাই ললে। আহিবৰ সময়ত নিজৰ খালৈৰ সাপ আমলখিৰ গছত এৰি দি আহিল।

ডাঙৰ সতিনীয়েকৰ চাৰি বছৰীয়া ছোৱালী এজনী আৰু থিয়দঙা দিব পৰা ল'ৰা এজন আছিল। সিহঁতে নিজৰ মাকৰ কথা সোধাত মাহীয়েকে কেৱল আহিব লাগিছে বুলি কলে। ল'ৰা-ছোৱালীহালে মাকলৈ বাট চাই থাকিল। বেলি হালি মাৰ যাওঁ যাওঁ হোৱাতো মাক আহি নোপোৱাৰ কাৰণে ল'ৰা-ছোৱালীহালে মাকক বিচাৰি মাছ ধৰা নদীৰ পাৰে পাৰে চিঞৰি চিঞৰি গ'ল—

হে আই, কলৈ গলা তুমি!
ভাই বুদুৰামৰ আহাৰৰ ভোক লাগিল।
আহি যোৱাঁ আই, তুমি, বেগাই আহি যোৱাঁ।

এইদৰে চিঞৰি চিঞৰি গীত গাই মাকক বিচাৰি ফুৰিলে। ইফালে আমলখি গছৰ ওপৰত সাপে খুটিওৱাত মাক মৰিল। তাইৰ পৰমাত্মা পানী-পৰ-পৰ পখী হৈ আকাশত উৰি ফুৰি ল'ৰা-ছোৱালীহালৰ ওচৰলৈ আহিল। মাকক বিচাৰি ফুৰা ল'ৰা-ছোৱালীৰ ওচৰত পৰি সিহঁতক উম দি মৰম কৰি আকৌ আকাশৰ ওপৰলৈ উৰি যায়। পিচত ঘৰলৈ আহিও ল'ৰা-ছোৱালীহালক মৰম কৰি যোৱা হ'ল।

এই কথা সক সতিনীয়েকে জানিব পাৰিলে। সেই পখীটো কেনেকৈ মাৰিব পৰা যায় তাৰে উপায় চিন্তা কৰিবলৈ ধৰিলে। এদিনাখন সক সতিনীয়েকে সেই পখীটোৱে কুকুৰা চৰাইৰ পোৱালি শেষ কৰিলে বুলি গিৰিয়েকক লগালে আৰু পখীটোক মাৰি পেলাবলৈয়ো কলে। গিৰিয়েকে কুকুৰা চৰাইৰ নাড়ী ফানত দি ঘৰৰ চালৰ ওপৰত ফান পাতি থলে। অলপ সময়ৰ পিচতে ফানত পখীটো লাগিল। তেতিয়া পখীটোক ডিঙিতে কাটি ছটুকুৰা কৰি পেলাই দিলে। জীয়েকে লৰালৰিকৈ মূৰটো বুটলি নি নদীৰ পাৰত পুতি থলেগৈ।

সেই মূৰটোৰপৰা এটা মাইকী কাছ হ'ল। নদীৰ ঘাটলৈ ল'ৰা-ছোৱালীহাল গলে পাৰত উঠি আহি কাছই ল'ৰাটোক গাখীৰ খুৱায়। এদিনাখন সক সতিনীয়েকে তাকো দেখিলে। ঘৰত আহি "মোৰ বৰ কাছ খাবৰ ইচ্ছা হৈছে। নদীৰ ঘাটত কাছ এটা আছে, তাকে ধৰি আনক।" বুলি কোৱাত গিৰিয়েকে নদীত বৰ বৰশী পাতি কাছ ধৰি আনি দিলে। সক সতিনীয়েকে কাছটো কাটি জাবৰৰ মাজত পেলাই দিলে। তেতিয়াও জীয়েকে কাছৰ মূৰটো নি বাৰীত পুতি থলেগৈ।

তাতে এডাল বেল গছ হ'ল। বেল গছডাল ডাঙৰ হ'ল। ডাঙৰ সতিনীৰ গছ বুলি জানি তাকো গিৰিয়েকক কাটিবলৈ দিলে। তেতিয়া বেল গছে জীয়েকক ৰাতি সপোনতে কলে, "বেল গছডাল কাটিলে তুমি তাৰ আগটো বগা চাদৰত বান্ধি থবা। তেতিয়া মই আকৌ মানুহ হব পাৰিম।" যেতিয়া বেল গছডাল কাটিলে তেতিয়া জীয়েকে মাকে সপোনত কোৱাৰ দৰে বেল গছৰ আগটো চাদৰত বান্ধি থলে। তাৰেপৰা কিছুদিনৰ পিচত মানুহ হ'ল।

বাছৰ বণিয়া

শিব ঠাকুৰৰ এজন পুতেক আছিল। তেওঁৰ নাম হৈছে বাছৰ বণিয়া। এজনী জীয়েক আছিল। তেওঁৰ নাম হৈছে থানশ্ৰী। বাছৰ বণিয়া ডাঙৰ, থানশ্ৰী সৰু। বাছৰ বণিয়াৰ সাবিত্ৰী নামৰ এজনী তিৰোতাৰ লগত বিয়া হ'ল।

বাছৰ বণিয়া বগা, ওখ, দেখিবলৈ ধুনীয়া ডেকা। তাকে দেখি ভাল পাই কালিন্দমুনী নামৰ এজনী তিৰোতাই গা যাচি ঘৰ সোমালহি। তাইকো বিয়া কৰিলে। বাছৰ বণিয়াৰ এজনী মাত্ৰ ভনীয়েক। সেই কাৰণে তাইক বৰকৈ মৰম কৰিছিল। সৰু ঘৈণীয়েক কালিন্দমুনীয়ে থানশ্ৰীক দুই চকুৰে দেখিব নোৱাৰিছিল। ককায়েক আন ঠাইলৈ গ'লে কালিন্দমুনীয়ে থানশ্ৰীক শাস্তি দিছিল।

বাছৰ বণিয়াই বেপাৰ কৰিবলৈ মন মেলি এখন নাও কাটিলে। নাও কটা হলে বেপাৰ কৰিবলৈ দূৰলৈ যাবলৈ মন কৰিলে। থানশ্ৰীয়ে কলে, "ককাই! তুমি আন ঠাইলৈ গলে মোৰ কাৰণে এটা টঙি ঘৰ বান্ধি দি যাবা। মই তাতেই থাকিমগৈ।" ভনীয়েকৰ কথামতে বাছৰ বণিয়াই এটা টঙি ঘৰ বান্ধি দি গ'ল।

বাছৰ বণিয়াই নাও লৈ এভোখৰ দূৰ ঠাইলৈ গ'ল। ইফালে ভনীয়েক থানশ্ৰীৰ বহুত কষ্ট হ'ল। টঙি ঘৰত উঠি থাকিলেও সৰু বৌয়েকে দাৰ নালেৰে খুচি মাটিত পেলাব খোজে। খুচি খুচি মাটিত পেলাব নোৱাৰি পিচত শিৰিয়েকৰ গাকৰ ওপৰত উঠি খুচিবলৈ ধৰিলে। তাকে দেখি থানশ্ৰীয়ে কলে, "ৰ বৌ! ককাইৰ গাকৰ ওপৰত উঠিব নালাগে। ময়ে নামি যাওঁ।" এই বুলি কৈ মাটিলৈ নামি আহিলত বৌয়েকে থানশ্ৰীক কোব এটা সোধাই মাৰি পানীত উটুৱাই দিলে।

ছোৱালীজনীয়ে "হে বৌ। মই কি কৰিছোঁ তোমাক। মোক ইমান কিয় শাস্তি দিছা? মোক নামাৰিবা বৌ!" বুলি কৈ কৈ ভৰিত ধৰি ধৰি কান্দিছিল। তথাপিও কালিচুমুনীয়ে মাৰিবলৈ নেৰিলে। সাবিত্ৰীয়ে বাধা দিছিল। একৰাইছিল। তথাপিও নেৰিলে। থানশ্ৰীক পানীয়ে উটুৱাই লৈ গ'ল। তেনেকৈ গৈ থাকি কাউৰী-ৰজাৰ বান্ধৰ বহাত সোমাই লাগি থাকিল। কাউৰী-ৰজাই বান্ধত মাছ চাবলৈ যোৱাত থানশ্ৰীক বহাৰ ভিতৰত দেখা পালে। পিচত বহাৰপৰা উলিয়াই আনি থানশ্ৰীক নিজৰ ঘৰত ৰাখিলে। ভালকৈ শুশ্ৰূষা কৰিলে। তাতেই থাকি থাকি থানশ্ৰী সুস্থ হৈ আহিল।

যি দিনা থানশ্ৰী কাউৰী ৰজাৰ ঘৰ গৈ পাইছে, সেই দিনাৰ-পৰা কাউৰী ৰজাৰ নগৰৰ দিনক দিনে শ্ৰীবৃদ্ধি হৈ আহিছে। ধন-সম্পত্তি বাঢ়ি আহিছে। আনহাতে বাছৰ বণিয়াৰ ঘৰত একো নোহোৱা হৈ আহিল। ইফালে নিজেও সপোনত বেয়া বেয়া দেখা পাইছে। সপোনত অতিকৈ বেয়া দেখাৰ কাৰণে বাছৰ বণিয়াই ঘৰলৈ উভতিবৰ কাৰণে আগৰ-মাঝি, গোবৰ-মাঝিক নাও উজাই বাই নিবলৈ হুকুম দিলে। তেতিয়াহে আগৰ-মাঝি আৰু গোবৰ-মাঝিয়ে চৰিৰে মাটিত খোচ দি বল দি নাও ঠেলিলে। তাতেই ৰিং ৰিং শব্দেৰে পানী তুফাল কৰি নাও উজাই আহিল।

উজাই আহি আহি নাও কাউৰী-ৰজাৰ বান্ধত বন্ধ হৈ থাকিল। কোনোফালে বান্ধৰপৰা নাওখনি পাৰ কৰিব নোৱাৰি কাউৰী-ৰজাৰ ঘৰলৈ বাছৰ বণিয়া গললৈ বাট এৰি দিয়াৰ কাৰণে। কাউৰী-ৰজাৰ ঘৰত বাছৰ বণিয়াই ভনীয়েক থানশ্ৰীক মুখামুখিকৈ দেখা পালে। থানশ্ৰী হয়নে নহয় বাছৰ বণিয়াৰ সন্দেহ উপজিল। পিচত সুধি পেলালে, "তুমি মোৰ ভনী থানশ্ৰী নেকি?"

থানশ্ৰীয়ে কলে, "নহওঁ। মই তোমাৰ ভনীয়েৰা থানশ্ৰী নহওঁ। মই কাউৰী-ৰজাৰ ভনীয়েক বৰধান ৰঙাহে।" বাছৰ বণিয়াই আগতে ঘৰত গৈ চাব লাগিব বুলি ভাবি কাউৰী-ৰজাৰপৰা বিদায় লৈ ঘৰমুৱা হৈ আহি। পিচত ঘৰত গৈ সঁচাকৈয়ে থানশ্ৰীক দেখা নাপালে। ঘৈণীয়েকক সোধাত কালিচুমুনীয়ে কলে, "দেখা পোৱা নাই আমি তোমাৰ ঘূৰি ফুৰা ভনীয়েৰাক। তুমি যোৱাৰপৰা ঘৰতে নাই।" তেতিয়াহে বাছৰ বণিয়াই "হায় ভনী!" বুলি কৈ কান্দি কান্দি ফুৰিলে। পিচত কাউৰী-ৰজাৰ-পৰা ভনীয়েক থানশ্ৰীক নিবলৈ আহিল।

ভনীয়েকে গীত গায়— নহওঁ, তোমাৰ ভনীয়েৰা
থানশ্ৰী নহওঁ মই।
কাউৰী-ৰজাৰ ভনীয়েক
বৰধান ৰঙাহে।"

ককায়েকে গায়— "হায় ভনী, তেনেকৈ নকবা।
যিমান কৰিলে কালিতুমুনীয়ে,
হায় ভনীটি মই তোমাক
টঙিঘৰ বান্ধি থৈ গৈছিলোঁ।
মোৰ দোষ নহয়
যিমান কৰিলে নানা বিলাই বিপত্তি
কালিতুমুনীয়ে।

তেনেকৈ গীত গাই গাই চিফুং, জোথা ইত্যাদি বজাই ভনীয়েকক আদৰি ঘৰলৈ আনিলে।

বৰ লোৱা, চাউল এটা দুটা হওক।
এশীহ ধানেই দুশীহ হওক।
বুঢ়া বাথৌ মহাৰজাৰ ওচৰত আমি
বৰ মাগোঁ।
মদৰ পুখুৰী ভাতৰ আলি হওক
বুঢ়া বাথৌৰ মৰমত হওক।

ভেকুলী বীৰৰ সাধু

এহাল বুঢ়া-বুঢ়ী আছিল। এদিনাখন সিহঁতে ঘৰৰ ওচৰৰে জানটোত অলপ ঠেকা দি বহা পাতিলে। মাছৰ আশাত উচ্‌পিচ্ কৰি থাকোঁতে বুঢ়া-বুঢ়ীহালৰ ৰাতি টোপনি নাহিল। পিচদিনা দোকমোকালিতে বহা চাবলৈ গ'ল। বুঢ়া-বুঢ়ী গৈ বহাৰ ওচৰ পোৱাত বহাৰ ভিতৰত হৰ-হৰ শব্দ শুনিলে। বহাত বহুত মাছ পৰিছে বুলি ভাবি বুঢ়া-বুঢ়ীয়ে বৰ ৰং পালে। কোনোমতে বহাটো পাৰলৈ তুলি আনি দেখিলে ভেকুলীহে ভৰি আছে। বুঢ়াৰ ভেকুলীৰ ওপৰত বৰ খং উঠিল আৰু বহাৰপৰা ভেকুলীবোৰ উলিয়াই আনি মাৰিবলৈ ধৰিলে।

তাৰে এটা ভেকুলী বুঢ়াৰ খালৈৰ ভিতৰত সোমাই থাকিল। ঘৰলৈ ওভতোঁ ওভতোঁ বুলি খালৈটো হাতত লওঁতে খালৈৰ ভিতৰত ভেকুলীটো দেখা পাই বুঢ়াৰ খং দুগুণে চৰিল। মাৰি পেলাম বুলি হাতত লাঠি তুলি লোৱাত ভেকুলীয়ে বুঢ়াক কলে, "দোহাই পিতা, দোহাই! মোক মাৰিলে পাপ লাগিব। মোক মাৰি নেপেলাব। মই আপোনাক হাল-চহ কৰি খেতি কৰি খুৱাম।"

ভেকুলীৰ কথাত বুঢ়াৰ তাৰ প্ৰতি পুতৌ উপজিল আৰু তাক ঘৰলৈ লৈ আহিল। ভেকুলী বুঢ়াৰ ঘৰত থাকিলহি। এদিনাখন ভেকুলীয়ে হাল-চহ কৰিবলৈ বুঢ়াক এহাল গৰু আনিবলৈ কলে। যিমানে বেয়া গৰু নহওক তথাপিও আনিবলৈ কলে। বুঢ়াই গৰু বিচাৰি বিচাৰি এজন মহাজনৰ গোহালিৰপৰা উঠিব নোৱৰা বুঢ়া আৰু ভৰিত বিষ থকা এহাল গৰু আনি দিলে।

বুঢ়াই নিজে গৰুহাল খেদি আনিব নোৱৰাৰ কাৰণে পুতেক ভেকুলীক গৰুৰ কথাটো কলেহি। ভেকুলী গৈ গৰুহাল দেখি বৰ আনন্দ

পালে আৰু বুঢ়াক "বৰ ভাল গৰু পিতা, বৰ ভাল গৰু!" বুলি চকুৰ পচাৰতে গৰুৰ ভৰিত বেজী সুমুৱাই দিলে। গৰুহাল বৰ চোকা হৈ পৰিল। নেজত পাক দি চেকুৰাই দিয়াৰ লগে লগে গৰুহালে দৌৰিবলৈ ধৰিলে। ভেকুলীয়ে গৰুহাল খেদি আনিলে। মানুহবোৰে দেখি আচৰিত মানিলে।

ঘৰলৈ আহি ভেকুলীয়ে পিতাকক পুৰণি ফাল, পুৰণি নাঙল, পুৰণি যঁৱলি বিচাৰি আনিবলৈ দিলে। নিজে মাটি বিচাৰি গ'ল। সময়ত সকলো যোগাৰ হোৱাত ভেকুলীয়ে ৰাতি ৰাতি মানুহৰ আকৃতি লৈ বাৰ বীৰগণক লৈ, হাবিৰ মাজত ঢোল কোবালে যিমান দূৰলৈ শুনে সিমান দূৰলৈ, ধানৰ খেতি কৰিলে।

এদিনাখন কুকুৰা-ৰজা হাতী লৈ সেইপিনে চিকাৰলৈ গৈছিল। ৰজাৰ হাতীয়ে ভেকুলীৰ ধান খেতি অলপ গছকিছিল। সেইকাৰণে ভেকুলীয়ে আলিৰ ওপৰত উঠি এচুকত বহি লৈ ৰজাক গালি পাৰিবলৈ ধৰিলে। সোনকালে তাৰপৰা ওলাই নগলে ৰজাক এশিকনি দিব বুলিও কলে। ৰজাই ইফালে চাই কাকো নেদেখি হাতীক আকৌ ধান গছকিবলৈ দিলে। ভেকুলীয়ে ৰজাক আকৌ গালি পাৰিলে। ৰজাই আকৌ হাতীক ধান গছকিবলৈ দিলে। এইবাৰ ভেকুলীৰ ৰজালৈ বৰ খং উঠিল। ৰজা ঘৰলৈ যোৱাত ভেকুলীও ৰজাৰ ঘৰলৈ গৈ ৰজাক বৰলেৰে কামোৰালে।

বৰলক কামুৰিবলৈ দি ভেকুলীয়ে ৰজাক কলে, "কেনে মজা পাইছা? মোৰ ধান হাতীক গছকিবলৈ দিছিলা। এতিয়া তোমাৰ জীয়েৰাক মোক দিয়া। নহলে এৰিবৰ নাই।" বৰলৰ কামোৰত ৰজাৰ মুখ বোন্দা মেকুৰীৰ দৰে হল। ভেকুলীৰ কথাত ৰজা বৰ বিমোৰত পৰিল। উপায় নাপাই ৰজাই ভেকুলীৰ লগত ডাঙৰ জীয়েকক বিয়া দিম বুলি প্ৰতিজ্ঞা কৰিলে।

ৰজাই ভেকুলীক কলে, "তুমি এৰাতিৰ ভিতৰতে মোৰ নগৰৰপৰা তোমাৰ ঘৰলৈ বাটৰ দুই কাষে তামোল, কঠালৰ গছ কই দিব লাগিব।"

ৰজাৰ জীয়েকৰ নাম মলমথি আছিল। ভেকুলী বীৰে মলমথি গাভৰুক পাবৰ আশাৰে এৰাতিৰ ভিতৰতে ৰজাই কোৱামতে তামোল, কঠালৰ গছ কই দিলে। ৰজাই ভেকুলীৰ কাৰ্য্য দেখি এফালে আচৰিত হ'ল, আনফালে ভেকুলীক নিজৰ ছোৱালী বিয়া দিব লগীয়া হোৱাত মনত দুখো পালে।

বিয়াৰ দিনা ভেকুলী বীৰে দলে বলে মানুহ লৈ দলদোপ হেন্দোল

দোপ কৰি বিয়া কৰাবলৈ গ'ল। মলমথি গাভৰুৱে যি দিনাৰপৰা ভেকুলীৰ লগত নিজৰ বিয়া হ'ব বুলি জানিলে সেইদিনাৰপৰা ভাত-পানী খাবলৈ এৰি দিলে। বিয়াৰ দিনা আহিবৰ সময়ত মলমথিয়ে কান্দি কান্দি গীত গালে,

আই ঐ আই, পিতা গুৰু!
কি কপাল লৈ আহিলোঁ মই,
পখীয়ে পখীৰ লগত যোৰ পাতে,
পোকে পোকৰ লগত যোৰ পাতে,
মোৰ কি কপাল মানুহৰ সন্তান হৈ
ভেকুলীৰ লগত বিয়া হয়।
যাওঁ আই, যাওঁ,
তুমি আয়ে বসুমতীত অঠু কাঢ়ি জনম দিলা,
আজিৰপৰা মই কেনেকৈ তোমাৰ মুখ দেখা পাম।

মলমথি গাভৰু গিৰিয়েকৰ লগত আহিল; কিন্তু সদায় হা-হুমুনিয়া-হেৰে দিন কটাবলৈ ধৰিলে। ভেকুলীয়ে ঘৈণীয়েকক তাক মদ-ভাত খুৱাই দিবলৈ কয়। ঘৈণীয়েকে খুৱাই নিদিয়ে। ভেকুলী বুলি নানা তাচ্ছিল্য কৰে। ভেকুলীয়ে মাক-পিতাকক ঘৈণীয়েকে কৰা তাচ্ছিল্যৰ কথা চিঞৰি চিঞৰি কৈ দিয়ে। তেতিয়া ভেকুলীৰ মাক-পিতাকে মলমথিক তাইৰ মাক-পিতাকৰ নাম ধৰি গালি-শপনি পাৰে। মলমথিয়ে তেতিয়া অনিচ্ছা সত্ত্বেও ভাত খুৱাই দিয়ে।

মলমথিৰ ভনীয়েকক ফেছুৱা বজাই বোৱাৰী কৰি নিব। তাৰ বাবে বিয়াৰ দিন ঠিক কৰা হ'ল। সেই বিয়ালৈ মলমথি গাভৰুৱে শহুৰ শাহুৱে-কৰপৰা বিদায় লৈ আৰু ভেকুলী গিৰিয়েকক কৈ আহিল।

মলমথি যোৱাৰ পিচত ভেকুলী সখীয়েকৰপৰা ঘোঁৰা এটা আনি তাতে উঠি বিয়ালৈ গল। বিয়াৰ ঘৰ পোৱাৰ আগতে ভেকুলীয়ে নিজৰ ভেকুলী ছালখন সোলোকাই মানুহৰ ৰূপ ললে। সুৰত পাগুৰি মাৰি বিয়া ঘৰলৈ গল। এডোখৰ ঠাইত ঘোঁৰাটো বান্ধি থৈ বিয়াৰ ৰভাৰ মজিয়াত আন সমজুৱাৰ মাজত বহিলগৈ। বহিয়েই সি চেৰেঙা বজাবলৈ আৰম্ভ কৰি দিলে।

সি চেৰেঙাত এনে ৰাগিণী দিলে, যি ৰাগিণীৰ সুৰত গছৰ পাত-বোৰ কোমল হৈ পোখা মেলি উঠিল, ৰাগিণীৰ সুৰত গছৰ পাতবোৰ বুঢ়া

হৈ সৰি পৰিল। চেৰেঙ্গাৰ সুৰেৰে মলমথিক লৈ গীত গালে ;

অ' মোৰ সোণাই।
নাচিবা হালি জালি
আনন্দ কৰ'। সোণাই,
আনন্দ কৰ'।
অ' মোৰ সোণাই, সুখ আনন্দেৰে থাকিব লাগে।
ডেকুলীক লৈ তুমি কিয় হা-হুমুনিয়া এৰি থাকা।
যি কপালত হব লগীয়া আছে সেয়ে হ'ল।

তাৰ চেৰেঙ্গাৰ ৰাগিণী শুনি সকলোৱে আচৰিত হল। গাভৰুহঁতে পাৰেমানে নাচিলে। মলমথিয়েও নাচিলে। মলমথিয়ে ভাবিলে—আহা কি ধুনীয়া ডেকা, কি অপৰূপ সুন্দৰ! এই হেন পুৰুষৰ লগত বিয়া নহৈ মোৰ কোন ডেকাৰ লগত বিয়া হল। নিজক নিজে ধিক্কাৰ দিলে মলমথিয়ে। ডেকুলীৰপৰা ওলোৱা মানুহটো চেৰেঙ্গা বজোৱা বন্ধ কৰি ঘোঁৰাত উঠি আকৌ ঘৰলৈ আহিল। মলমথিয়ে যিমান দেখা পায় সিমান দূৰলৈ চাই পঠিয়ালে।

মলমথি ঘৰলৈ আহিবৰ সময়ত মাকে তাইক বহুত পাহৰিৰ মণ্ডহ দি পঠিয়াইছিল। মনৰ বেজাৰত মলমথিয়ে সেইবোৰ কাউৰী, চিলনীক বিলাই দি আহিছিল। ডেকুলী গিৰিয়েকলৈ লৈ অহা নাছিল।

এদিন আকৌ মলমথিৰ সখীয়েকৰ বিয়া আহিল। মলমথিয়ে সেই-দিনাও চেৰেঙ্গা বজোৱা মানুহক দেখা পাম বুলি মনতে বৰ বং পালে আৰু যিমান পাৰে সিমান ধুনীয়াকৈ নিজকে সজাই পৰাই বিয়ালৈ গ'ল। বিয়াত সঁচাকৈয়ে সেই ডেকাজনক দেখা পালে। পাণ-তামোল খাই মলমথিয়ে মুখখন বৰ ধুনীয়া কৰি লৈছিল।

ডেকুলীয়ে ধুনীয়া ডেকা হৈ বিয়াত ৰভাৰ এচুকত বহি চেৰেঙ্গাত ৰাগিণী তুলিবলৈ ধৰিলে। এনে ৰাগিণী তুলিলে যে বিয়ালৈ অহা সকলো মানুহে মোহিত হৈ তাৰ ফালে চাই থাকিল। মলমথিয়ে হিয়াৰ আনন্দেৰে নাচিলে। ডেকুলীয়েও পাৰেমানে চেৰেঙ্গাত ৰাগিণী তুলি দিলে। মলমথিয়ে সেই ডেকাজনৰ লগতে পলাই যাব খুজিছিল ; কিন্তু নোৱাৰিলে। ডেকুলী ঘোঁৰাত উঠি ঘৰলৈ আহিল : এই ডেকাজনক পাবৰ বাবে মলমথিয়ে হা-হুমুনিয়াহেৰে দিন কটাবলৈ ধৰিলে।

এদিনাখন মলমথিয়ে সখীয়েক খকাতিৰ নিমন্ত্ৰণ পালে। সুন্দৰ ডেকা-

জনক বিয়াত আকৌ দেখা পাম বুলি মলমথিৰ মন আনন্দতে নাচি উঠিল। নানা ৰঙৰ দখ্‌না, নানা প্ৰকাৰৰ অলঙ্কাৰ গাত পিন্ধি মলমথি বিয়ালৈ যাবলৈ ওলাল। ভেকুলীও লগতে যাবলৈ ওলাইছিল। মলমথিয়ে ধমক দি এৰি থৈ গ'ল।

বেচেৰা ভেকুলীয়ে পিচত সখীয়েকৰ ঘোঁৰা খুজি লৈ বিয়ালৈ গ'ল। কিছু দূৰ গৈ নিজৰ ভেকুলীৰ সাজ সলাই সুন্দৰ ডেকা হৈ পুনৰ ঘোঁৰাত উঠি বিয়াঘৰ পালেগৈ। বিয়াৰ ৰভাতলিৰ এচুকত বহি আগৰ দৰে চেৰেঙ্গা বজাবলৈ ধৰিলে। মলমথিয়ে এইবাৰ আকৌ ডেকাজনৰ লগত পলাই যাবলৈ ঠিক কৰিলে। ভেকুলী ডেকাই চেৰেঙ্গা বজাই থাকেমানে মলমথিয়ে ভেকুলী ডেকাৰ ঘোঁৰাৰ নেজত এডাল ৰঙা সূতা বান্ধি চিন ৰাখিলে। ডেকাই যেতিয়া চেৰেঙ্গা বজোৱা বন্ধ কৰি ঘোঁৰাত উঠি ঘৰলৈ আহিবলৈ ধৰিলে মলমথিয়ো ঘোঁৰাৰ পাচে পাচে আঁৰে আঁৰে দৌৰিবলৈ ধৰিলে।

কিছু দূৰ আহি ডেকাজনে আকৌ ভেকুলীৰ সাজটো পিন্ধি ঘৰলৈ গ'ল। মলমথিৰ বুজিবৰ বাকী নাথাকিল। মনত আনন্দই নধৰা হ'ল। ঘৰলৈ আহি দেখে যে নিজে বন্ধা ৰঙা সূতা ঘোঁৰাৰ নেজত তেতিয়াও আছে। গিৰিয়েকৰ ভেকুলীৰ ছালখন কেনেকৈ একৰাই দিব পাৰি মলমথিৰ তাৰেই চিন্তা হ'ল।

এদিনাখন মলমথিয়ে বৰা চাউলৰ মদ বনালে। মদ বনোৱা হ'লত গিৰিয়েক ভেকুলীক মাতি উকত শুৱাই মদ খুৱালে। বৰা চাউলৰ মিঠা সোৱাদৰ মদ খাবলৈ পাই ভেকুলীৰ লোভ বাঢ়িল। পাৰেমানে খালে। পিচত বহুত নিচা হৈ টোপনি গ'ল। তেতিয়া মলমথিয়ে লাহেকৈ ভেকুলীৰ গাৰ ছালখন কাটি একৰাই আগতে জ্বলাই থোৱা জুইত জাপি দি পুৰি পেলালে। ভেকুলী গুচি সুন্দৰ ডেকা হ'ল। টোপনিৰপৰা সাৰ পাই গিৰিয়েক ঘৈণীয়েক দুয়ো হাঁহিলে। দুয়ো আনন্দ কৰি সুখেৰে থাকিল।

দানেক ৰজা

এজন ৰজা আছিল। তেওঁ নিজৰ প্ৰজা আটাইবোৰেই ধনী হওক, তাকে কামনা কৰিছিল। দুখীয়া দেখা পালে টকা-পইচা দি সহায় কৰিছিল। সেই ঠাইত খৰি-কটা-বুঢ়া আৰু খৰি-কটা-বুঢ়ী আছিল। সিহঁতে ছিৰা-ফটা টাপলি দিয়া কাপোৰ পিন্ধি খৰি বেচিবলৈ যোৱাত ঠিক সেই সময়তে ৰজাই সিহঁতক দেখা পালে। ৰজাই সিহঁতক কলে, "তোমালোক আজিৰ-পৰা তেনেকৈ দুখীয়া হৈ থাকিব নালাগে। লৈ যোৱা এয়া কাপোৰ-কানি আৰু টকা-পইচা দি পঠিয়ালোঁ।"

বুঢ়া-বুঢ়ীয়ে গাত নতুন চোলা-কাপোৰ পিন্ধি টকা-পইচা লৈ ঘৰমুৱা হ'ল। দাদা আৰু বিজিতা নামৰ দুজন ভাই-ককায়ে বাটত বুঢ়া-বুঢ়ীক লগ পাই সুধিলে। তেতিয়া বুঢ়া-বুঢ়ীয়ে ৰজাক পাবেমানে বখানিলে। ৰজাক বখনা শুনি দাদা আৰু বিজিতাৰ চকুৰ পোৰণি উঠিল। সিহঁতে বুঢ়া-বুঢ়ীৰ কাপোৰ-কানি কাঢ়ি নিলে। বুঢ়া-বুঢ়ীয়ে কথাটো ৰজাক জনালে আমাৰ কাপোৰ-কানি, টকা-পইচাবোৰ কাঢ়ি নিলে বুলি। ৰজাই বুঢ়া-বুঢ়ীক নতুন কাপোৰ দি পঠিয়ালে।

বুঢ়া-বুঢ়ীয়ে নতুন কাপোৰ লৈ গ'লত আকৌ দাদা আৰু বিজিতাই বাটতে কাঢ়ি নিলে। সেই কথা ৰজাক জনালত ৰজাই আকৌ বুঢ়া-বুঢ়ীক কাপোৰ-কানি দি পঠিয়ালে। ৰজা এইবাৰ বুঢ়া-বুঢ়ীৰ লগত নিজেও গ'ল। ৰাণীয়ে ৰজাক বুঢ়া-বুঢ়ীৰ লগত যাবলৈ বাধা দিছিল। ৰাণীয়ে ৰজাক কলে, "মই আজি সপোনত বৰ বেয়া দেখা পাইছোঁ। আজি আপুনি যাহিবলৈ যাব নালাগে।" ৰাণীৰ কথা ৰজাই নামানিলে। ৰজা গ'ল।

ৰজাই লৈ বাটতে দেখা পালে দাদা আৰু বিজিতাই চিলনী হৈ বুঢ়া-বুঢ়ীৰ কাপোৰ-কানিবোৰ কাঢ়ি লৈ গ'ল। তাকে দেখা পাই ৰজাই ভবো-

ঝালেৰে কাটিবলৈ খেদিলে। তিনিওজনৰে আকাশৰ ওপৰত যুদ্ধ লাগিল। যুদ্ধ কৰি কৰি ৰজাক ভৰিৰে লঠিয়াই সিহঁতে পেলাই দিলে। ৰজা গঁড়ে গা ধোৱা ঘাটত ধম্‌কৈ পৰিলহি। পিচত গঁড় গা ধুবলৈ আহোঁতে তাৰ নেজত জোৰকৈ ধৰি থাকিল আৰু পাৰলৈ উঠি আহিলত ৰজাও উঠি আহিল। হাবিৰ মাজত হাতৰ মুঠি এৰি দি মাটিত পৰি থাকিল। পিচত গৈ গৈ গৰখীয়াহঁতক লগ পালে। এজন মানুহৰ ঘৰত থাকি গৰখীয়া হ'ল। এদিনাখন গৰু এৰিবৰ সময়ত গৃহস্থই মাৰি খেদি দিলে।

তাৰ পাচত ৰজাই কমাৰৰ ওচৰত গৈ দা-কুঠাৰ গঢ়াবলৈ শিকিলে। দাদা আৰু বিজ্‌জিম্বাই চিলনী হৈ দা-কুঠাৰ আটাইবোৰকে থাপ মাৰি লৈ গ'ল। কমাৰে ৰজাক চোৰ ধৰি বান্ধি পেলালে আৰু নিজ ৰাজ্যৰ ৰজাৰ ওচৰলৈ লৈ গ'ল। বিচাৰত সেই ৰজাই দানেক ৰজাৰ এটা চকু আৰু এটা আঠুৰ ঘিলা একৰাই চুৰনিত পেলাই থলে।

দানেক ৰজাই বৰ কৰুণ গীত গাই থাকিল। খৰি-কটা-বুঢ়া আৰু বুঢ়ীয়ে দানেক ৰজাক পাবলৈ সেই দেশৰ ৰজাৰ ওচৰত প্ৰাৰ্থনা কৰিলে। কিন্তু সিহঁতেও দানেক ৰজা বুলি চিনি পোৱা নাছিল। বুঢ়া-বুঢ়ীৰ ঘৰলৈ গৈ দানেক ৰজাই দুখৰ গীত গাই থাকিল। গঁড়-ৰজাৰ জীয়েক লক্ষ্মীশ্ৰীয়ে গীত শুনি দানেক ৰজাক বিয়া কৰাবলৈ মন কৰিলে। "সত্য সত্য তিনি সত্য-শপত খাই সেই গীত গোৱা মানুহজনক বিয়া কৰাম" বুলি প্ৰতিজ্ঞা কৰিলে। মানুহজনক চাবলৈ বুঢ়া-বুঢ়ীৰ ওচৰলৈ গ'ল। লক্ষ্মীশ্ৰীয়ে মানুহ-জনৰ এটা চকু আৰু আঠুৰ এটা ঘিলা নহলেও চেহেৰা-পাতি বৰ ধুনীয়া দেখা পালে। লক্ষ্মীশ্ৰীয়ে তেওঁকে পতি বৰণ কৰিলে।

দানেক ৰজাৰ লক্ষ্মীশ্ৰীৰপৰা তিনিজন পুতেক হ'ল। পুতেকহঁতৰ সোণাশ্ৰন, ৰূপাশ্ৰণ আৰু লক্ষ্মীশ্ৰণ নাম ৰাখিলে। এদিনাখন লৰাহঁতে চোতালত আঠু কাঢ়ি উমলি থকা সময়ত সেই শনি বিজ্‌জিম্বাই থাপ মাৰি আকাশলৈ উৰাই লৈ গ'ল। চিলাই থাপ মাৰি লৈ যোৱাত লক্ষ্মীশ্ৰীৰ মনত বৰ দুখ লাগিল। এই দুখ পাতলাবলৈ এদিনাখন লক্ষ্মীশ্ৰী সখীয়েকৰ ঘৰলৈ গ'ল। তাতো চিলনী হৈ বিজ্‌জিম্বাই ইফালে সিফালে উৰি লক্ষ্মীশ্ৰীক বৰ আমনি দিলে। চিলনীক ধৰিবলৈ লক্ষ্মীশ্ৰীয়ে ফান্দ পাতিলে। ফান্দত বিজ্‌জিম্বা পৰিল। লক্ষ্মীশ্ৰীয়ে মাৰি প্ৰাণ শেষ কৰিব খুজিলত চিলনীয়ে কলে, "মই তোমাৰ তিনিজন ল'ৰা ওভতাই দিম। তোমাৰ গিৰিয়েৰাৰ চকু আৰু আঠুৰ ঘিলাও ঘূৰাই দিম।" দানেক ৰজাই তিনিজন ল'ৰা আৰু

আঠুৰ ঘিলা আৰু চকু ফিৰাই পালে।

তেওঁ নতুন নগৰ পাতি থাকিল। পুতেকইত চন্দ্ৰকলাৰ দৰে বাঢ়ি আহিবলৈ ধৰিলে। ডেকা হোৱাত তিনিও ভাই-ককাই দেশ ঘুৰিবলৈ ওলাল। সিহঁত গৈ গৈ দানেক ৰজাৰ পুৰণি ঘৰত সোমালগৈ। তাতেই ৰাতি বঞ্চিলে। ল'ৰা কেইজন বৰ ধুনীয়া মৰম লগা দেখা পাই ৰাণীয়ে সিহঁতক ধৰ্ম্মপুতেক পাতি লবলৈ ইচ্ছা কৰিলে। ৰাতি শুৱৰ সময়ত সোণাশ্ৰণে সাধুকথা কলে। দুজন ভায়েকে হয়, হয়, বুলি হুঁকাৰ ধৰিলে।

সোণাশ্ৰণে গীত গাই গাই দানেক ৰজাৰ সাধু কলে। ৰাণীয়ে ঘৰৰ এচুকত থাকি সাধুকথা শুনি আছিল। সাধুকথা কৈ কৈ যেতিয়া সিহঁতে দেশ ঘুৰাৰ কথা পৰ্য্যন্ত পালেগৈ ৰাণী ৰব নোৱাৰিলে। সোণাশ্ৰণক সাৱট মাৰি লৈ চকুলো টুকিলে আৰু সুধিলে, "ক'ত আছে সেই ৰজা? ব'লা মোক দেখুৱাই দিয়াঁগৈ।" পিচদিনা ৰাতিপুৱা ৰাণী সিহঁতৰ লগত গ'ল। সঁচাসঁচিকৈ দানেক ৰজাক দেখা পালে আৰু নিজৰ গিৰিয়েক বুলি চিনি পালে। সাৱটি ধৰি কান্দিলে। তেতিয়াৰপৰা আটাইকেইজনে লগ হৈ সংসাৰ যাপন কৰিবলৈ ধৰিলে।

ব্যাখ্যামূলক সাধু

লাঙ্কা-ছায়খো (কঠাল পকোঁ) পখী

এখন গাঁৱত এজন মহাজন আছিল। তাৰ নাম কঠাল পকোঁ। কঠাল পকোঁৰ একোৰে অভাৱ নাছিল। সেই সময়তে এখন গাঁৱত সাতজন ভাই-ককাই আছিল। সেই সাত ভাই-ককাই চিকাৰলৈ গৈছিল। সিঁহত চিকাৰ কৰিবলৈ গৈ বাট ভুল কৰি কঠাল পকোঁ মহাজনৰ পামত সোমালগৈ। চিকাৰত মহাজনৰ আহুধানৰ খেতি খচাত অলপ নষ্ট হ'ল।

মহাজনে নিজৰ খেতি চাবলৈ যোৱাত সেই সাতজন ভাই-ককাইক লগ পালে। মহাজনে নিজৰ আহুধান নষ্ট কৰা দেখি সিঁহত সাতজন ভাই-ককাইক বান্ধি থলে। তেতিয়া আটাইতকৈ সৰু ভায়েকজনে মহাজনক কলে, "আমাৰ আটাইকেইজনকে বান্ধি থলে ঘৰত কোনে খবৰ দিব? সেই-কাৰণে আপুনি মোক ৰাখি থওক, ককাইঁহতক এৰি দিয়ক।" তেওঁৰ কথা-মতে বাকী কেইজনক এৰি দি সৰু ভায়েকক ৰাখি থলে। সৰু ভায়েকৰ নাম গিলাশ্ৰণ।

গিলাশ্ৰণে কঠাল পকোঁ মহাজনৰ তাত চাকৰ খাটিলে। ধান খেতিৰ বতৰত আন আন চাকৰেৰে সৈতে গিলাশ্ৰণকো পামলৈ পঠিয়াই দিলে। সি নাঙল যুঁৱলি লৈ পামলৈ গ'ল। আনে কাম কৰিলে গিলাশ্ৰণে একো কাম নকৰিছিল। কাম কৰা আন মানুহবোৰকো গিলাশ্ৰণে কাম কৰিবলৈ মানা কৰিছিল। নিজেও শুই আছিল। এইদৰে বহুত দিন গ'ল। হাল চহ কৰি খেতি কৰা নহল। পামলৈ লৈ অহা চাউল সাং হ'ল।

এজন চাকৰ মহাজনৰপৰা চাউল আনিবলৈ গ'ল। মহাজনে চাকৰক সুধিলে "খেতি কিমান কৰা হ'ল" বুলি। তেতিয়া চাকৰজনে কলে, "খেতি কৰা হোৱা নাই। এতিয়াহে এডোখৰ চহ কৰা হৈছে।" মহাজনে এই কথা শুনি চাকৰহঁতক বাককৈয়ে গালি পাৰিলে আৰু সোন-

কালে খেতি কৰি শেষ কৰিব লাগে বুলি ধমক দি পঠিয়ালে।

মহাজনৰপৰা চাউল নিয়া চাকৰজনক মহাজনে সিহঁতক কিবা কৈছে নেকি বুলি গিলাশ্ৰণে সুধিছিল। চাউল নিবলৈ অহা মানুহজনে সিহঁতক মহাজনে ধমক দি গালি পৰা বুলি কলে। চাকৰবপৰা এই কথা শুনি গিলাশ্ৰণে কলে, "এহ, গালি পাবক, তাৰ গালি একো নহয়। ব'ল', আজি মাছ মাৰিবলৈ যাওঁগৈ। মাছ-মঙহ খাই বৈ কাম কৰিম।" এই বুলি সকলোকে মাছ মাৰিবলৈ নদীলৈ লৈ গ'ল। মাছ মাৰি আনি সকলোৰে পেট ভৰাই ভাত-পানী খাই শুই থাকিল। সেইদিনাও কাম কৰা নহল। এইদৰে চাকৰবোৰ এলেহুৱা হৈ পৰিল।

গিলাশ্ৰণ হেনো বীৰ আছিল। তেওঁ সিহঁত থকা ঠাইৰপৰা অলপ আঁতৰত বাৰ বীৰসকলক লগত লৈ ঢোল কোবালে যিমান দূৰলৈ শুনা যায় সিমান দূৰত্বৰ মাটিত খেতি কৰিছিল। এই কথা তেওঁৰ লগৰীয়াসকলৰ কোনেও গম পোৱা নাছিল।

পামলৈ চাউল আনিবলৈ এজন চাকৰ আকৌ গ'ল। মহাজনে সেই চাকৰজনক সিহঁতে খেতি কৰিছে নে নাই সুধিলে। চাকৰে মুঠেই ধানৰ খেতি কৰা হোৱা নাই বুলি কোৱাত মহাজন খঙতে জ্বলি পকি উঠিল। চাকৰহঁতক পাৰেমানে গালি-শপনি পাৰিলে। "তহঁতে খেতি কৰা ধান মই মুঠেই নাখাওঁ" বুলি মহাজনে তিনি শপত খালে।

চাউল লৈ আহি পালত মহাজনৰ নো কিমান খং উঠিছে। তাক গিলাশ্ৰণে চাউল আনিবলৈ যোৱা চাকৰটোক সুধিলে। চাকৰটোৱে কলে, "নকবা, এইবাৰ মহাজনৰ ইমান খং উঠিছে যে আমি কৰা খেতিৰ ধান নাখাওঁ বুলি শপত খাইছে।" তেতিয়া গিলাশ্ৰণে কলে, "ভাল হৈছে। আমি যি ইচ্ছা তাকে কৰিম।" গিলাশ্ৰণে খেতি কৰা ধান বৰ ভাল হৈছিল।

এদিনাখন গিলাশ্ৰণে লগৰীয়াহঁতক লগত লৈ তেওঁ নিজে কৰা ধান খেতি চাবলৈ পথাৰলৈ গ'ল। বহুত পৰিমাণৰ মাটিত বৰ ধুনীয়া ধানৰ খেতি আৰু দীঘল দীঘল থোকবোৰ দেখা পাই গিলাশ্ৰণৰ লগৰীয়াহঁতে আচৰিত হৈ সুধিলে। তেতিয়া গিলাশ্ৰণে কলে, "এয়া আমি খেতি কৰা ধান। তোমালোকৰ দিশ ভ্ৰম হৈছে নেকি?" লগৰীয়াহঁতে একোকে নাজানিলে।

গিলাশ্ৰণে লগৰীয়াহঁতৰ হতুৱাই সাতোটা ভঁৰাল বান্ধিলে। গিলাশ্ৰণে

বাৰ বীৰসকলক লগত লৈ একে বাতিৰ ভিতৰতে ধান দাই মৰণা মাৰি সাতোটা ভঁৰাল ভৰাই পেলালে। এই কথাত লগৰীয়াইঁতে আচৰিত হৈ গিলাশ্ৰংক সোধাত গিলাশ্ৰংগে "তোমালোকক লৈ আমিয়েই কৰিছো" এই বুলি কলে। লগৰীয়াইঁতে এয়া সপোনেইনে দিঠকেই একো কব নোৱাৰিলে।

গিলাশ্ৰংগে এদিনাখন লগৰীয়াইঁতক কলে, "ককাইঁহঁত ! এই সাতোটা ভঁৰালৰ ধান আমাৰ নহয়। কঠাল পকোঁ বুঢ়াৰহে ধান। গতিকে আমি পৰৰ ধান খোৱাটো ভাল নহয়। কঠাল পকোঁ বুঢ়াই যিহেতু আমি খেতি কৰা ধান নাখাওঁ বুলি নিজৰ মাকৰ নামত শপত খাইছে, গতিকে এইধান পুৰি দিয়াই ভাল। আমাক গালি-শপনি পৰাৰ বাবে কঠাল পকোঁ বুঢ়াৰ অনুশোচনা হওক আৰু নিজৰ নাম কাঢ়ি কাঢ়ি কান্দি ফুৰক।" এই বুলি সাত ভঁৰাল ধানত জুই লগাই দিলে।

নিমিষতে জুই দপ দপকৈ জ্বলি উঠিল। জুইৰ ধোঁৱাবোৰে দিনতে আকাশ অন্ধকাৰ কৰি পেলালে। কঠাল পকোঁ বুঢ়াৰ চোতালত ছাইবোৰ পৰিলগৈ। ছাই সাৰিও শেষ কৰিব নোৱাৰিলে। সবাৰ বেজাৰত নসবাকৈ এৰা ছাইৰ দ'ম মানুহৰ এডিঙি পৰ্য্যন্ত ওখ হ'ল।

কঠাল পকোঁ বুঢ়াই ইফালে সিফালে দৌৰা-দৌৰি কৰি "কাৰ ধান পুৰিলে" বুলি সুধি ফুৰিবলৈ ধৰিলে। ঠিক তেনেতে এজন চাকৰে আহি কঠাল পকোঁ বুঢ়াক কলেহি, "আপুনি চাকৰইঁতে খেতি কৰা ধান নাখাওঁ বুলি শপত খোৱাৰ কাৰণে সাত ভঁৰাল ধান চাকৰইঁতে পুৰি দিলে। চাকৰৰ-পৰা এই কথা শুনি কঠাল পকোঁ বুঢ়াৰ মনত বেছি দাহ লাগিল আৰু নিজৰ নাম কাঢ়ি চিঞৰি কান্দি কান্দি হাবিত সোমাই গ'ল। তেতিয়াৰ-পৰা কঠাল পকোঁ বুঢ়া পখী হ'ল। আজিও কঠাল পকোঁ বুঢ়াই অনুশোচনা কৰি কান্দি থাকে।

হাৰগিলা পখীৰ সাধু

বড়ো-কছাৰীৰ সাধুকথামতে আগৰ দিনত হাৰগিলা পখী মানুহ আছিল। তেওঁ বৰিয়াকৈ চেবেঙা বজাব জানিছিল। চেবেঙা বজাই বজাই কাম-বন কৰিবলৈ পাহৰি গৈছিল। এদিনাখন গাঁৱৰ মানুহবোৰ এখন বিলত মাছ মাৰিবলৈ গ'ল। কেৱল চেবেঙা বজাব জনা মানুহজন মাছলৈ নগ'ল। মাছ মাৰিবলৈ নোযোৱা কাৰণে ঘৈণীয়েকে খং উঠি গিৰিয়েকক বৰকৈ গালি-শপনি পাৰিলে। ঘৈণীয়েকৰ গালি-শপনি সহ্য কৰিব নোৱাৰি তেওঁ চেবেঙাখন লৈ বাটলৈ ওলাই গ'ল আৰু মাজ বাটতে বহি চেবেঙা বজাবলৈ ধৰিলে।

মাছলৈ যোৱা মানুহবোৰে ভাৰক ভাৰে মাছ লৈ সেই বাটেৰেই উলটি আহিল। তেওঁ এনে সুৰত চেবেঙা বজালে যে বাটৰ মানুহে তেওঁৰ চেবেঙাৰ সুৰ শুনি কিছু সময় ৰৈ যাবলৈ বাধ্য হ'ল। তেতিয়া মানুহবোৰৰ আটায়ে ই এটা সি এটা তেওঁক মাছ দি থৈ গ'ল। সেইবোৰ মাছেই তেওঁৰ এভাৰ হ'লগৈ।

মাছৰ ভাৰ চোতালত পেলাই দি ঘৈণীয়েকক কিলালে। ঘৈণীয়েকে মাৰ খাই ঘৰৰ ভিতৰত দুৱাৰ জপাই সোমাই থাকিল। গিৰিয়েকে মাতেঁা-তেও বাহিৰলৈ ওলাই নাহিল। বহুত অনুনয় বিনয় কৰিও ঘৈণীয়েকক বাহিৰলৈ উলিয়াই আনিব নোৱাৰি দুখ আৰু বেজাৰত চেবেঙা বজাই ঘৰৰ চালৰ ওপৰত উঠিবলৈ ধৰিলে। চেবেঙাৰ মধুৰ মাত শুনি ঘৈণীয়েকে ঘৰৰপৰা ওলাই আহি ওপৰলৈ চাই দেখে গিৰিয়েকে চালৰ ওপৰত ঘূৰি ঘূৰি উৰি চেবেঙা বজাব লাগিছে। তেতিয়া ঘৈণীয়েকে কলে, "হায় স্বামী! তুমি দোষ ক্ষমা কৰি ঘূৰি আহাঁ।" ঘূৰি নহা দেখি কৰ্মটো মাৰি মাটিত নমাব খুজিছিল। তেতিয়া গিৰিয়েক বহুত দূৰলৈ উৰি গ'ল। পিচত সেয়ে হাৰ-গিলা পখী হ'ল। সেই কাৰণে আজিও হাৰগিলা পখী উৰিলে চেবেঙাৰ সুৰৰ দৰে শব্দ শুনা যায়।

শালিকা পখীৰ সাধু

এখন ডাঙৰ নদীৰ থিয় গড়াৰ পাৰত এজনী শালিকাই বাহ সাজি তাতে পোৱালি দিছিল। পোৱালিটো উৰিবৰ সময় হোৱাত নদীৰ পানীত বান আহিবলৈ ধৰিলে। অলপ পিচতে নদীৰ বানে শালিকাৰ পোৱালিটো উটুৱাই লৈ যাবগৈ।

তাকে দেখি শালিকাজনী মহা বিমোৰত পৰিল। তাই নদীক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে —"হে আই মাতৃ! মোৰ বাছাটো উৰিব নোৱৰাকৈ তুমি বান নানিলে ভাল আছিল। সাত দিনত মোৰ বাছা উৰিব পাৰিব। তাৰ পিচত তুমি বান আনিবা। মই তোমাক এযোৰা ম'হ বলি দিম।"

শালিকাজনীৰ কথামতে নদীৰ বানপানী লাহেকৈ পুনৰ শুকাই গ'ল। সাত দিনৰ পিচত শালিকা পোৱালি উৰিব পৰা হ'ল। এতিয়া ক'ত আৰু কেনেকৈ নদীক বলি দিবলৈ এযোৰা ম'হ পাব তাকে লৈ শালিকাজনী মহা চিন্তাত পৰিল।

এদিন হঠাৎ শালিকাৰ মগজুত এটা বুদ্ধি খেলালে। নদীৰ দুয়োপাৰে ম'হৰ খুটি আছিল। সিপাৰৰ ষাঁড় ম'হক শালিকাই হেনো কলে, "সেই পাৰৰ ষাঁড় ম'হে তোমাক খুচি মাৰিবলৈ গুজৰি আছে। তুমি তেওঁৰ কিবা দোষ কৰিছিলা নেকি? কাইলৈ দুপৰীয়াই সি তোমাক খুচিবলৈ সেই বালিৰ মাজলৈ আহিব।"

শালিকাৰ কথাত ষাঁড় ম'হৰ মহা খং উঠিল। "দেখা যাওক,ময়ো কাইলৈ দুপৰীয়া গৈ তাক তাতেই খুচি মাৰি থৈ আহিম।" এই বুলি ষাঁড় মহে মাটিত শিং ধৰাবলৈ ধৰিলে। এইবাৰ শালিকাই নদী পাৰ হৈ আহি ইফালৰ ম'হক কলে, "সেই সিপাৰৰ ষাঁড় ম'হে তোমাক হেনো কালিলৈ দুপৰীয়া সেই বালিৰ মাজত খুচি মাৰিব। সি তোমাক গৰ্জ্জি

আছে। তুমি তাৰ কিবা দোষ কৰিছিলা নেকি ? চোৰাঁচোন, সৌৱা কেনেকৈ সি তোমাক মাৰিবলৈ শিং ধৰাই আছে।" সিপাৰৰ ষাঁড় ম'হক শিং ধৰোৱা দেখা পাই ইপাৰৰ ষাঁড় ম'হৰো মহা খং উঠিল। সিয়ো শিং ধৰাবলৈ ধৰিলে।

পিচদিনা দুপৰীয়া দুই ষাঁড়ে আহি বালিৰ মাজত মহাযুদ্ধ আৰম্ভ কৰি দিলে। গভীৰ যুদ্ধ লাগিল। এবাৰ হঠাৎ দুই মহা ষাঁড়ে পৰস্পৰে শিং পাক খাই সোমাই পৰিল। একেবাৰ নোৱাৰি দুয়ো তাতেই মৰি থাকিল। এই কাণ্ড শালিকাই নিজৰ বাহৰপৰা চাই আছিল। ষাঁড় ম'হ দুটা যেতিয়া মৰিল তেতিয়া শালিকাই নদীক প্ৰণাম কৰি কলে, "হে আই! মোৰ এযোৰা ম'হৰ বলি লোৱাঁ। তোমাক দিলোঁ।" সিদিনাৰপৰা হেনো নদীয়ে শালিকাক নদীৰ গড়াৰ পাৰত বাহ লৈ থাকিবলৈ দিলে। সেই কাৰণে আজিও শালিকা পখীয়ে নদীৰ গড়াত বাহ লৈ থাকে।

হায়, মোৰ সন্তান ক'ত ?

এখন গাঁৱত এহাল মানুহ আছিল। সিহঁতৰ এজন মাত্ৰ ল'ৰা সন্তান আছিল। সেই কাৰণে মাক-পিতাকে সন্তানটোক বৰ মৰম কৰিছিল। মানুহ-জন বৰ কৰ্মী আছিল। নিজৰ ঘৰৰ ওচৰতে নিজৰ জোখাৰে এডৰা মাটি চহালে। মাটি চহ কৰোঁতে বহুত জেং-জাবৰ ওলাল। জেং-জাবৰবোৰ পুৰিবৰ কাৰণে জমা কৰি থৈ দিলে।

এদিনাখন জেং-জাবৰবোৰত জুই লগাই দিলে। মানুহজনে এফালৰ-পৰা জুই লগাই আছিছে। ঘৈণীয়েকে বিহুৰ আগতে কাপোৰখন উলিয়া-বলৈ একান্তমনে বৈ আছে। ইফালে সন্তানটো আঠু কাঢ়ি গৈ গৈ জেং-জাবঁৰৰ জুইৰ মাজত সোমাই পৰিল। কেঁচুৱাটো পুৰি মৰি তাতেই ছাইতে পোত খাই থাকিল।

জেং-জাবৰ পোৰা হোৱাৰ পিচত কৰবাত জেং নোপোৰাকৈ থাকিল নেকি বুলি ভৰিৰে গুচাই গুচাই চোৱাত নিজৰ পুতেকৰ মৰাশটো দেখিলে। তেতিয়াই ল'ৰাৰ মৰাশটো সাৱট মাৰি ধৰি "হায়, আমাৰ ল'ৰাটো, হায়, আমাৰ ল'ৰাটো" বুলি কান্দিবলৈ ধৰিলে। ঘৈণীয়েকেও লৰি গৈ গিৰিয়েকৰ লগতে কান্দোনত যোগ দিলে। তেনেকৈ সন্তানৰ থিকাৰত কান্দি কান্দি পিচত সিহঁত দুয়ো পখী হ'ল। আজিও সিহঁতে ল'ৰা সন্তান বিচাৰি কান্দি থাকে।

অদৃষ্ট বা কৰ্ম্মফলৰ প্ৰভাৱ

কঠীয়া পেটুলা আৰু চন্দ্ৰমালি

এজন মানুহৰ চন্দ্ৰমালি নামৰ দেখিবলৈ ৰূপহী এজনী ছোৱালী আছিল। তাইৰ ঔ ফলৰ দৰে গোলাকাৰ গাল, সৰু মিহি মিহি দাঁত, নাক সৰু জোঙা, গল দীঘল মৃদু হাঁহি পৰা, লোদোৰ-পোদোৰ ভৰিৰ ডিমা। সচাঁকৈয়ে চন্দ্ৰমালি দেখিবলৈ বৰ ধুনীয়া আছিল। চন্দ্ৰমালি গাভৰুৰ চুলি আঠুলৈকে বৈ পৰা আছিল। তাই ৰাজহংহৰ দৰে গাটো লৰাই খোজ কাঢ়িছিল। সেই চন্দ্ৰমালিৰ কঠীয়া পেটুলা নামৰ এজন চাকৰ আছিল।

কঠীয়া পেটুলাৰ পেটটো ওফন্দি থকা দেখি। তাৰ জুটলা চুলি, গাৰ বৰণ ক'লা কিচকিচীয়া। চন্দ্ৰমালিয়ে যিহকে পাচে কঠীয়া পেটুলাই তাকেই কৰে। চন্দ্ৰমালিয়ে এদিনাখন নিজৰ গিৰিয়েক কোন হব, তাক জানিবলৈ ঠিকনা চাবৰ কাৰণে এজন গণকৰ ওচৰলৈ কঠীয়া পেটুলাক পঠিয়াই দিলে। কঠীয়া পেটুলাই গণকৰ ওচৰলৈ আহি কলে, "গণক, গণক। আজি চন্দ্ৰমালিয়ে মোক তোমাৰ ওচৰলৈ পঠিয়াই দিছে। তুমি তাইৰ স্বামী কোন হব তাক চাই মোৰ আগত কৈ পঠিয়াব লাগে।" তেতিয়া গণকে ঠিকনা চাই কলে, "তুমি যোৱাঁ, কৈ দিবা, তাইৰ কঠীয়া পেটুলা নামৰ মতা মানুহৰ লগত বিয়া হ'ব।"

গণকৰ কথা শুনি কঠীয়া পেটুলাই পেটে পেটে আনন্দ পালে, কিন্তু সেই কথাষাৰি কেনেকৈ চন্দ্ৰমালিক কবগৈ তাকে গুণি চিন্তিত হ'ল। ঘৰত আহি মুখ খজুৱাই খজুৱাই কলে, বোলে "আই, তোমাক কিনো কম, গণকে কৈ পঠিয়ালে তোমাৰে মোৰে বিয়া হ'ব।" চন্দ্ৰমালিয়ে এই কথাষাৰ শুনি ভাবিলে, "হায়। মোৰ কপাল কিয় ইমান বেয়া হ'ল। ইমান আপচু মতা মানুহক কেনেকৈ বিয়া কৰাম মই।" ইয়াৰ প্ৰতিকাৰ বিচাৰি কঠীয়া পেটুলাক মাৰি পেলোৱাকে থিৰ কৰিলে।

এদিনাখন চন্দ্ৰমালিয়ে নদীৰ ঘাটত গা ধুবলৈ বুলি কঠীয়া পেটুলাক লগ ধৰিলে। "ব'ল'া, আজি নদীৰ ঘাটলৈ গা ধুবলৈ যাওঁ। তোমাৰ মূৰত বহুত ময়লা হ'ল। খলিহৈ ঘঁহি দিওঁ মই।" কঠীয়া পেটুলাই হাঁহি মাৰি কলে, "বৰ ভাল কথা।" দুয়োজন নদীৰ ঘাটলৈ গা ধুবলৈ গ'ল। চন্দ্ৰ-মালিলে কঠীয়া পেটুলাৰ মূৰটো খলিহৈৰে ঘঁহি দিলে। মূৰত খলিহৈ ঘঁহি দি থকা চলেৰে ঘটীৰ তলিৰে তাৰ মূৰত মাৰি দি অচেতন কৰি তাক পানীত উটুৱাই দিলে। তাৰ পিচত নিজে লৰালৰিকৈ ঘৰলৈ উভতিল।

কঠীয়া পেটুলা পানীত ভাহি গৈ কাউৰী ৰজাৰ জালত লাগিলগৈ। কাউৰী ৰজাই মাছ চাবলৈ আহোঁতে কঠীয়া পেটুলাক বহাৰ ভিতৰত পাই নিজৰ ঘৰলৈ লৈ আহিল। কঠীয়া পেটুলাই তেতিয়া চেতনা পালে। কাউৰী ৰজাৰ ঘৰত থাকি কঠীয়া পেটুলাই ৰূপ সলালে। পেট জহি গ'ল। তপিনা আৰু পিঠিৰ খৰ ভাল হ'ল। চুলি খুৰালে। দাঁতবোৰ ধকধকীয়া হ'ল। ক'লা কিচকিচীয়া গাৰ বৰণ বগা পৰিষ্কাৰ হল।

এই অঞ্চলত সিয়ে সকলোতকৈ দেখনিয়াৰ ডেকা বুলি মানুহবিলাকে কৈ ফুৰিবলৈ ধৰিলে। চন্দ্ৰমালিয়েও শুনিবলৈ পালে। পিতাকেও শুনিলে। পিচত চন্দ্ৰমালিৰ পিতাকে সেই ডেকাজনকে চন্দ্ৰমালিৰ কাৰণে বন্দবস্ত কৰিলেগৈ। চন্দ্ৰমালিৰো সেই ডেকাতে মন খালে। কিন্তু সিহঁতে কোনোমতে জানিব পৰা নাই সেইজনেই কঠীয়া পেটুলা বুলি। কঠীয়া পেটুলাই হলে কোনো কথা পাহৰা নাই। সকলো কথা জানে।

চন্দ্ৰমালি অ'ৰু কঠীয়া পেটুলাৰ বিয়া হ'ল। কঠীয়া পেটুলাই চন্দ্ৰমালিৰ মাক-পিতাকৰ ঘৰতে থাকিল আহি। এদিনাখন চন্দ্ৰমালিয়ে গিৰিয়েকক জুৰিৰ ঘাটত দুয়ো একেলগে গা ধুবলৈ বুলি লগ ধৰিলে। কঠীয়া পেটুলাও ঘৈণীয়েকৰ লগত গা ধুবলৈ গ'ল। ঘৈণীয়েকে খলিহৈৰে মূৰ ধুৱাই দিয়াৰ সময়ত আগতে ঘটীৰে মাৰি দিয়া চিনটো দেখি সুধিলে, "কিহৰ ডাগ ইমান দ' হৈ আছে।" তেতিয়া কঠীয়া পেটুলাই আগৰপৰা শেষলৈ সকলো কথা বিবৰি কোৱাত চন্দ্ৰমালিয়ে অকলে কান্দি উঠিল আৰু গিৰিয়েকৰ ভৰিত দীঘল দি পৰি ক্ষমা খুজিলে।

এই সাধুকথাটো বড়ো-কছাৰীয়ে আজিও কয় :

যতেই কঠীয়া তাতেই চন্দ্ৰমালি,
কপালত লিখা থাকিলে ক'ত এৰিব পাৰি।

কৰ্ম্মফলৰ পুৰস্কাৰ

এজন ৰজাৰ এজন পুতেক আছিল। ৰজাই পুতেকক বিদ্যা-শিক্ষা কৰিবলৈ দিছিল। পুতেকে বহুত বিদ্যা লাভ কৰিলে। এদিনাখন পিতাকে পুতেকক ওচৰলৈ মাতি আনি এটা প্ৰশ্ন সুধিলে। পুতেকে প্ৰশ্নৰ উত্তৰ দিব নোৱৰাত ৰজাৰ খং উঠিল। মনত বেজাৰো পালে। চাকৰক মাতি আনি ভাত খাবৰ সময়ত ৰাজকুমাৰক ভাতৰ সলনি এঙাৰ দিবলৈ ক'লে। ৰজাৰ হুকুমমতে ৰাজকুমাৰক ভাতৰ সলনি এঙাৰ দিয়া হ'ল। ৰাজকুমাৰে দুখ আৰু বেজাৰত ৰাজ-নগৰ এৰি দেশ পৰ্য্যটন কৰিবলৈ ওলাল।

গৈ গৈ আন এখন দেশত এখন ধৰ্ম্ম-বজাৰ পালেগৈ। সেই বজাৰত সকলো বস্তু আছে। বস্তুবোৰৰ ওচৰতে দগা-পাল্লা আছে। দামৰ নিৰিখো লিখা আছে। যাক যিমান লাগে তাৰপৰা ওজন কৰি মূল্যও তাতেই দি থৈ বস্তুবোৰ আনিব লাগে। বস্তুবোৰৰ ওচৰত মহাজন বা গৃহস্থ নাথাকে।

ভোকত অস্থিৰ হৈ ৰাজকুমাৰে তাৰে এসেৰ চিৰা জুখি দাম দি কিনি খালে। পিচত গৃহস্থ আহি নিজৰ চিৰাখিনি জুখি চোৱাত এবটি পৰিমাণৰ চিৰা হিচাবত কম পালে। তেতিয়া দোকানীয়ে ৰাজকুমাৰকে চোৰ বুলি ধৰি সেই দেশৰ ৰজাক সোধালেগৈ। ৰজাই ৰাজকুমাৰক দোষী সাব্যস্ত কৰি বুকুত পাথৰেৰে হেঁচি শাস্তি দিলে।

সেই সময়তে সৰস্বতী, লক্ষ্মী, ধৰ্ম্ম আৰু কৰ্ম্মফল এই চাৰিজনৰ মাজত কোন ডাঙৰ তাক লৈ কাজিয়া হৈছিল। সিহঁতৰ ভিতৰত কথাটোৰ মীমাংসা কৰিব নোৱাৰি সেই দেশৰ ৰজাৰ ওচৰ চাপিলে। ৰজাই বিচাৰ নিষ্পত্তি কৰিব নোৱাৰিলে। পিচত ডাঙৰ ডাঙৰ বিচাৰক মাতি আনি বিচাৰ কৰিও সিহঁতৰ ভিতৰত মীমাংসা কৰি দিব নোৱাৰিলে। পিচত ৰজাই নিজনে এই বিচাৰ নিষ্পত্তি কৰি দিব পাৰিব তেওঁক ৰাজ্যৰ আধা আৰু নিজৰ জীয়েকক

বিয়া দিব বুলি ঘোষণা কৰিলে।

ৰজাৰ ঘোষণা শুনি ৰাজকুমাৰে বিচাৰ নিষ্পত্তি কৰি দিবলৈ আগ বাঢ়িল। ৰজাই বিচাৰ নিষ্পত্তি কৰিবলৈ আহিছে বুলি শুনি ৰাজকুমাৰক বিচাৰকৰ আসনত বহুৱালে। ৰাজকুমাৰে প্ৰথমতে স্বৰস্বতীক মাতি আনি সুধিলে, "আপুনি কোন ?" সৰস্বতীয়ে কলে, "মই সৰস্বতী।" বিচাৰক, "আপুনি কি কাম কৰে ?" সৰস্বতী, "মই মানুহক জ্ঞান দিওঁ। মাত-কথা দিওঁ। মই নহ'লে মানুহে কথা কব নোৱাৰে।" তেতিয়া বিচাৰকে কলে, "অ' তেনেহলে আপুনি সৰস্বতীহে। আচ্ছা, তেনেহলে সেইদিনা পিতাই মোক এটা প্ৰশ্ন কৰোঁতে তেতিয়া মোক মাত দিয়াব নোৱাৰিলে কিয় ?" সৰস্বতীয়ে উত্তৰ দিলে, "সেয়া তোমাৰ কৰ্ম্মফল।" বিচাৰকে তেতিয়া সৰস্বতীক বহি থাকিবলৈ কলে। পিচত লক্ষ্মীক মাতি আনি সুধিলত লক্ষ্মীয়ে উত্তৰ দিলে, "মই লক্ষ্মী। মানুহক ধন-সম্পত্তি দি সুখ আনন্দ দিওঁ। মই নহ'লে কোনো জীয়াই থাকিব নোৱাৰে।" তেতিয়া বিচাৰকে কলে, "আচ্ছা, তেতিয়াহলে পিতাই মোক যেতিয়া কাঁহীত এঙাৰ দিছিল আপুনি তেতিয়া ক'ত কি কৰি আছিল ?" উত্তৰ, "অ' সেয়া তোমাৰ কৰ্ম্মফল।" তাৰ পিচত ধৰ্ম্মক মাতি আনি সোধাত ধৰ্ম্ময়ো কলে, "সেয়া তোমাৰ কৰ্ম্মফল।"

ধৰ্ম্ম, সৰস্বতী, লক্ষ্মী আটাইকেইজনে বিচাৰকৰ উত্তৰত কৰ্ম্মফল বুলি কোৱাত বিচাৰক ৰাজকুমাৰে কৰ্ম্মফলকে সিহঁতৰ ভিতৰত ডাঙৰ পাতিলে। ৰজাই ৰাজকুমাৰক নিজৰ ৰাজ্যৰ আধা দি জীয়েকৰ লগত বিয়া দিলে।

লক্ষ্মীশ্ৰী গাভৰু

পূৰণি কালত এজন বৰ প্ৰভাৱশালী মানুহ আছিল। তেওঁৰ চাৰি-জনী জীয়েক আছিল। সৰুজনী জীয়েকৰ নাম লক্ষ্মীশ্ৰী। তাই বৰ ধুনীয়া আছিল। লক্ষ্মীশ্ৰীৰ মানুহৰ প্ৰতি ব্যৱহাৰো বৰ ভাল আছিল। এদিনাখন পিতাকে জীয়েক কেইজনীক ওচৰলৈ মাতি আনি প্ৰথমে ডাঙৰ জীয়েকজনীক সুধিলে, "কোৱাঁচোন, তুমি কাৰ বলত ইমান সুখ আনন্দেৰে খাইছা?" ডাঙৰজনী জীয়েকে কলে, "মই দেউতাৰ বলতে ইমান সুখ আনন্দেৰে খাই আছোঁ।" এইদৰে পিতাকে এজনী এজনীকৈ সুধি যোৱাত তিনিওজনী জীয়েকে তাকেই উত্তৰ দিলে। কিন্তু লক্ষ্মীশ্ৰীয়ে কলে, "ভগবানৰ কৃপাতহে আমি আটায়ে সুখে শান্তিৰে খাই আছোঁ।"

সৰুজনী জীয়েকৰ কথা শুনি পিতাকৰ বৰ খং উঠিল। তাইক বাকচত ভৰাই হাবিত পেলাই থৈ আহিবলৈ চাকৰইতক হুকুম দিলে। মহাজনৰ কথামতে চাকৰইতে লক্ষ্মীশ্ৰীক বাকচত ভৰাই হাবিৰ মাজত পেলাই থৈ আহিল। লক্ষ্মীশ্ৰীহঁতৰ ঘৰত এজনী বুঢ়ী চাকৰণী আছিল। তাই লক্ষ্মীশ্ৰীক ডাঙৰ-দীঘল কৰিছিল। বুঢ়ীজনীয়ে কড়িৰে ঠিকনা চাব জানিছিল। তাই হাতত কেইটামান কড়ি লৈ লক্ষ্মীশ্ৰীৰ লগত হাবিলৈ গ'ল। আৰু লক্ষ্মীশ্ৰীক বাকচৰপৰা উলিয়াই গছৰ খোৰোঙত থৈ দিলে।

বুঢ়ীয়ে গাঁৱত ঘূৰি ঘূৰি ঠিকনা চাই যি দুই এক পইচা পায় তাৰে লক্ষ্মীশ্ৰীক খুৱাই জীয়াই ৰাখিলে। পিচত বুঢ়ীয়ে হাবিত ময়ূৰৰ পাখি বিচাৰি বিচাৰি লক্ষ্মীশ্ৰীক আনি দিয়া হ'ল। তাৰে লক্ষ্মীশ্ৰীয়ে বিচনী সাজিলে। সেই বিচনী বজাৰত বেচি বুঢ়ীয়ে ধন সংগ্ৰহ কৰিবলৈ ধৰিলে। যেতিয়া হাতত ধন হ'ল তেতিয়া লক্ষ্মীশ্ৰীয়ে এজন চাকৰ ৰাখি হাল আৰু গৰু কিনি খেতি কৰিবলৈ ধৰিলে।

হাতত ধন সৰহ হোৱাত লক্ষ্মীশ্ৰীয়ে পুখুৰী খন্দাবলৈ মন কৰি পাচিয়ে প্ৰতি এটকা দিয়া হব বুলি ঢোল পিটি শুনাই দিয়ালে। মানুহবোৰে জাকে জাকে আহি লক্ষ্মীশ্ৰীৰ পুখুৰী খান্দিবলৈ লাগি গ'ল। ইফালে লক্ষ্মীশ্ৰীক আঁতৰাই দিয়া দিনৰেপৰা লক্ষ্মীশ্ৰীৰ পিতাকৰ অৱস্থা দিনক দিনে বেয়া হৈ আহি এতিয়া একেবাৰে নোহোৱা হ'ল। পাচিয়ে প্ৰতি এটকাৰ কথা শুনি বুঢ়া-বুঢ়ী দুয়ো তপিনা ওলোৱা কাপোৰ পিন্ধি লক্ষ্মীশ্ৰীৰ তালৈ পুখুৰী খান্দিবলৈ আহিল। আহি দেখে যে বহুত মানুহে পুখুৰী খান্দিবলৈ ধৰিছে। বুঢ়া-বুঢ়ী দুজনেও খান্দিবলৈ ধৰিলে।

বেলি মাৰ যোৱাৰ আগতে পুখুৰী খন্দা মানুহবোৰে টকা লব লাগে। বুঢ়া-বুঢ়ী দুয়ো টকা লবলৈ বুলি মানুহৰ শাৰীত থিয় হলহি। সিহঁতক দেখা পাই লক্ষ্মীশ্ৰীয়ে নিজৰ মাক পিতাক বুলি চিনিব পাৰিলে। কিন্তু বুঢ়া-বুঢ়ীয়ে লক্ষ্মীশ্ৰীক নিজৰ জীয়েক বুলি চিনিব নোৱাৰিলে। লক্ষ্মীশ্ৰীয়ে আনক আগতে টকা দি বিদায় দিবলৈ ধৰিলে। পলম হোৱাত বুঢ়া-বুঢ়ীৰ বৰ ভোক লাগিল। বেলিও মাৰ যাওঁ যাওঁ হৈছে। ভোকত অস্থিৰ হৈ বুঢ়ীয়ে বুঢ়াক খঙতে গালি পাৰি কলে, "মই আহিবলৈ ইচ্ছা কৰা নাছিলো। তুমিহে মোক মাতি আনিলা। এতিয়া টকা পালা জানো ?"

সকলোকে টকা দি শেষ কৰাৰ পিচত লক্ষ্মীশ্ৰীয়ে চাকৰৰ হতুৱাই মাক পিতাকক ভিতৰলৈ মাতি আনিলে। তেতিয়া কিবা দোষ হৈছে বুলি ভাবি বুঢ়া-বুঢ়ীৰ গাৰ কঁপনি উঠিল। বুঢ়ীয়ে বুঢ়াক পাৰে মানে গালি পাৰিলে। লক্ষ্মীশ্ৰীয়ে চাকৰৰ হতুৱাই বুঢ়া-বুঢ়ীক গৰম পানীৰে গা-ধুৱাই বৰ পিৰাত বহুৱাই লৈ নিজৰ পৰিচয় দি সিদিনাৰপৰা নিজৰ লগতে ৰাখি পোহপাল দিলে।

মানুহ কুকুৰ হৈ ওপজাৰ কথা

আগৰ দিনত সন্তানহীন বৰ দুখীয়া এহাল বুঢ়া-বুঢ়ী আছিল। এজন মহাজনৰপৰা বুঢ়াই কুৰি টকা ধাৰলৈ আনি চাকৰ খাটিও তাক পৰিশোধ কৰিব পৰা নাছিল। মহাজনে তাগিদা দিলে বুঢ়াই আজি দিম কালি দিম বুলি মহাজনক ঘূৰাই পঠিয়াইছিল। মহাজনক দেখিলে বুঢ়া কেতিয়াবা লুকাই থাকিছিল। খাই বৈ থাকিও বুঢ়াৰ মনত শান্তি নোহোৱা হ'ল। বুঢ়াই মৰিবৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে। এই চিন্তাত বুঢ়াৰ জ্বৰ হ'ল। টকা-পইচা নোহোৱাৰ কাৰণে ওজা-কবিৰাজৰপৰা ঔষধ-পাতিও আনি খাব নোৱাৰিলে। ক্ৰমে জ্বৰ বেছি হৈ এদিনাখন বুঢ়া মৰি থাকিল।

বুঢ়া মৰিবৰ সময়ত বুঢ়ী গৰ্ভৱতী আছিল। বুঢ়ী বৰ বেমেজালিত পৰিল। উপাই নাপাই বুঢ়ীয়ে নিজৰ ভায়েকৰ ওচৰ চাপি নিজে পাৰে-মানে কাম-বন কৰি খাই দিন নিয়াবলৈ ধৰিলে। তেনেকৈ থাকি বুঢ়ীয়ে এটা ল'ৰা সন্তান জন্ম দিলে। মোমায়েকৰ ঘৰতে ল'ৰা ডাঙৰ হবলৈ ধৰিলে।

এদিনাখন বুঢ়ীয়ে পুতেকক পাপৰপৰা উদ্ধাৰ হওক বুলি গঙ্গাত গা ধুবলৈ পঠিয়াই দিলে। বুঢ়ীৰ পুতেক গঙ্গালৈ যাত্ৰা কৰিলে। গৈ থাকোঁতে গৈ থাকোঁতে বেলি মাৰ যোৱাৰ সময়ত এখন গাঁও পালেগৈ। আজি ৰাতি তাতেই থাকিব লগীয়া হ'ল। এঘৰ মানুহৰ ঘৰত থাকিবলৈ সি ঠাই বিচাৰিলে। মানুহজনে ঘৰৰ ওচৰতে থকা এজন মহাজনৰ ঘৰ দেখুৱাই দিলে। কিন্তু মানুহজনে কলে, "বৰ সাৱধানে যাবা। মহাজনৰ ঘৰত এটা কুকুৰ আছে। কুকুৰে মানুহ কামোৰে। তুমি মহাজনক মাত দিবা। মহাজন ঘৰৰপৰা ওলাই আহিলেহে যাবা।" মানুহজনে এইদৰে কৈ কিছু দূৰ আগ বঢ়াই দি থৈ গ'ল। আলহী ল'ৰাজনে ভয় ভয় কৰি মহাজনৰ দুৱাৰ মুখলৈ আগ বাঢ়ি গ'ল।

ল'ৰাজনে দুৱাৰ মুখতে মহাজনক লগ পালে। তেতিয়া ল'ৰাজনে নিজৰ কথা কৈ ৰাতি থাকিবলৈ ঠাই বিচাৰিলে। মহাজনে ল'ৰাজনৰ কথা শুনি তাক আথে-বেথে ভিতৰলৈ মাতি নি কাথিত বহুৱাই কলে, "মোৰ তাত এটা ঢেকুৰা কুকুৰ আছে। অচিনাকি মানুহ দেখা পালে কামোৰে।" ল'ৰাজনে ভয়তে কলৈকো নগৈ কাথিতে বহি থাকিল। ঢেকুৰা কুকুৰেও চোতালৰ মাজত বহি ল'ৰাজনৰ পিনে চাই থাকিল।

ৰাতি ভাত খুৱাই মহাজনে আলহীক বাহিৰা ঘৰত নি শুবলৈ দিলে আৰু কলে, "খবৰদাৰ বোপা, তুমি অকলে কেতিয়াও বাহিৰলৈ নোলাবা। বাহিৰলৈ ওলাব লগীয়া হলে মোক মাত দিহে ওলাবা।" এইবুলি কৈ মহাজন শুবলৈ গ'ল। আলহীৰ ওচৰতে কুকুৰো শুলেহি। ল'ৰাজনে ভয় ভয় কৰিয়েই টোপনি গ'ল।

মাজ নিশা ল'ৰাজনৰ শৌচ কৰা লাগিল। কুকুৰটোৰ কাৰণে অকলে বাহিৰলৈ ওলাবলৈ ভয় কৰিলে। ইফালে মহাজন গভীৰ টোপনিত লাল-কাল। মহাজন মানুহ। এই মাজনিশা মহাজনক জগাবলৈ ল'ৰাজনৰ বৰ কেনেবা কেনেবা লাগিল। বৰ টানকৈ শৌচ কৰা লগাৰ কাৰণে বুকুত প্ৰাণটো বান্ধি বাহিৰলৈ ওলাই আহি ল'ৰাজনে শৌচ কৰিলে। কুকুৰেও ওলাই আহি বহি থাকিল। ল'ৰাজনৰ শৌচ কৰা হলত আকৌ নিজৰ ঠাইত শুই থাকিলগৈ।

টোপনিত আলহী ল'ৰাজনক কোনোবাই কলেহি, "মই পূৰ্ব জনমত এই মহাজনৰপৰা বিশটা টকা ধাৰে লৈছিলোঁ। মহাজনে বহুত তাগিদা দিয়া সত্বেও মই মহাজনক ধাৰ পৰিশোধ কৰিব পৰা নাছিলোঁ। ধাৰ পৰিশোধ কৰিব নোৱৰাৰ কাৰণে মই এতিয়া এই মহাজনৰ ঘৰত কুকুৰ হৈ জনম লৈছোঁ আৰু তাৰ চুৱনিৰ খাই জীৱন ধাৰণ কৰিব লগীয়া হৈছোঁ। এই ধাৰ পৰিশোধ কৰিব নোৱাৰিলে জনমে জনমে কুকুৰ হৈ জনম লব লাগিব। বাছা! মই তোমাৰ পিতা। তুমি মোৰ ধাৰখিনি পৰিশোধ কৰি মোক উদ্ধাৰ কৰাঁ।"

আলহী ল'ৰাজনে তত্তালিকে সাৰ পালে। তেতিয়া কুকুৰা চৰায়ে মাত দিছিল। পোহৰ হোৱাত মুখ-হাত ধুই আলহী পুনৰ নিজৰ বিচনাতে বহি থাকিল। তেনেতে মহাজনে আহি আলহীক মুখ-হাত ধুবলৈ কলেহি। তেতিয়া আলহীজনে শৌচ কৰি মুখ-হাত ধুই উঠাৰ কথা মহাজনক কলে। আলহীৰ কথা শুনি মহাজনে আচৰিত হৈ সুধিলে, "কুকুৰে কামোৰা নাই?"

আলহীজনে কলে, "ওহোঁ, কামোৰা নাই।"

আলহীক বিদায় দিবৰ বেলিকা অলপ মদ খুৱাবলৈ বুলি মহাজনে আলহীক পিৰালিলৈ মাতিলে। আলহী গৈ পিৰালিত বহিল। কুকুৰো পিচে পিচে গৈ সিহঁতৰ ওচৰতে বহিল। মদ খোৱাৰ সময়ত আলহী ল'ৰা-জনে মহাজনক সুধিলে, "পিতা, কেতিয়াবা বুঢ়াংবুঢ়াই আপোনাৰপৰা টকা ধাৰে লৈছিল নেকি?" মহাজনে এঢোক মদ গিলি দাড়ি মোহাৰি মোহাৰি কলে, "হয় বোপা, বিশটা টকা ধাৰে নিছিল। কিয় লাগে তোমাক সেইবোৰ কথা? সিটো এতিয়া নাই। কেতিয়াবাই মৰিল। তাৰ কোনো সন্তান সন্ততিও নাই। মোৰ টকা কেইটা এনেয়ে পানীত পৰিল। এৰি দিলোঁ সেয়া টকা।"

তেতিয়া আলহী ল'ৰাজনে কলে, "ধাৰৰ বাবে লিখা কাগজখন মোক দেখুৱালে ভাল আছিল। মই চালোহেঁতেন।" আলহীৰ কথা মতে মহাজনে ধাৰৰ বাবে লিখা কাগজখন আনি তেওঁক দেখুৱালেহি। তেতিয়া আলহীজনে কোনো কথা নকৈ নিজৰ কঁকালৰ গাঁঠিৰপৰা টকা উলিয়ালে। মহাজনে আনৰ টকা লব খোজা নাছিল। আলহীজনে জোৰকৈ মহাজনৰ হাতত টকা দিলে।

এইদৰে সিহঁতে কথা-বতৰা পাতি থাকোঁতে কুকুৰে চকুলো টুকি আছিল। মহাজনে টকা-কেইটা লৈখি লৈ ধাৰৰ কাগজখন ফালি পেলোৱাৰ লগে লগে কুকুৰো সেই ঠাইতে মৰি থাকিল। পিচত আলহীজনে পিতাক কুকুৰ আৰু নিজৰ পৰিচয় দি মহাজনৰ আগত সকলো কথা বিৱৰি কলে।

ল'ৰাজন গঙ্গাত গা ধুবলৈ নগৈ ঘৰলৈ উভতি আহিল। তেওঁ বুজিলে যে সৎ কামতহে আচলতে পুণ্য হয়। সহস্ৰ পাপ কৰি গঙ্গাত গা ধুই সেই পাপ খণ্ডাব নোৱাৰি।

গৰু হৈ ওপজাৰ সাধু কথা

এখন ঠাইত বাপেক-পুতেক কিবা কাৰণত বেলেগ হ'ল। এদিনাখন সিহঁতে বজাৰৰপৰা একো ভাৰকৈ ধান কঢ়িয়াই আনিছিল। ভাৰখন গধুৰ হোৱাৰ কাৰণে পুতেকে কোনোমতেহে ভাৰখন কঢ়িয়াই আনিব পাৰিছিল। তাকে দেখি পিতাকৰ পুতেকলৈ পুতৌ জন্মিল। এইদৰে সিহঁতে আহি আহি এডাল গছৰ ছাঁত জিৰণি ল'লে।

সেই সময়তে পুতেকে শৌচ কৰোঁ বুলি বনৰ ভিতৰলৈ অলপ সোমাই গ'ল। এনেতে পিতাকে ভাৰখন অলপ পাতল হওক বুলি পুতেকৰ ভাৰৰপৰা দুদোন ধান জুখি লৈ নিজৰ ভাৰত সুমুৱাই ল'লে। পুতেকে সেই কথা গম নেপালে। ঘৰ আহি পোৱাৰ পিচতো পিতাকে পুতেকক কথাটো নক'লে। ধানো ঘূৰাই নিদিলে।

এদিনাখন বুঢ়াৰ জ্বৰ হ'ল। জ্বৰ বেছি হৈ বুঢ়া মৰিল। ভগৱানৰ ইচ্ছাত বুঢ়াই এলেহুৱা হালোৱা গৰু এটা হৈ পুতেকৰ ঘৰত জনম পালে। এলেহুৱা কাৰণে হাল বাবৰ সময়ত পুতেকে হালোৱা গৰুটোক বৰকৈ মাৰিলে। এইদৰে দিনে মাৰ খাই হালোৱাৰ পিঠি, ডপিনাৰ ছাল-বাকলি এৰাই গ'ল। ক্ষীণাই হাড়ে-ছালে লাগি এদিন হালোৱা গৰুটো মৰি থাকিল। ল'ৰাটোৱে মৰা গৰুটো পেলাই দিয়াত শগুণে খালে।

বুঢ়াৰ পুতেকে মৰা গৰুৰ মূৰৰ খোলাটো আনি নিজৰ শাক-পাচলিৰ খেতিত খুটি এটাত আঁৰি থৈ দিলে। বড়ো-কছাৰীৰ বিশ্বাস, শাক-পাচলিৰ খেতিত গৰুৰ মূৰৰ খোলা আঁৰি দিলে তেনো শাক-পাচলিৰ লাগন বেছি হয়, কিছুমানৰ মতে কু-নজৰ কাটে। বুঢ়াৰ পুতেকে লাওখোলাটো আজি বেঙেনাৰ খেতিত, কালিলৈ জলকীয়াৰ খেতিত আঁৰি থবলৈ ধৰিলে। সেই কাৰণে বুঢ়াৰ পৰমাত্মাৰ অসহ্য হ'ল।

এদিনাখন বুঢ়াই ৰাতি সপোনত পুতেকক আগৰ কথাবোৰ কলে। "সেই ছুদোণ ধান মোক নেলাগে, আজিৰপৰা মই এৰি দিলো বুলি ক, তেতিয়া মই তোৰ ধাৰৰপৰা মুক্ত হ'ম। নহলে তোৰ তাত মই জনমে জনমে নিকাৰ ভুঞ্জি থাকিম। এতিয়াও মই তোৰ তাত বহুত কষ্ট ভুগিলোঁ।" পুতেকে সাৰ পাই সপোনৰ কথা আঁতি-গুৰি মাৰি ভাবি পাচদিনৰ বাৰীৰ-পৰা গৰুৰ মূৰৰ খোলাটো আনি পূৰ্বফালে মুখ কৰি কলে, "তুমি যদি মোৰ পিতা হোৱাঁ আৰু যদি মোৰ ছুদোণ ধান খাইছা আজিৰপৰা মই তাক এৰি দিলোঁ।" পুতেকে এইদৰে কোৱাৰ লগে লগে গৰুৰ মূৰৰ খোলাটো ফাটি ছিৰাছিৰ হ'ল। বুঢ়াৰ পৰমাত্মাই মুক্তি পালে।

এজন বৈৰাগীৰ সাধু

এখন গাঁৱত এজন বৰ ধাৰ্ম্মিক মানুহ আছিল। তাৰ আৰ্থিক অৱস্থা সিমান ভাল নাছিল। কিন্তু মানুহজনে নিজৰ নাথাকিলেও পৰৰ ধনলৈ লোভ নকৰিছিল। এদিনাখন ভগৱানে এজন বৈৰাগীৰ ৰূপ লৈ ধাৰ্ম্মিক মানুহজনৰ ওচৰলৈ আহি ক'লে, "হে মোৰ বোপা! মোৰ বৰ ভোক লাগিছে। মোক যদি ভাত খাবলৈ দিয়া, তেনেহলে মই তোমাক প্ৰকৃত মানুহ কৰিলোহেঁতেন।"

বৈৰাগীৰ কথা শুনি ধাৰ্ম্মিক মানুহজনে ক'লে, "বৈৰাগী, আপুনি মোক কি কৈছে? মই এতিয়া মানুহ নহওঁ জানো আৰু মই কেনেকৈ মানুহ হব লাগে?" তেতিয়া বৈৰাগীয়ে ক'লে, "নহয়, মানুহ নানা ৰকমৰ হ'ব পাৰে। কুকুৰ, গাহৰি, গৰু আদিও মানুহ হ'ব পাৰে। যি মানুহে যেনেকৈ কাম কৰে তেনেকৈ তাৰ ফলো ভোগ কৰে।"

ধাৰ্ম্মিক মানুহজনে বৈৰাগীক নিজৰ ভাগৰ ভাত খুৱালে। ভাত খাই উঠি বৈৰাগীজনে কিছু সময় জিৰণি ল'লে। কিছু সময় জিৰণি লোৱাৰ পিছত বৈৰাগীয়ে নিজৰ জোলোঙাৰপৰা খিলাৰ গুটি এটা উলিয়াই ধাৰ্ম্মিক মানুহজনৰ হাতত দি গুটিটো হাটলৈ লৈ যাবলৈ ক'লে। ওখ ঠাই এডোখৰত থিয় হৈ হাতৰ তলুৱাত অলপ থু লগাই তাত খিলাৰ গুটিটো ঘঁহি কপালত লৈ হাটৰ মানুহবোৰলৈ চাবলৈ ক'লে।

বৈৰাগীৰ কথামতে ধাৰ্ম্মিক মানুহজন হাটলৈ গ'ল। হাটলৈ গৈ দেখিলে মানুহবোৰে বস্তু-বেহানি কিনা-বেচা কৰিব লাগিছে। বৈৰাগীৰ কথামতে ধাৰ্ম্মিক মানুহজনে খিলাৰ গুটিটো কপালত লৈ চাই পঠিয়ালে। তেতিয়া দেখিলে হাটৰ মানুহবোৰৰ কিছুমানে গৰু হৈ ঘাঁহ খাই আছে, কোনোবাই গাহৰি হৈ বোকাত লেটি লৈছে। কোনোবা কুকুৰ হৈ আছে। তেতিয়াহে

ধাৰ্ম্মিক মানুহজনে বৈৰাগীৰ কথাই সত্য বুলি উপলব্ধি কৰিলে। সকলো মানুহ প্ৰকৃত মানুহ নহয়।

ধাৰ্ম্মিক মানুহজনে নিজে কোন শ্ৰেণীৰ জীৱৰ মানুহ তাকে জানিবৰ কাৰণে বৰ ইচ্ছুক হ'ল আৰু তাকে সুধিবলৈ বৈৰাগীৰ ওচৰলৈ দৌৰি আহিল। কিন্তু ঘৰলৈ আহি দেখে যে বৈৰাগী তেওঁৰ ঘৰত নাই। ইফালে সিফালে বিচাৰিও বৈৰাগীক নাপালে। তেতিয়া ধাৰ্ম্মিক মানুহজনে নিজক নিজে কৈ উঠিল, সৎ কাম কৰিলে প্ৰকৃত মানুহ হ'ব পাৰে। কৰ্ম্মফল অনুযায়ীহে জীৱৰ জন্ম ভোগ হয়।

বুদ্ধি আৰু মূৰ্খামি

বোৱাৰী বিচৰাৰ সাধু

এজন বুঢ়াৰ এটা মাত্ৰ পুতেক আছিল। বুঢ়াৰ সখিয়েকৰো পুতেক মাত্ৰ এজন আছিল। দুয়ো সখিয়েকে ল'ৰাৰ বাবে ছোৱালী বিচাৰিবলৈ ধৰিলে। বুঢ়াই বোৱাৰী কৰিবলৈ ছোৱালী বিচাৰি মানুহৰ ঘৰে ঘৰে গ'ল। সখিয়েক বোৱাৰী বিচাৰি নদীৰ ঘাটৰ ফালে গ'ল।

মানুহবোৰে ভাত খাই উঠাৰ পিচত বুঢ়াই মানুহৰ ঘৰলৈ গৈ ছাই বিচাৰে। ছাই দি পঠিয়ালে ছাই আনি দুৱাৰ মুখত পেলাই দিয়েহি। এই-দৰে বুঢ়াই বোৱাৰী বিচাৰি ছাই সংগ্ৰহ কৰি ফুৰা হ'ল।

তেনেকৈ এদিনাখন এঘৰলৈ গৈ বুঢ়াই ছাই খুজিলে। তেতিয়া ছোৱালী-জনীয়ে কলে, "অলপ আগতে অহা হলে আপুনি ছাই পালেহেঁতেন। মই বাচন-বৰ্তন, চক মাজি পৰিষ্কাৰ কৰিলোঁ। ছায়ো পেলাই দিলোঁ।" বুঢ়াই ভাবিলে এইজনী ছোৱালীহে বোৱাৰীৰ বাবে উপযুক্ত হ'ব। বুঢ়াই ছোৱালী-জনীক বোৱাৰী কৰি আনিলে। কামে-কাজে ছোৱালীজনী চোকা। বুঢ়া মহা সুখী হ'ল।

ইফালে সখিয়েকে নানা ঠাইৰ নদীৰ ঘাটত ছোৱালী বিচাৰি যি-জনীকে আটাইতকৈ সুন্দৰী দেখা পালে সেইজনীকে পুতেকৰ বাবে বোৱাৰী কৰি আনিলে। বিয়াৰ পিচৰপৰা সুন্দৰী বোৱাৰীজনী এলেহুৱা হ'ল। খাই শুই দিন কটাবলৈ ধৰিলে। ঘৰ-দুৱাৰবোৰত বিশৃঙ্খলাৰ সৃষ্টি হ'ল। বুঢ়া শহুৰেকৰ বৰ কষ্ট হ'ল। এদিনাখন সখিয়েকক কলে, "মই বৰ দুৰ্ভগীয়া। বোৱাৰী আনি বৰ কষ্ট পালোঁ। আপোনাৰ বোৱাৰীজনী ভাল পালে! আপুনি বৰ ভাগ্যৱান।" তেতিয়া বুঢ়াই সখিয়েকক কলে, "আপুনি নদীৰ ঘাটৰপৰা বোৱাৰী বিচাৰি আনিছে। আপোনাৰ কেনেকৈ সুখ হ'ব? বোৱাৰী মানুহৰ ঘৰে ঘৰে বিচাৰিব লাগে।" সখিয়েকৰ কথাত তেওঁ বোৱাৰী-য়েকক এৰি দি মানুহৰ ঘৰে ঘৰে বিচাৰি নতুন বোৱাৰী আনিলেগৈ। পিচত তেওঁ সুখী হ'ল।

মেকুৰী আৰু শিয়ালৰ সাধু

এদিনাখন এটা বোন্দা মেকুৰী পথাৰৰ মাজত এন্দুৰ চিকাৰৰ কাৰণে চোপ লৈ বহি আছিল। তেনেতে এটা শিয়ালে মেকুৰীক লগ পালে। কুকুৰ-শিয়ালে মেকুৰী দেখিলে কামুৰিব খোজে। এয়া সিহঁতৰ স্বভাৱ। শিয়ালে মেকুৰীক হঠাতে মুখা-মুখিকৈ লগ পাই খং উঠি কামুৰিব খুজি কলে, "তহঁতে মানুহৰ ঘৰত মাছে-মঙহে ভাত-আঞ্জা খাবলৈ পায়ো ইয়ালৈ আহাৰ বিচাৰি আহিছ ?"

তেতিয়া মেকুৰীয়ে কলে, "নহয় সখি! নিতৌ একে ধৰণৰ ভাত-আঞ্জা খাই জিভাত সোৱাদ নোপোৱা হৈছো। সেই কাৰণে নতুন সোৱাদ বিচাৰি চিকাৰলৈ আহিছো।" "তোমাৰ মোৰ লগত কেনেকৈ সখি হ'ল ?" শিয়ালে সুধিলে। তেতিয়া মেকুৰীয়ে কলে, "হেৰা সখি, আয়ে কৈ গৈছিল যে তোমাৰ যেতিয়া জনম হয় সেই সময়ত মোৰো জনম হৈছিল। সেই কাৰণে আমি দুয়ো সখি। হেৰা সখি, আমি বাটৰ কাষত মুকলি পথাৰত কথা কৈ থকাটো নিৰাপদ নহয়। অলপ আঁতৰলৈ যোৱা ভাল।" তেতিয়া শিয়ালে কলে, "ধেৎ সখি, তাকেহে ভয় কৰেনে ? মোৰ লগত কুকুৰে দৌৰি কেৰ মাৰিব নোৱাৰিব। একা-বৈকাকৈ দৌৰিলে সিহঁতে দৌৰি খেদি ধৰিব নোৱাৰিব।"

সিহঁতে তেনেকৈ কথা-বতৰা পাতি থাকোঁতে গাঁৱৰ মানুহে দুটা চিকাৰী কুকুৰ লগত লৈ চিকাৰ বিচাৰি আহিল। তাকে দেখি মেকুৰীয়ে গছত উঠি সাৰিবলৈ এডাল গছ চাই থলে। শিয়ালেও পলাই সাৰিবলৈ বাট বিচাৰি ৰাখিলে। চিকাৰী কুকুৰ দুটা আহি ওচৰ পোৱাত মেকুৰী গছৰ ওপৰত উঠিল। শিয়ালে পাৰেমানে অকাই-পকাই দৌৰিছিল, কিন্তু দুটা কুকুৰৰ আগত দৌৰি সি সাৰিব নোৱাৰিলে। কুকুৰ দুটাই শিয়ালক কামুৰি নাড়ী-ভুঁৰু উলিয়াই দিলে।

গছৰ ওপৰৰপৰা মেকুৰীয়ে কলে, "সখিৰ নখ থকা হলে মোৰ দৰে গছত উঠি সাৰিলহেঁতেন। তেওঁ অজস্ৰবো কৰে, অথচ নিজেও মৰে।"

এজন কৃপণ বুঢ়াৰ সাধু

এজন মহাজন বুঢ়া আছিল। বুঢ়া বৰ কৃপণ আছিল। বুঢ়াই এটকা ধাৰলৈ দি মানুহবপৰা দুটকা সুদ লৈছিল। যিবোৰ মানুহে তেওঁৰপৰা টকা ধাৰে লৈছিল সেইবোৰ মানুহৰ খোৱা-লোৱাৰ সুখ নাছিল। বুঢ়াই ৰাতিপুৱাতে উঠি ঘৰে ঘৰে তাগিদ দি ধৰুৱাবোৰক বৰ আমনি দিছিল।

বুঢ়াৰ এজন পুতেক আছিল। ভগৱানৰ লীলাত তেওঁৰ এদিন মৃত্যু হ'ল। বুঢ়াই মনত বৰ বেজাৰ পালে আৰু কিছুদিনৰ কাৰণে মানুহৰ ঘৰলৈ গৈ তাগিদ দিবলৈ এৰি দিলে। কিন্তু পিচত আকৌ বুঢ়াই ৰাতিপুৱাতে উঠি মানুহৰ ঘৰলৈ গৈ টকা সাধি ফুৰিবলৈ ধৰিলে।

এদিনাখন বুঢ়াৰ ধৰুৱা এজন ডেকাই সাধুৰ ভেশ ধৰি বুঢ়াৰ ঘৰলৈ গৈ "উস্ ৰাম!" বুলি মাত দিলে। সেইদিনা বুঢ়া ঘৰত নাছিল। টকাৰ ধাৰ সাধিবলৈ গৈছিল। বুঢ়ীয়ে সাধুক সুধিলে, "তুমি ক'ৰপৰা আহিছা?" সাধুৱে কলে, "মই স্বৰ্গৰপৰা আহিছোঁ। মই স্বৰ্গত থকা মানুহ।" সাধুৰ কথা শুনি বুঢ়ীয়ে ভাবিলে, "আমাৰ সন্তানো মৰি স্বৰ্গলৈ গ'ল।" বুঢ়ীয়ে পুতেকৰ কিবা খবৰ দিব পাৰিব নেকি বুলি সাধুক সুধিলে, "তেনেহলে তুমি আমাৰ সন্তান অমুকাক জানা নেকি? সিও স্বৰ্গত আছে" "সাধুৱে কলে, "হয় জানো। আমি দুয়ো একেলগে থাকোঁ।" তেতিয়া বুঢ়ীয়ে সাধুক সুধিলে, "এতিয়া কেনে আছে সি?" সাধুৱে কলে, "অ তাৰ কথা কি কম। তাৰ বহুত টকা ধাৰ হ'ল। মহাজনসকলে সদায় সদায় টকাৰ বাবে তাগিদ দিয়াত তাৰ মুঠেই সুখ-শান্তি নোহোৱা হ'ল। ধাৰৰ টকাও দুহেজাৰমান হ'ল। এতিয়া টকা ধাৰে বিচাৰি কাৰো ওচৰত টকা নোপোৱা হ'ল।"

তেতিয়া বুঢ়ীয়ে চন্দুকৰপৰা টকা দুহেজাৰ উলিয়াই সাধুৰ হাতত দি কলে, "মোৰ বোপাটোক দিবাগৈ।" সাধু "নিশ্চয় নিশ্চয়" বুলি

কৈ তাৰপৰা বেগাবেগিকৈ ওলাই আহিল। ওলাই আহিবৰ সময়ত পদূলিত বুঢ়াই সাধুক দেখা পাইছিল। সাধুৱে মুখ ঘুৰাই লোৱাত বুঢ়াই ধকরা সাধুক চিনিব নোৱাৰিলে।

বুঢ়া ঘৰ আহি পোৱাত বুঢ়ীয়ে বুঢ়াক গালি পাৰি কৰলৈ ধৰিলে, "নিজৰ পুতেৰা সিফালে স্বৰ্গত টকাৰ ধাৰত পোত গৈ আছে, ইফালে তুমি আন ধকরাক তাগিদ দিছা। নিজৰ ল'ৰাৰ কি হৈছে তাৰ তুমি খবৰ নাৰাখা নেকি?" বুঢ়ীৰ কথা শুনি বুঢ়াই কলে, "মোৰ ল'ৰাৰ স্বৰ্গত টকা ধাৰ লাগিছে বুলি তোমাক কোনে কলে?" তেতিয়া বুঢ়ীয়ে উত্তৰ দিলে, "এইমাত্ৰ এজন সাধু স্বৰ্গৰপৰা আহিছিল। মই তেওঁৰ হাততে বোপালৈ টকা ছুতাজাৰ দি পঠিয়ালোঁ।" বুঢ়ীৰ কথাত বুঢ়াৰ খঙে মূৰৰ চুলি পালেগৈ।

বুঢ়াই সাধুজনৰ পিচে পিচে খেদা ললে। সাধুজনে অলপ দূৰ গৈ সাধুৰ পোচাক সলাই সাধাৰণ মানুহৰ পোচাক পিন্ধি গছৰ তলত জিৰণি লবলৈ বহিলহি। কৃপণ মহাজনে গৈ সেই বহি থকা ডেকাজনক সুধিলে, "তুমি এইফালে এজন সাধু যোৱা দেখা পাইছা নেকি?" ডেকাজনে "এইমাত্ৰ এইফালেদি গৈছে" বুলি হাবি-বননিৰে ভৰা পাহাৰৰ ফালে দেখু-ৱাই দিলে। বুঢ়াই ঘোঁৰাটো গছৰ তলত বান্ধি "অলপ চাবা" বুলি কৈ সাধুক বিচাৰি পাহাৰৰ ফালে খোজ ললে। ডেকাজন সেই বেগতে বুঢ়াৰ ঘোঁৰাটোত উঠি তাৰপৰা আঁতৰি গ'ল।

কিছুসময়ৰ পিচত বুঢ়া আহি দেখে যে সেই ডেকাও নাই ঘোঁৰাও নাই। বুঢ়া খোজ কাঢ়ি কাঢ়ি ঘৰলৈ আহিল। বুঢ়াক দেখি বুঢ়ীয়ে সুধিলে, "ঘোঁৰা কি হ'ল?" বুঢ়াই কলে, "স্বৰ্গৰ যিজন মানুহক তুমি টকা দিছা,ময়ো তাকে ঘোঁৰাটো দি পঠিয়ালোঁ, যাতে সি সোনকালে স্বৰ্গ পায়গৈ।"

অকামায়া সাধু

এজন বুঢ়া আছিল। তেওঁৰ তিনিজনী জীয়েক। তাৰে দুজনীক বিয়া দিলে। সৰুজনীক বিয়া দিব পৰা নাই। এদিনাখন বুঢ়াই সকলোৰে আগত ক'লে, "যিজনে অকামায়াৰ সাধু কথা কৈ শুনাব পাৰিব তেওঁলৈকে মোৰ সৰুজনী ছোৱালী বিয়া দিম।"

এই কথা শুনি বহুত মানুহ আহি বুঢ়াক সাধু কথা কৈ শুনালে। কিন্তু বুঢ়াই কাৰো সাধু কথাত সন্তুষ্ট নহ'ল। বুঢ়াৰ ঘৰলৈ সাধু কথা কোৱা মানুহৰ সোঁত বোৱা দেখি সেইখন গাঁৱৰে এজন মাউৰা গৰখীয়াই কি হৈছে জানিবৰ কাৰণে বুঢ়াৰ ঘৰলৈ আহিল। আহি দেখে যে মানুহবোৰে বুঢ়াক সাধু কথা কৈ শুনাবলৈ ধৰিছে। কোনেও বুঢ়াক সন্তুষ্ট কৰিব পৰা নাই। গৰখীয়ায়ো বুঢ়াক সাধু কৈ শুনাবলৈ আগ বঢ়া দেখি সকলোৱে বিদ্ৰূপ কৰিলে।

মাউৰাই বুঢ়াৰ আগত সাধু কথা কবলৈ আৰম্ভ কৰিলে। আগতে মোৰ পিতাৰ এটা হালোৱা গৰু আছিল। তাৰ কপালত আহত গছ এজোপা আছিল। পিতাই গৰমৰ দিনবোৰত ৰ'দ টান হলে তাতেই জিৰণি লৈছিল। আৰু পিতাই বতাহক চৌপাত (টোমত) বান্ধিব জানিছিল; আৱশ্যক হলেই বতাহক এৰি দিছিল। পিতাৰ ঘোঁৰাও এটা আছিল। তাৰ চাৰিখন ঠেং ওপৰ ফালেহে আছিল। সি নেজ আৰু কাণ দুখনেৰে বৰকৈ দৌৰিছিল।' বুঢ়াই মাউৰাৰ সাধু কথা শুনি বৰ ৰং পালে আৰু সৰুজনী জীয়েকক তেওঁলৈ বিয়া দিলে।

শিয়ালৰ বুদ্ধি

এহাল বুঢ়া-বুঢ়ী আছিল। সিহঁতৰ সতি-সন্ততি নাছিল। সিহঁতে নিজে কাম-বন কৰি দুবেলা দুমুঠি খাইছিল। বুঢ়া-বুঢ়ী দুয়ো এদিনাখন জেঠৰ প্ৰখৰ ৰ'দত খেতিত বন নিকাই জিৰণিৰ সময়ত নিজৰ নিজৰ বাতিত মদ খাইছিল। সেই সময়তে এচুকত থকা ভেকুলীয়ে "বুঢ়াৰ বাতিৰ মদ বুঢ়ীয়ে খোৱাঁ আৰু বুঢ়ীৰ বাতিৰ মদ বুঢ়াই খোৱাঁ" বুলি মাত দিলে। ভেকুলীৰ কথা শুনি বুঢ়াৰ মহা খং উঠিল আৰু বন চিকুণোৱা খন্তিখনকে ভেকুলীলৈ দলিয়াই দিলে।

ভেকুলীয়ে একে জঁাপে ক'ত পৰিব কত নপৰিবকৈ গড়-পাচুৰী পখীৰ বাহত জঁপিয়াই পৰিলগৈ। গড়-পাচুৰী পখীয়ে ভয়তে উৰা মাৰি ক'ত পৰিব ক'ত নপৰিবকৈ হাৰগিলাৰ মূৰত পৰিল। চক খাই হাৰগিলা পখীয়ে উৰা মাৰি ক'ত পৰিব ক'ত নপৰিবকৈ ঔ-গছৰ ফলৰ ওপৰত পৰিল। হাৰগিলাৰ ভৰ সহ্য কৰিব নোৱাৰি ঔটো সৰি পানীত পৰিল। এটা পখীয়ে পাৰত বহি মাছ চুপি আছিল। ঔ পৰা পানীৰ ঢৌৱে সেই পখীটোক পানীৰে বুৰাই দিলে। সি কোনোমতে পানীৰপৰা উঠি আকাশ পৰিল বুলি ভয়তে ঠাকুৰৰ ওচৰলৈ উৰা মাৰিলে। বাটত যিমানবোৰ পখী লগ পালে আটাইবোৰ পখীয়ে আকাশ পৰিছে বুলি ঠাকুৰৰ ওচৰলৈ উৰা মাৰিলে।

